● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

*যদি আপুনি ভাবে কামটো সম্ভৱপৰ তেন্তে তাত সুযোগ দেখিবলৈ পাব। আৰু যদি কামটো সম্ভৱ নহ'ব বুলি ভাবে তেন্তে তাত বহুত বাধা দেখিবলৈ পাব।*

অ'ৱেন ডায়াৰ
*আমেৰিকাৰ লেখক*



www.dainikagradoot.in

৫ এই প্ৰশ্ন মোক কিয় সুধিছে, চীনক সোধক
১১ ফেড কাপ বঁটাৰ ধনো সাহায্য ৰূপে দিলে ছানিয়াই
৪ নিষ্পেষণৰ ভাইৰাছত আক্ৰান্ত দেশৰ শ্ৰমিক

RNI-Regd No. 62953/96 ■ পঞ্চবিংশতিতম বছৰ ● ২১৩তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৩০ ব'হাগ ১৪২৭ ভাস্কৰাব্দ ১৩ মে' ২০২০ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 13 May 2020 মূল্য ঃ ৭.০০ টকা

## ২০ লাখ কোটিৰ আৰ্থিক পেকেজ ঘোষণা ঃ মুঠ ঘৰুৱা উৎপাদনৰ ১০ শতাংশ পুঁজি ধাৰ্য

### দেশত কৰ'না পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ১৮ মে'ৰ পৰা নতুন ৰূপত তলাবন্ধৰ চতুৰ্থ পৰ্যায়

# আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ সংকল্প



■নিউজ ব্যুৰ'

**নতুন দিল্লী, ১২ মে' ঃ** ক'ভিড-১৯ৰ পৰিস্থিতিয়ে ভাৰতলৈ আনি দিছে আত্মনিৰ্ভৰশীলতাৰ সুন্দৰ সুযোগ। ২১ শতিকাৰ বিশ্বত নেতৃত্ববাহী হ'বলৈ সক্ৰিয় হ'ব লাগিব ভাৰতবৰ্ষ। আত্মনিৰ্ভৰশীল ভাৰত নিৰ্মাণৰ সংকল্পৰে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক সম্বোধন কৰি এইদৰে কয়। কৰ'না ভাইৰাছৰ পৰিস্থিতিত প্ৰধানমন্ত্ৰীৰ ভাষণত আজি অহা ১৭ মে'ত অন্ত পৰিবলগীয়া তলাবন্ধৰ ম্যাদ বৃদ্ধি হ'ব নে অন্ত পৰিব সেই কথা জানিবলৈ দেশবাসী উৎসুক হৈ আছিল। আজিৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে আগন্তুক সময়ত তলাবন্ধ হ'ব নতুন ৰূপ আৰু নতুন ৰঙৰ। এই বিষয়ে বিস্তাৰিত অহা ১৮ মে'ৰ পূৰ্বে ঘোষণা কৰা হ'ব বুলিও তেওঁ কয়। লগতে প্ৰধানমন্ত্ৰী মোদীয়ে আজি দেশৰ সাধাৰণ জনতাৰ সহায়ক হোৱাকৈ ২০ লাখ কোটি টকাৰ আৰ্থিক পেকেজ ঘোষণা কৰে। কৃষক আৰু মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালৰ বাবে এই পেকেজ ঘোষণাৰ সমান্তৰালভাৱে তেওঁ আত্মনিৰ্ভৰশীল ভাৰত নিৰ্মাণৰ বাবে সংকল্পবদ্ধ বুলিও কয়। তেওঁ কয় যে আত্মনিৰ্ভৰশীলতাত গুৰুত্ব আৰোপ কৰি ২১ শতিকাত নেতৃত্ববাহীৰূপে *দুই পৃষ্ঠাত চাওক*

### দেশৰ জনগাঁথনিয়ে আমাৰ শক্তিৰ উৎস ঃ প্ৰধানমন্ত্ৰী

## ভুৱা সংবাদ প্ৰচাৰ সংবাদ মাধ্যমৰ স্বতন্ত্ৰতা হ'ব নোৱাৰে

■প্ৰকাশ জাৱড়েকাৰ



**এখন** দেশত সংবাদ মাধ্যমে কিমান স্বতন্ত্ৰতা লাভ কৰে সেই সন্দৰ্ভত সদায়েই বাদ-বিবাদৰ অৱতাৰণা হৈ আহিছে; কিন্তু ভাৰতত কেৱল এবাৰৰ বাবে অৰ্থাৎ ১৯৭৫ৰ জুনত ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা ঘোষণাৰ সময়ত সংবাদ মাধ্যমে স্বতন্ত্ৰতাৰ ভাবুকিৰ সন্মুখীন হ'বলগীয়া হৈছিল। সেই সময়ত *আঠ পৃষ্ঠাত চাওক*

## ■ মহানগৰীৰ এজনো আক্ৰান্তৰ সংক্ৰমণৰ উৎস ধৰা নপৰাকলৈ গভীৰ উদ্বেগ ■ ফাঁচী বজাৰৰ বৃহৎ অংশক কণ্টেইনমেন্ট জ'ন ঘোষণা ■ বাসিন্দাসকলক সাৱধান হৈ থাকিবলৈ আহ্বান স্বাস্থ্যমন্ত্ৰীৰ

# গুৱাহাটীত ধৰা নপৰাকৈও আছে সংক্ৰমিত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে' ঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণক লৈ গুৱাহাটীবাসীক সতৰ্ক থাকিবলৈ আজি আহ্বান জনায় স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মহানগৰীত ক'ভিড-১৯ত আক্ৰান্ত এজনৰো সংক্ৰমণৰ উৎস ধৰা নপৰাৰ ফলতে এই সতৰ্কতা অৱলম্বনৰ আহ্বান জনাই আজি ইয়াত এক সংবাদমেলত মন্ত্ৰীজনে কয়, 'গুৱাহাটীৰ প্ৰথমজন আক্ৰান্ত মণিষ তিব্ৰেৱালৰ পৰা আৰম্ভ কৰি কালি যি দুজন আক্ৰান্তৰ তথ্য ওলায় তাৰে এজনৰো সংক্ৰমণৰ উৎস আমি ধৰিব পৰা নাই। ইয়াৰ পৰা আমি ধাৰণা কৰিব পাৰো যে গুৱাহাটীত আৰু কোনো সংক্ৰমিত লোক আছে যাক আমি ধৰিব পৰা নাই। গতিকে গুৱাহাটীৰ প্ৰত্যেকে অত্যন্ত *ছয় পৃষ্ঠাত চাওক*




## হিমন্তৰ টুইটাৰ একাউণ্টক লৈ গোচৰ আৰক্ষীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে' ঃ** সুৰক্ষিত অৱস্থাত আছে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ টুইটাৰ একাউন্ট। গ্ৰাফিক্সৰ জৰিয়তে তথ্য বিকৃত কৰিলেও হেকাৰৰ কবলত পৰা নাই স্বাস্থ্যমন্ত্ৰীৰ টুইটাৰ একাউন্টটো। *সাত পৃষ্ঠাত চাওক*



### কৰ'নাৰ স্থিতি

**বিশ্ব**

| | |
|---|---|
| আক্ৰান্ত | ঃ ৪৩,০৫,১৫৭ |
| মৃত | ঃ ২,৮৯,৮৬৬ |
| আৰোগ্য | ঃ ১৫,৫১,৮৭৮ |

**ভাৰত**

| | |
|---|---|
| আক্ৰান্ত | ঃ ৭৪,০৭৯ |
| মৃত | ঃ ২৪১০ |
| আৰোগ্য | ঃ ২৪,১৪৫ |

**ৰাজ্যসমূহৰ স্থিতি**

| ৰাজ্য | আক্ৰান্ত | মৃত | সুস্থ |
|---|---|---|---|
| অসম | ৬৫ | ২ | ৪০ |
| অৰুণাচল | ১ | ০ | ১ |
| মিজোৰাম | ১ | ০ | ১ |
| মণিপুৰ | ২ | ০ | ২ |
| মেঘালয় | ১৩ | ১ | ১০ |
| ত্ৰিপুৰা | ১৫২ | ১ | ২ |
| নগালেণ্ড | ১ | ০ | ১ |
| দিল্লী | ৭৬৩৯ | ৮৬ | ২৫১২ |
| মহাৰাষ্ট্ৰ | ২৪৪২৭ | ৯২১ | ৫১২৫ |
| গুজৰাট | ৮৯০৪ | ৫৩৭ | ৩২৪৬ |
| অন্ধ্ৰ | ২০৫১ | ৪৬ | ১০৫৬ |
| কৰ্ণাটক | ৯২৫ | ৩১ | ৪৩২ |
| ৰাজস্থান | ৪০৫৬ | ১১৫ | ২৩৭৮ |
| ইউ পি | ৩৫৭৩ | ৮০ | ১৭৫৮ |
| তামিলনাডু | ৮৭১৮ | ৬১ | ২০৫১ |
| তেলেংগানা | ১৩২৬ | ৩২ | ৮২২ |
| কাশ্মীৰ | ৯৩৪ | ১০ | ৪৫৫ |
| গোৱা | ৭ | ০ | ৭ |
| কেৰালা | ৫২৫ | ৪ | ৪৮৯ |
| পুডুচেৰী | ১৫ | ০ | ৯ |
| এম পি | ৩৯৮৬ | ২২৫ | ১৮৬০ |
| ওড়িছা | ৪৩৭ | ৩ | ৮৫ |
| বিহাৰ | ৮৩০ | ৬ | ৩৮২ |
| ঝাৰখণ্ড | ১৭২ | ৩ | ৭৯ |
| বংগ | ২১৭৩ | ১৯৮ | ৬১২ |
| চত্তিছগড় | ৫৯ | ০ | ৫৩ |
| উত্তৰাখণ্ড | ৬৯ | ১ | ৪৭ |
| হাৰিয়ানা | ৭৮০ | ১১ | ৩৪২ |
| পঞ্জাব | ১৯১৪ | ৩২ | ১৭১ |
| লাডাখ | ৪২ | ০ | ২২ |
| হিমাচল | ৬৫ | ৩ | ৩৫ |
| চণ্ডীগড় | ১৯৬ | ৩ | ২৮ |
| আন্দামান | ৩৩ | ০ | ৩৩ |



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২১° |
| ডিব্ৰুগড় | ৩১° | ১৯° |
| দিল্লী | ৩৭° | ২৭° |
| কলকাতা | ৩৭° | ২৬° |
| মুম্বাই | ৩৪° | ২৮° |
| চেন্নাই | ৩৬° | ২০° |
| বাংগালুৰু | ৩৪° | ২২° |
| শ্বিলং | ২৪° | ১৬° |

*১২ মে', ২০২০*

**মাহে ৰমজান**

**ইফটাৰ**
আজি আবেলি ঃ ৬.০১ বজা
**ছেহেৰী**
কাইলৈ পুৱা ঃ ৩.১২ বজা
** গুৱাহাটীৰ সময়*

## ভাৰতত ৭৪ হেজাৰলৈ বৃদ্ধি কৰ'না আক্ৰান্ত, উৰ্ধ্বমুখী মৃতৰ সংখ্যাও

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১২ মে' ঃ** তৃতীয় পৰ্যায়ৰ তলাবন্ধ অন্ত পৰাৰ দিন দুৱাৰডলিত উপস্থিত হোৱাৰ সময়ত দেশত ক'ভিড-১৯ত আক্ৰান্তৰ সংখ্যা প্ৰতিদিনে অবাধ গতিত অব্যাহত আছে। বিশেষকৈ মহাৰাষ্ট্ৰ, গুজৰাট, তামিলনাডু, দিল্লী, ৰাজস্থান, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, অন্ধ্ৰপ্ৰদেশত প্ৰতি মুহূৰ্ততে দ্ৰুত গতিত বৃদ্ধি হৈছে আক্ৰান্তৰ সংখ্যা। অৱশ্যে ইয়াৰ বিপৰীতে একাংশ ৰাজ্যত সেই সংখ্যা দীৰ্ঘদিনৰ পৰাই *সাত পৃষ্ঠাত চাওক*

### উহানৰ এখন বাছৰ উদ্বেগজনক ঘটনা পোহৰলৈ অহাত আতংকৰ উদ্ভৱ ■ ১১ নিযুতক কৰ'না পৰীক্ষাৰ সিদ্ধান্ত

## যাত্ৰীবাহী ৰেল চলাচলে বৃদ্ধি কৰিলে সংক্ৰমণৰ আশংকা



*সংক্ৰমণৰ শংকা কঢ়িয়াই আৰম্ভ হ'ল ৰেল যাত্ৰা, দিল্লীত।*

■ নিউজ ব্যুৰ'

**নতুন দিল্লী/উহান, ১২ মে' ঃ** শ্ৰমিক বিশেষ ৰেলৰ পাছত দেশত আজিৰে পৰা আৰম্ভ হ'ল যাত্ৰীবাহী ৰেলৰ চলাচল। দেশৰ একাংশ নিৰ্দিষ্ট ৰেলপথত এইসমূহ ৰেল চলিব। কিন্তু ৰেল চলাচল আৰম্ভ হোৱাৰ লগে লগে দেশত কৰ'না ভাইৰাছৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰাৰো আশংকা কৰা হৈছে। *আঠ পৃষ্ঠাত চাওক*

## কৃষি বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপকৰ আত্মহত্যাত ৰহস্য



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১২ মে' ঃ** এক ৰহস্যজনক পৰিস্থিতিত আজি আত্মহত্যা কৰিলে যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ এজন জ্যেষ্ঠ অধ্যাপকে। নিজৰ কাৰ্যালয় কক্ষতে এখন চিলিং ফেনত চিপ লৈ আত্মহত্যা কৰা অধ্যাপকজন হৈছে কৃষি *সাত পৃষ্ঠাত চাওক*

### ■ আজিৰ পৰা কৰ'নাৰ বিৰুদ্ধে নিৰ্ণায়ক যুঁজ আৰম্ভ ঃ স্বাস্থ্যমন্ত্ৰী

### প্ৰতিজন লোকৰ ক'ভিডৰ পৰীক্ষা কৰা সম্ভৱ নহয় ঃ স্পষ্ট কৰিলে শৰ্মাই

## বহিঃৰাজ্যৰ পৰা কমেও ১৫ লাখ লোক উভতিব অসমলৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে' ঃ** কাইলৈৰ পৰা অসম ক'ভিড-১৯ৰ বিৰুদ্ধে নিৰ্ণায়ক যুঁজত অৱতীৰ্ণ হ'ব। কাইলৈ ডিব্ৰুগড় অভিমুখী দিল্লীৰ পৰা আহিবলগীয়া ৰেলখনে কোকৰাঝাৰ ষ্টেছনত প্ৰৱেশ কৰাৰ লগে লগে এই যুঁজ আৰম্ভ হ'ব বুলি আজি ইয়াত এক সংবাদমেলত সদৰী কৰে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ কয়, 'ইমান দিনে আমি যি যুঁজ চলাই আছিলো তাৰ সম্পূৰ্ণ বিপৰীতে হ'ব এই যুঁজ। অহা চাৰি-পাঁচ মাহৰ ভিতৰত কমেও ১৫ লাখ মানুহ অসমলৈ ঘূৰি আহিব। আমি এই লোকসকলক লৈ কৰ'নাৰ বিৰুদ্ধে সৰ্বস্ব উজাৰি যুঁজ দিম; কিন্তু তাৰ ফলাফল কি হ'ব নাজানো। যুঁজৰ বাবে আমি প্ৰত্যেকে সাজু হৈছো।' এই যুঁজৰ বাবেই অসমলৈ আহিবলগীয়া প্ৰতিজন লোক কঠোৰ স্বাস্থ্য সুৰক্ষা নিয়মৰ *আঠ পৃষ্ঠাত চাওক*



### ■ বন্ধ হৈ পৰিল কে'বাখনো জনপ্ৰিয় ৰেস্তোৰাঁ ঃ কমেও ৩০ কোটি টকাৰ ক্ষতিৰ আশংকা

## বিপৰ্যয়ত মহানগৰীৰ ৰেস্তোৰাঁ ব্যৱসায়

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে' ঃ** ক'ভিড-১৯ ভাইৰাছৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ দেশত অব্যাহত থকা তলাবন্ধৰ প্ৰত্যক্ষ প্ৰভাৱত বেলি মাৰ যোৱাৰ উপক্ৰম হৈছে ৰাজ্যৰ হোটেল-ৰেস্তোৰাঁৰ ব্যৱসায়। ৰাজ্যৰ নিৰনুৱা সংস্থাপনৰ প্ৰতি আশাৰ ৰেঙণি কঢ়িয়াই অনা তথা



যুৱ প্ৰজন্মৰ হাতত ক্ৰমাৎ ঠন ধৰি উঠা উদ্যোগটো সাম্প্ৰতিক সময়ত অৰ্থনৈতিক সংকটৰ কৰাল গ্ৰাসত পৰি অস্তগামী আকাশত সোমাই পৰিছে। নাগৰিকত্ব সংশোধনী বিধেয়ক বিৰোধী আন্দোলনৰ পৰাই ৰাজ্যৰ হোটেল-ৰেস্তোৰাঁসমূহলৈ নামি অহা অবাঞ্চনীয় অন্ধকাৰখিনি এতিয়াও আঁতৰি *আঠ পৃষ্ঠাত চাওক*

### বিদেশী কোম্পানীয়ে চীন ত্যাগ কৰিব বিচৰাত অস্থিৰ হৈছে জিনপিং

## ছিকিমৰ সংঘৰ্ষৰ পূৰ্বে লাডাখত সীমা উলংঘা চীনা যুঁজাৰু বিমানৰ



■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১২ মে' ঃ** উত্তৰ ছিকিমৰ ভাৰতৰ সীমান্তৱৰ্তী নাকু লা খণ্ডত ভাৰত-চীনৰ সেনাবাহিনীৰ সংঘৰ্ষৰ পূৰ্বে লাডাখত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত সঘনাই সংঘৰ্ষত লিপ্ত হৈছিল দুয়ো দেশৰ সেনা। তাৰ পূৰ্বে লাডাখৰ নিয়ন্ত্ৰণ ৰেখাৰ ওপৰত উৰিছিল চীনৰ যুঁজাৰু বিমান। যোৱা পাঁচ মে'ত এই ঘটনা সংঘটিত হৈছিল। চীন আৰু *ছয় পৃষ্ঠাত চাওক*

## স্বাস্থ্যৰ অৱনতি মুম্বাইত চিকিৎসাধীন ডেইজীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে' ঃ** স্বাস্থ্যৰ অৱনতি ঘটিছে মুম্বাইৰ পি ডি হিন্দুজা হাস্পতালত কৰ্মৰত অসমৰ নাৰ্ছ ডেইজী শইকীয়াৰ। ইয়াৰ পৰিপ্ৰেক্ষিততে যুৱতীগৰাকীক আজি পুৱতি *দুই পৃষ্ঠাত চাওক*

## গাফিলতিৰ বাবে কৰ'নাত মৃত্যুত ক্ষুব্ধ হৈ নিউয়ৰ্কত স্থাপন 'ট্ৰাম্প মৃত্যু ঘড়ী'




■ নিউজ ব্যুৰ'

**নিউয়ৰ্ক, ১২ মে' ঃ** নিউয়ৰ্কৰ বিখ্যাত টাইমছ স্কোৱেৰৰ সুউচ্চ অট্টালিকাত স্থাপন কৰা হৈছে এটা সুবিশাল ঘড়ী। য'ত প্ৰতিমুহূৰ্ততে দৃশ্যমান হৈছে আমেৰিকাত ক'ভিড-১৯ ভাইৰাছত *সাত পৃষ্ঠাত চাওক*

## দীঘলীয়া বাছ যাত্ৰাৰ অন্তত মহানগৰীত উপস্থিত জুবিন



*সপত্নীক জুবিন*

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে' ঃ** দীঘলীয়া যাত্ৰাৰ অন্তত যোৱা নিশা মহানগৰীত উপস্থিত হ'ল দুই সতীৰ্থসহ *আঠ পৃষ্ঠাত চাওক*

## উচ্চতৰ মাধ্যমিকত ৬৬০খনৰ পৰা ৪৪০খনলৈ আসন হ্ৰাস কৰিলে কটনে

### জাণ্ডুৰ খাই উঠিছে ছাত্ৰ সমাজ ঃ আন্দোলনৰ হুংকাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে' ঃ** চলিত শিক্ষা বৰ্ষত হ্ৰাস পাব কটন বিশ্ববিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ কলা-বিজ্ঞান শাখাৰ ২২০খন আসন। কটন বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক এছ কে দত্তই চি ইউ/একাডেমিক/এইছ এছ এডমিছন/২০১৯/১৫২/২৩১ নম্বৰযোগে কালি এই সম্পৰ্কীয় *সাত পৃষ্ঠাত চাওক*




## কৰ'নাৰ স'তে সহাৱস্থান কৰি চলিব লাগিব, ভীতিগ্ৰস্ত হ'লে নহ'ব

### এইকেইদিন কিতাপ পঢ়ি বহুত কথা শিকিছো

**তলাবন্ধৰ অনুভৱ**

তৰুণ গগৈ

**তলাবন্ধ**— আগতে নোপোৱা সম্পূৰ্ণ এটা নতুন অভিজ্ঞতা। আমি ৰাজনীতি কৰা মানুহ। সদায় সক্ৰিয় হৈ থাকো। এতিয়াও সক্ৰিয়। তাৰ মাজতো যেন ক'ৰবাত স্থৱিৰতা আহিছে। সাধাৰণ দিনত দলৰ কাম কৰিছিলো। সমষ্টিলৈ গৈছিলো। বিভিন্ন কাৰণত মানুহৰ ঘৰলৈ গৈছিলো— ঘৰৰেই হওক বা সমষ্টিৰ। সমষ্টিৰ বাহিৰৰ দলৰ মানুহৰ ঘৰলৈও গৈছিলো। মোৰ ঘৰলৈও মানুহ আহিছিল। ঘৰৰ মানুহ আহিছিল, দলৰ মানুহো *আঠ পৃষ্ঠাত চাওক*



# আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ সংকল্প

*এক পৃষ্ঠাৰ পৰা* ভাৰতে ইয়াৰ প্ৰচুৰ সম্ভাৱনা উপলব্ধি কৰিব লাগিব।

আজি ভাষণত প্ৰধানমন্ত্ৰীয়ে আত্মনিৰ্ভৰশীল ভাৰতৰ পাঁচটা স্তম্ভৰ বিষয়ে উল্লেখ কৰে। এই পাঁচটা স্তম্ভ হৈছে— বৃহৎ গতিৰ সম্ভাৱনাৰে পুষ্ট অৰ্থনীতি, আন্তঃগাঁথনি, প্ৰযুক্তিচালিত ব্যৱস্থাৱলী, জনগাঁথনি আৰু চাহিদা-শক্তিশালী যোগান ব্যৱস্থা। প্ৰধানমন্ত্ৰীয়ে 'আত্মনিৰ্ভৰ ভাৰত'ৰ পাঁচটা স্তম্ভৰ বিষয়ে উল্লেখ কৰাৰ প্ৰসংগত গুজৰাটৰ কচ্ছত হোৱা বিধ্বংসী ভূমিকম্পৰ বিষয়ে সুঁৱৰি কয় যে দৃঢ়তা আৰু সংকল্পৰে এই অঞ্চলটো পুনৰ্নিৰ্মাণ কৰা হৈছিল। ভাৰতবৰ্ষক আত্মনিৰ্ভৰ কৰিবলৈ তেনে দৃঢ়তাৰ প্ৰয়োজন আছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। প্ৰথম স্তম্ভৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ভাৰতৰ অৰ্থনীতিয়ে বৃহৎ জাঁপ মাৰিব লাগিব। এখোজ-দুখোজকৈ ক্ৰমবৰ্ধিত গতিত আগবাঢ়িলে নহ'ব। তেওঁ কয় যে আমি এনে এক অৰ্থনীতি নিৰ্মাণ কৰিব লাগিব যিয়ে বৃহৎ বৃদ্ধিৰ কথা ক'ব। দ্বিতীয় স্তম্ভৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে এনে এক আন্তঃগাঁথনি হোৱা উচিত যি বিশ্বমানৰ আৰু আধুনিক ভাৰতৰ স'তে সংগতি ৰক্ষা কৰি এই আন্তঃগাঁথনি ভাৰতৰ স্বকীয় পৰিচায়ক হ'ব। তৃতীয় স্তম্ভৰ বিষয়ে তেওঁ কয় যে এনে এক ব্যৱস্থাৱলী হ'ব যি প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত হ'ব আৰু ই ২১ শতিকাৰ স্বপ্ন পূৰণ কৰিব, বিগত শতিকাৰ নীতিৰ দ্বাৰা পৰিচালিত নহয়। চতুৰ্থ স্তম্ভৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতৰ এনে এক স্পন্দিত জনগাঁথনি আছে যি আত্মনিৰ্ভৰ ভাৰতৰ শক্তিৰ উৎস। আমাৰ জনগাঁথনি আমাৰ শক্তি আৰু আমাৰ কৰ্মশক্তিৰ উৎস বুলি মোদীয়ে কয়। পঞ্চম স্তম্ভৰ কথা উল্লেখ কৰি তেওঁ কয় যে আমাৰ চাহিদা আৰু যোগানৰ শৃংখলা সম্পূৰ্ণ সামৰ্থ্যৰে ব্যৱহাৰ কৰিব লাগিব। এই যোগানৰ শিকলিডাল সবল কৰাৰ লগতে চাহিদা পূৰ্ণ কৰাৰ বাবে সকলো অংশীদাৰিত্বক শক্তিশালী কৰাৰ ওপৰত প্ৰধানমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, 'আমাৰ মূল্যবোধ হৈছে বসুধৈৱ কুটুম্বকম। আমাৰ আত্মনিৰ্ভৰশীলতাৰ সংজ্ঞা হৈছে সকলোকে অন্তৰ্ভুক্ত কৰি লোৱাটো। আমি বিশ্বক মাতৃজ্ঞান কৰো। এনে এখন দেশ যেতিয়া আত্মনিৰ্ভৰশীল হয়, তেতিয়া ই বিশ্বৰে সমৃদ্ধি আৰু সুখৰ কথাও ভাবে। ভাৰতে যেতিয়া আত্মনিৰ্ভৰশীলতাৰ কথা কয়, তেতিয়া ই আত্মকেন্দ্ৰিক ব্যৱস্থাৱলীৰ বিষয়ে নকয়। ভাৰতৰ আত্মনিৰ্ভৰশীলতাই সমগ্ৰ বিশ্বত সুখ, সহযোগিতা আৰু শান্তিৰ বিষয়ে উদ্বেগ জড়িত হৈ থাকে। ভাৰতৰ লক্ষ্য আৰু কাম-কাজে বিশ্বৰ সমৃদ্ধিকে প্ৰভাৱিত কৰিছে। আমি যেতিয়া মুকলিত মলত্যাগৰ অন্ত পেলালো তেতিয়া ই বিশ্বতে প্ৰভাৱ পেলালে। টি বি, পলিঅ' আদিৰ বিৰুদ্ধে আমাৰ যুঁজে সমগ্ৰ বিশ্বকে প্ৰভাৱিত কৰিছে। আমাৰ ইয়াত উৎপাদিত দৰৱ যেতিয়া আমি বাহিৰলৈ পঠিয়াও তেতিয়া ই বিশ্বকে প্ৰভাৱিত কৰে। সমগ্ৰ বিশ্ব প্ৰতীয়মান হৈছে যে আমি মানৱ সভ্যতাৰ উন্নয়নৰ বাবে অৱদান আগবঢ়াব পাৰো।' প্ৰধানমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ৰ পৰিস্থিতিৰ পাছত ভাৰত আত্মনিৰ্ভৰশীল হ'ব লাগিব। তেওঁ কয় যে বিগত শতিকাত ভাৰত প্ৰগতিৰ এক উদাহৰণ স্বৰূপ। কৰ'না ভাইৰাছৰ দৰে বিশ্ব মহামাৰীৰ পাছত বিশ্বৰ ভিতৰতে ভাৰত আত্মনিৰ্ভৰশীল দেশৰূপে পৰিগণিত হ'ব লাগিব বুলিও তেওঁ কয়। মোদীৰ ভাষণত ফুটি উঠে যে ক'ভিড-১৯এ একে সময়তে সম্ভাৱনাৰ এক দুৱাৰো মুকলি কৰি দিছে। তদুপৰি নজিৰবিহীন সংকটৰ জোৰা মাৰিবলৈ ভাৰতে খোজ দিছে। তেওঁ কয়, 'আমি এক গুৰুত্বপূৰ্ণ সন্ধিক্ষণত উপনীত হৈছো। এই বৃহৎ সংকটে এক বাৰ্তা আৰু সুযোগো লৈ আহিছে। যেতিয়া এই সংকট আৰম্ভ হৈছিল তেতিয়া ভাৰতত এটাও পি পি ই কিট উৎপাদন কৰা হোৱা নাছিল। কেৱল মাত্ৰ কেইটামান এন-৯৫ মাস্ক উপলব্ধ আছিল। আজি ভাৰতত প্ৰতিদিনে দুই লাখ পি পি ই কিট আৰু দুই লাখ এন-৯৫ মাস্ক উৎপাদন কৰা হয়। সমগ্ৰ বিশ্বতে আত্মনিৰ্ভৰশীলতাৰ সংজ্ঞা সলনি হৈছে।' প্ৰধানমন্ত্ৰীয়ে কয় যে আমি নতুন শক্তিৰে আগবাঢ়ি যাব লাগিব। 'আমি এক আত্মনিৰ্ভৰশীল ভাৰত নিৰ্মাণ কৰিম।' মোদীয়ে কয়। তেওঁ কয় যে কৰ'না সংকটে আমাক স্থানীয় যোগান শৃংখলৰ গুৰুত্বৰ কথা শিকালে। একেদৰে স্থানীয় বজাৰে আমাক সহায় কৰিলে। তেওঁ কয়, 'সময়ে আমাক শিকালে যে আমি এতিয়া স্থানীয় কথা ভাবিব লাগিব। বৰ্তমানৰ বিশ্ব ব্ৰেণ্ডসমূহ এসময়ত স্থানীয় আছিল। যেতিয়া মানুহে এইবোৰ ব্যৱহাৰ কৰিলে, এই সামগ্ৰীবোৰৰ ব্ৰেণ্ডিং কৰিলে, মাৰ্কেটিং কৰিলে তেতিয়াই এইবোৰ স্থানীয়ৰ পৰা বিশ্ব ব্ৰেণ্ড হ'ল। আমি আমাৰ স্থানীয় উৎপাদনক লৈ সৰৱ হ'ব লাগিব। কেৱল এইবোৰ ক্ৰয় কৰিলেই নহ'ব। ইয়াৰ প্ৰচাৰো কৰিব লাগিব। মই যেতিয়াই আপোনালোকৰ পৰা কিবা এটা বিচাৰিছো, তেতিয়াই আপোনালোকে সঁহাৰি দিছে। যেতিয়া মই আপোনালোকক খাদী ক্ৰয় কৰিবলৈ কৈছিলো, তেতিয়া অতি খৰতকীয়াকৈ ইয়াৰ বিক্ৰী চূড়ান্ত ৰূপ পাইছিল। এয়া এক সৰু উদাহৰণ, কিন্তু গুৰুত্বপূৰ্ণ যে কি কৰিব পাৰি।'

**প্ৰধানমন্ত্ৰী মোদীয়ে ঘোষণা কৰিলে অৰ্থনৈতিক পেকেজ**

আজি ভাষণত এক বিশেষ অৰ্থনৈতিক পেকেজ ঘোষণা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া সিদ্ধান্ত, ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ সিদ্ধান্ত আৰু আজি ঘোষিত বিত্তীয় পেকেজ একেলগ কৰিলে প্ৰায় ২০ লাখ কোটি টকাৰ পেকেজ হ'ব আৰু ই ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ ১০ শতাংশ। তেওঁ কয় যে জি ডি পিৰ ১০ শতাংশৰ এই ২০ লাখ কোটি টকাৰ অৰ্থনৈতিক পেকেজে ভাৰতৰ পূৰ্ণ সম্ভাৱনাক বাস্তৱায়িত কৰিবলৈ সহায় কৰিব। এই পেকেজ ভূমি, শ্ৰম, নগদ ধন আৰু আইন নিৰ্ভৰ হ'ব। ইয়াৰ দ্বাৰা 'মেক ইন ইণ্ডিয়া'ৰ প্ৰসাৰৰ লগতে ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগ, কৃষক আৰু অন্যান্যসকলৰ উদ্ধাৰৰ বাট মুকলি হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে কয়। 'মই আজি এক অৰ্থনৈতিক পেকেজ ঘোষণা কৰিম। ই 'আত্মনিৰ্ভৰ ভাৰত অভিযান'ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ক'ভিডক লৈ ভাৰত চৰকাৰে কৰা ঘোষণা, ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ সিদ্ধান্ত আৰু আজিৰ পেকেজক লৈ ২০ লাখ কোটি টকা হ'ব। ই ভাৰতৰ জি ডি পিৰ ১০ শতাংশ।' মোদীয়ে কয়। তেওঁ কয় যে আত্মনিৰ্ভৰ ভাৰতৰ বাবেই এই অৰ্থনৈতিক পেকেজ ঘোষণা কৰা হৈছে। আত্মনিৰ্ভৰ ভাৰত অভিযানক এই পেকেজে গতিশীলতা প্ৰদান কৰিব। ইয়াত ভূমি, শ্ৰম, নগদ ধন আৰু আইনৰ সকলোবোৰ বিষয় সামৰি লোৱা হৈছে। আমাৰ কুটিৰ উদ্যোগ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ আৰু গ্ৰাম্য উদ্যোগ সামৰি লোৱা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। এই পেকেজ কৃষক আৰু শ্ৰমিকৰ প্ৰতি লক্ষ্য কৰি লোৱা হৈছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে এই কৰ'না সংকট ইমানেই বৃহৎ যে বহু ব্যৱস্থাৱলী ইয়াত থৰহৰি কম্পমান হৈছে। একে সময়তে আমি আমাৰ শ্ৰমিক আৰু দৰিদ্ৰসকলৰ শক্তিও প্ৰত্যক্ষ কৰিলো বুলি প্ৰধানমন্ত্ৰীয়ে কয়, 'দিন হাজিৰা কৰা লোক, প্ৰব্ৰজিত শ্ৰমিকসকলে এই পৰিস্থিতিত অধিক যন্ত্ৰণাৰ সন্মুখীন হৈছে। এতিয়া তেওঁলোকৰ প্ৰতি কিবা এটা কৰাটো আমাৰ কৰ্তব্য। এই কথা মনত ৰাখিয়ে আজিৰ এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত তেওঁলোকৰ বাবে লোৱা হৈছে।'

**মানৱ সভ্যতাৰ বাবে অকল্পনীয়**

প্ৰধানমন্ত্ৰীয়ে ভাষণত কয় যে ক'ভিড-১৯ৰ সংকট সমগ্ৰ মানৱ জাতিৰ বাবেই এক অকল্পনীয় সংকট। তেওঁ কয়, 'আমি পূৰ্বে কেতিয়াও এনে সংকট দেখা নাছিলো বা শুনা নাছিলো। এয়া নিশ্চিতভাৱে মানৱ জাতিৰ বাবে অকল্পনীয়। এয়া নজিৰবিহীন। কিন্তু মানৱতাই ভাইৰাছৰ ওচৰত হাৰ নামানে। আমি নিজকে সুৰক্ষিত কৰাই নহয়, লগতে আগবাঢ়িও যাব লাগিব।' ক'ভিড-১৯ৰ পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰি ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে সমগ্ৰ বিশ্বই এই মহামাৰীৰ স'তে বিগত চাৰিমাহ ধৰি যুঁজি আছে। বিশ্বজুৰি তিনি লক্ষাধিক লোকৰ মৃত্যু হৈছে। এইসকলৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁ কয়, 'বিগত চাৰিমাহে বিশ্বই কৰ'না ভাইৰাছ মহামাৰীৰ স'তে যুঁজি আছে। এই সময়ছোৱাত ৩.৭৫ লাখ মানুহৰ মৃত্যু হ'ল। ভাৰততো আমি মানুহ হেৰুৱাইছো। যিসকলে নিজৰ প্ৰিয়জনক হেৰুৱালে সেইসকলৰ প্ৰতি মই সমবেদনা আৰু দুখ প্ৰকাশ কৰিছো।

প্ৰধানমন্ত্ৰীয়ে কয় যে এই ভাইৰাছে বিশ্বতে বিভীষিকাৰ সৃষ্টি কৰিছে। 'সমগ্ৰ বিশ্বই জীৱন বচোৱাৰ যুঁজত বন্দী হৈ পৰিছে। আমি এনে সংকট পূৰ্বে দেখা নাছিলো। এই সংকটৰ সময়ত আমি অধিক দৃঢ় হ'ব লাগিব। আমাৰ দৃঢ়তা সংকটতকৈ অধিক বিশাল হ'ব লাগিব।' তেওঁ কয় যে বিগত শতিকাৰ পৰাই আমি এই কথা শুনি আহিছো যে ২১ শতিকা ভাৰতৰ শতিকা হ'ব। 'কৰ'নাৰ আক্ৰমণৰ পূৰ্বৰ আৰু বৰ্তমানৰ সংকটৰ সময়ত আমি বিশ্বৰ প্ৰতি দৃষ্টি নিবদ্ধ কৰিবলৈ এক সুযোগ লাভ কৰিছো। ভাৰতৰ শতিকা নিৰ্মাণ কৰিবলৈ এই সংকটত দৃষ্টি নিক্ষেপ কৰা আমাৰ দায়িত্ব আছে। ইয়াৰ এটাই মাত্ৰ পথ আছে আৰু ই হৈছে আত্মনিৰ্ভৰ ভাৰত।' প্ৰধানমন্ত্ৰীয়ে কয়।

প্ৰধানমন্ত্ৰী মোদীয়ে চতুৰ্থ তলাবন্ধৰ কথাও কয়। তেওঁ কয় যে চতুৰ্থ তলাবন্ধ নতুন ৰূপৰ হ'ব। 'বিভিন্ন ৰাজ্যৰ পৰা অহা পৰামৰ্শৰ ভিত্তিত অহা ১৮ মে'ৰ পূৰ্বে এই বিষয়ে বিতং ঘোষণা কৰা হ'ব। চতুৰ্থ তলাবন্ধ নতুন ৰূপৰ, নতুন ৰঙী হ'ব।' প্ৰধানমন্ত্ৰীয়ে কয়। কৰ'না ভাইৰাছৰ বাবে আমি আমাৰ জীৱনৰ ছন্দপতন ঘটাব নালাগে বুলিও তেওঁ কয়।

# ছৌদি আৰবত ডবকাৰ যুৱকৰ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১২ মে'** ঃ হোজাই জিলাৰ ডবকা ৰাজহ চক্ৰৰ অন্তৰ্গত কৰৈগুৰী গাঁৱৰ এজন যুৱকৰ কালি ছৌদি আৰবৰ জিদ্দাহত মৃত্যু হয়। যুৱকজনৰ মৃত্যুত সমগ্ৰ অঞ্চল জুৰি শোকৰ ছাঁ পৰিছে। তথ্য অনুসৰি কৰৈগুৰী গাঁৱৰ ৰেহান উদ্দিন নামৰ যুৱকজন বিগত তিনি বছৰ কাল ধৰি জিদ্দাহত গাড়ী চালক হিচাপে কৰ্মৰত আছিল। যোৱা কিছুদিন ধৰি যুৱকজনে নাকৰ অসুখত ভুগি আছিল। যোৱা তিনি দিন ধৰি যুৱকজন হঠাতে জ্বৰত আক্ৰান্ত হৈ মৃত্যু হয়।

**Notice Inviting Quotation**

NIQ No-BOCWWB/CA-CORRESPONDENTS/02/18/1369

Sealed Quotations affixing court fee stamp of Rs. 8.25 are invited by the Member Secretary, Assam Building and Other Construction Workers Welfare Board from Qualified Chartered Accounts-individually or under firm (Proprietorship or Partnership); holding C&AG empanelment, with experience of more than 10 years; having average turnover in last 3 years of more than 10 lakhs; having head office at Guwahati and not debared/sanctioned by Government/PSUs or banks. The bidders must mandatory have GST, PAN/TAN.

Date Sheet-

| | | |
|---|---|---|
| 1. | **Name of Assignment** | 'Appointment of internal auditor cum tax & financial consultant of to be appointed for FY 2018-2019 to 2020-2021 (3 years)' |
| 2. | **Mode of Assignment** | Lump Sum |
| 3. | **Submission Deadline Submission Address** | 20.05.2020 at 2.00 PM; Office of the Labour Commissioner, Gopinath Nagar, Ghy-16. |
| 4. | **Sealed Quotation Shall Consists of** | a. Notice inviting Quotation duly signed and sealed by the bidder. b. Financial Quote in Prescribed Format- Form-I duly signed and sealed by the Bidder affixing court fee stamp. c. Terms of Reference Duly Signed and sealed by the bidder. d. GST, Pan/TAN. e. C&AG empanelment certificates and experience proof of 10 years. f. Audited statement showing Annual Turnover as per eligibility criteria. g. Any other documents to prove the eligibility. h. EMD- Rs. 10000/- (Bankers' Cheque/DD/FD/BG from recognized scheduled banks of India.) i. Bid Processing Fees- Rs. 500/- (Bankers' Cheque/DD/FD/BG from recognized scheduled banks of India.) In favour of Member Secretary, ABOCWWB. |
| 5. | **Last Date of submission of queries** | 15.05.2020 at bocwassam@gmail.com. |

Bidders are requested to collect the detailed document from the website **labourcomissioner.assam.gov.in** Latest by 20.05.2020. Bidders are requested to communicate the queries latest by the date as mentioned in Date Sheet vide email at bocwassam@gmail.com. Due to current pandemic situation, visiting office is not encouraged and all communication may be done electronically except submission of quotation. The Appointed bidder shall have to execute a contract agreement. Any addendum/corrigendum if issued shall be a part of this NIQ and contract. The intender reserves the right to select any or none of the bidders without assigning any reasons thereof.

Labour Commissioner, Assam
cum
Member Secretary, ABOCWWB

Janasanyog/C/345/20

**শুধৰণি-পত্ৰ নং.- ০১**

নিবিদা জাননী নং.ঃ কন/২০২০/এপ্ৰিল/০২; তাৰিখঃ ২০-০৪-২০২০ৰ জৰিয়তে প্ৰকাশিত নিবিদা নং.ঃ চিই/কন/এনএ/বিএলডি/২০২০/০৭/আৰটি১ৰ। অনুগ্ৰহ কৰি পঢ়কঃ নিবিদা বন্ধ কৰা পুনৰ নিৰ্ধাৰিত তাৰিখ হৈছে ০২-০৬-২০২০। বিস্তৃত বিৱৰণ www.ireps.gov.inত উপলব্ধ হ'ব।

মুখ্য অভিযন্তা/কন-৪, মালিগাঁও
**উত্তৰ পূৱ সীমান্ত ৰেলৱে**
(নিৰ্মাণ সংস্থা)
হাঁহিমুখে গ্ৰাহকলৈ সেৱা

**বাহন ভাড়া কৰা**

নিবিদা জাননী নং.ঃ এছএণ্ডটি_কন_২০২০_০৭। নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহ্বান কৰা হৈছে- **ই-নিবিদা নং. ডিৱাই. চিএছটিই_চি_এছচিএল_২০২০_০৭_০৩।** **কামৰ নামঃ-** উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ লামডিং সংমণ্ডলৰ জিৰিবাম - ইম্ফল, ভৈৰবী - ছাইৰাং চেকচনৰ নিউ বিজি লাইন প্ৰকল্পৰ অধীনত এছএণ্ডটি নিৰ্মাণৰ কামৰ সৈতে সংযোগী অফিচিয়েলৰ ব্যৱহাৰৰ বাবে ২ (দুই) বছৰৰ বাবে চালকৰ সৈতে ০৩ (তিনি) খন লঘু মটৰ বাহন (মহিন্দ্ৰা - স্কৰ্পিঅ'/যাইলো/বলেৰ'/টাটা ছাফাৰি) বাহন ভাড়া কৰা। **বিজ্ঞাপিত মূল্যঃ** ৩৫,৭৩,৫৫৮/- টকা, **আমানত ধনঃ** ৭১,৫০০/- টকা। **ই-নিবিদা** ০২-০৬-২০২০ ৰ ১২.০০ ঘণ্টাত **বন্ধ কৰা হ'ব** আৰু **মুকলি কৰা হ'ব** ০২-০৬-২০২০ৰ ১৬.০০ ঘণ্টাত। **বিস্তৃত বিৱৰণৰ বাবে অনুগ্ৰহ কৰি www.ireps.gov.in** চাওক।

ডিৱাই. চিএছটিই/নিৰ্মাণ/শিলচৰ
**উত্তৰ-পূৱ সীমান্ত ৰেলৱে**
(নিৰ্মাণ সংস্থা)
"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

**শুধৰণি-পত্ৰ নং.- ০১**

নিবিদা জাননী নং.ঃ কন/২০২০/এপ্ৰিল/০১; তাৰিখঃ ২০-০৪-২০২০ ৰ জৰিয়তে প্ৰকাশিত নিবিদা নং.ঃ চিই/কন/এনএ/এমবি/২০২০/০৪/আৰটি ১, চিই/কন/এনএ/এমবি/২০২০/০৫/আৰটি ১, চিই/কন/এনএ/এমবি/২০২০/০৬/আৰটি১ৰ। অনুগ্ৰহ কৰি পঢ়কঃ নিবিদা বন্ধ কৰা পুনৰ নিৰ্ধাৰিত তাৰিখ হৈছে ০২-০৬-২০২০। বিস্তৃত বিৱৰণ www.ireps.gov.inত উপলব্ধ হ'ব।

মুখ্য অভিযন্তা/কন-৪, মালিগাঁও
**উত্তৰ পূৱ সীমান্ত ৰেলৱে**
(নিৰ্মাণ সংস্থা)
হাঁহিমুখে গ্ৰাহকলৈ সেৱা

**টানেল লাইটিং, পাৱাৰ যোগানৰ পদ্ধতি ইত্যাদিৰ কমিশ্বনিং**

ই-নিবিদা জাননী নং.ঃ ডিৱাই. চিইই/কন/এছচিএল/১১/২০২০/জেআই, তাৰিখঃ ১১-০৫-২০২০। নিম্নলিখিত কামৰ বাবে বৈধ বৈদ্যুতিক ঠিকাদাৰ আৰু নিৰীক্ষকৰ অনুজ্ঞাপত্ৰ থকা অভিজ্ঞ আৰু খ্যাতানামা ঠিকাদাৰ (সকল)/ফাৰ্ম (সমূহ)ৰ পৰা ই-নিবিদা পদ্ধতিৰ মাধ্যমেৰে মুকলি নিবিদা আহ্বান কৰা হৈছে। **নিবিদা নং.ঃ ই এল-কন-এছচিএল-১৩-২০১৯-জেআই-আৰটি। কামৰ নামঃ** জিৰিবাম - ইম্ফল নিউ বিজি লাইন প্ৰকল্পৰ সৈতে সংযোগী টানেল নং. ১৩, ১৪, ১৬, ১৭, ১৮, ১৯, ২০, টি২১এ, ২৩এ, ২৪, ২৫, ২৬ আৰু ২৭ৰ বাবে টেকনিকেল বিল্ডিং কাম পাৱাৰ হাউচৰ বাবে টানেল লাইটিং, পাৱাৰ যোগানৰ পদ্ধতি আৰু লাইটিং আৰু চকিট পদ্ধতিৰ যোগান, থিয় কৰা, পৰীক্ষা কৰা আৰু কমিশ্বনিং। নিবিদা মূল্যঃ **১৭,৯৫,৮৮,২১০.০০ টকা;** আমানত ধনঃ **১০,৪৮,০০০.০০ টকা;** সম্পূৰ্ণ কৰাৰ সময়ঃ **১৮০ দিন। ই-নিবিদা বন্ধ কৰা হ'ব** ০৪-০৬-২০২০ তাৰিখৰ ১৪.৩০ ঘণ্টাত আৰু **মুকলি কৰা হ'ব** ০৪-০৬-২০২০ তাৰিখৰ ১৫.৩০ ঘণ্টাত। উল্লিখিত ই-নিবিদাৰ নিবিদা নথি-পত্ৰৰ সৈতে সম্পূৰ্ণ তথ্য ৱেবছাইট **www.ireps.gov.in** আৰু **www.nfrlyconstruction.org** ত উপলব্ধ হ'ব।

ডিৱাই. চিইই/নিৰ্মাণ/এছচিএল, মালিগাঁও
**উত্তৰ-পূৱ সীমান্ত ৰেলৱে**
(নিৰ্মাণ সংস্থা)
"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

## NOTICE

Application in prescribed form affixing non-refundable Court Fee Stamps of Rs.8.25 (Rupees eight & paise twenty five) only are hereby invited for Renewal of Contractors' Registration against Class-III category under Hojai P.H.E. Division for the year 2020-21 and will be received upto 12.06.2020 by the undersigned.

The Application Form may be obtained from the office of the undersigned during office hours on all working days upto 11.06.2020. No application form will be issued after the specified date in any circumstances.

Renewal Form will be issued on payment of Rs. 200.00 (Rupees two hundred) only in form of I.P.O duly pledged in favour of the Executive Engineer (PHE), Hojal Division, Hojai. A 50% concession is applicable for SC/ST/OBC/MOBC contractors in this regard.

Photocopy of PAN Card, GST Registration with upto date clearance certificate, Labour Licence, Affidavit for vehicle tax clearance, Bank Pass Book, Caste Certificate (Where applicable) should be attached invariably alongwith the application.

Renewal Number shall be issued to the applicant after receipt of all documents. The Registration is subject to cancellation at any time in the event of adverse police report from the conceming authority as well as misbehaviour to the Department Staff.

Sd/-
Executive Engineer (PHE)
Hojai Division, Hojai.

Janasanyog/C/348/20

# স্বাস্থ্যৰ অৱনতি মুম্বাইত চিকিৎসাধীন ডেইজীৰ

*এক পৃষ্ঠাৰ পৰা* নিশা পি ডি হিন্দুজা হাস্পতাললৈ স্থানান্তৰিত কৰে মহাৰাষ্ট্ৰৰ স্বাস্থ্য বিভাগে। বৰ্তমানে মুম্বাইৰ পি ডি হিন্দুজা হাস্পতালতে চিকিৎসাধীন হৈ আছে নাৰ্ছগৰাকী। 'দৈনিক অগ্ৰদূত'ৰ আগত আজি এই কথা অৱগত কৰি ডেইজীৰ পিতৃ দিৰসমণি শইকীয়াই কয়, 'কৰ'না ভাইৰাছ (ক'ভিড-১৯)ৰ দ্বাৰা আক্ৰান্ত হোৱাৰ পাছত মাজনী (ডেইজী শইকীয়া)য়ে উশাহ-নিশাহ লোৱাত কষ্ট অনুভৱ কৰে। লগতে সকলো সময়তে ভাগৰ অনুভৱ কৰাৰ কথাও আজি পুৱা ফোন কৰি অৱগত কৰিছে। কথা কওঁতে আজি সেহাই সেহাই কৈছে। অৱশ্যে মই চিন্তা কৰিবলৈ মানা কৰি ভগৱানৰ ওচৰত এৰি দিবলৈ পৰামৰ্শ আগবঢ়াইছো। স্বাস্থ্যৰ অধিক অৱনতি ঘটিলেও তাই আমাক সকলো খুলি নকয় চিন্তা কৰাৰ ভয়ত। অৱশ্যে আজি হাস্পতাললৈ স্থানান্তৰিত কৰা বুলি দিয়া খবৰে কিছু হ'লেও সকাহ দিছে।' মুম্বাইৰ মাতুঙ্গাৰ কোৱাৰেণ্টাইন শিবিৰৰ পৰা স্থানান্তৰিত কৰাৰ কথা ব্যক্ত কৰি তেওঁ কয় যে ক'ৰনা ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱাৰ তথ্য নিশ্চিত হোৱাৰ পাছতে হিন্দুজা হাস্পতাল কৰ্তৃপক্ষই ৱাৰ্লিৰ চিকিৎসা শিবিৰলৈ তিনিজনী সহকৰ্মীয়ে ডেইজীক প্ৰেৰণ কৰে। এই বিষয়ে সংবাদ মাধ্যমত বাতৰি প্ৰকাশৰ পাছত স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহাৰাষ্ট্ৰ চৰকাৰৰ স্বাস্থ্যমন্ত্ৰীৰে যোগাযোগ কৰে। ইয়াৰ পাছতে মহাৰাষ্ট্ৰ চৰকাৰে কালি ডেইজীক মাতুঙ্গাৰ কোৱেইণ্টাইনলৈ স্থানান্তৰিত কৰে। কিন্তু নিশাৰ ভাগত মূৰ ঘূৰণি অনুভৱ কৰাৰ লগতে বমিও কৰে। পাছলৈ সকলো সময়তে ভাগৰ অনুভৱ কৰাত আজি পুৱতি নিশা প্ৰায় ৩.৩০ বজাত হিন্দুজা হাস্পতাললৈ স্থানান্তৰিত কৰাৰ কথা জনোৱা বুলিও তেওঁ কয়। বৰ্তমান হিন্দুজা হাস্পতালত চিকিৎসাধীন হৈ থকা নাৰ্ছগৰাকীৰ চিকিৎসাৰ বাবে উভয় চৰকাৰৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপকে শইকীয়াই শলাগ লয়। ইপিনে, যোৱা নিশাৰ পৰা অনবৰতে মূৰ ঘূৰাই থকা যেন অনুভৱ হোৱা বুলি উল্লেখ কৰে। 'দৈনিক অগ্ৰদূত'ৰ পৰা যোগাযোগত কৰাত সেহাই সেহাই তেওঁ কয়, 'আজি পুৱা প্ৰায় ৩.৩০ বজাত মোক হিন্দুজা হাস্পতাললৈ স্থানান্তৰিত কৰিছে। অনবৰতে মূৰ ঘূৰাই থকাৰ উপৰি বাৰে বাৰে বমি কৰিবলগীয়া হৈছে। পাতল পায়খানা হোৱাৰ উপৰি পেট আৰু কঁকালতো প্ৰচণ্ড বিষ। বুকুখনো অনবৰতে গধুৰ গধুৰ লাগি থাকে।' অৱশ্যে এই সকলোবোৰ উপসৰ্গৰে প্ৰয়োজনীয় দৰৱ দিয়া বুলি তেওঁ অৱগত কৰে। লগতে অনবৰতে টোপনি লাগি থকা বুলিও ডেইজীয়ে জনায়।

**SHORT NOTICE INVITING TENDER**

No. 01 Sealed tenders, for technical and financial bids, in prescribed formats, affixing non-refundable court fee stamp of ***Rs. 10.00 (Rupees Ten)*** only from the intending Govt. Registered Contractors/Firms/Company Ltd./Joint Venture Unit, for implementation of the following schemes which will be received up to **2.00 p.m. on 21-05- 2020** and opened on the same date at **2.30 PM on 21-05- 2020** in presence of the tenderers or their authorized agents. Separate sealed and super scribed envelopes are to be used for both technical and financial bids and put them together in a single envelope. If due to certain unavoidable circumstances, the tenders cannot be opened on the aforesaid date, the same will be opened on the next working day. The qualified parties, only in respect of the technical bids, will be eligible for competing in the financial bids. Tender paper can be obtained from the office of the undersigned from 11-05-2020 up to **2.00 PM on** 21-05- 2020 by depositing **Rs.200.00(Two hundred)** only for each group in the form of IPO.

Detailed terms and conditions, plan and estimate and particulars may be seen in the office of the undersigned on or before **21st May'/2020.**

| Sl No. | Name of Scheme | Estimated Amount (Rs. in Lakhs) | Name of District | Rate to be Quated | Time of Completion |
|---|---|---|---|---|---|
| 1. | Kalbari Pukhuriaripara GCP | 20.00 | Sonitpur | 2% below | 30 Days |
| 2. | Bakula Pathar Water Harvesting Structure | 24.37 | Sonitpur | -do- | -do- |

M.B: The Contractors are strictly maintain of COVID – 19 Govt. protocol.

*Major terms of Reference :-*

1) *The work order will be served as per the decision of the competent authority.*
2) *Earnest Money : 2% of estimated value in case of General and 1% of estimated value in case of SC/ST/OBC/ unemployed Graduate Engineer.*
3) *Overall Quoted rate beyond 2% below5% below of the estimated amount for the projects listed at SL.NO.1 and 2 respectively will not be accepted.*

Divisional Officer,
Sonitpur Soil Conservation Division
Tezpur

Janasanyog/C/378/20

## INVITATION FOR BIDS (IFB)

No. CG.(Q)1/2020-21/34

**E-BIDDING DOCUMENT FOR THE SUPPLY OF DRY-RATION COMMODITIES**

The **Director General of Civil Defence and Commandant General of Home Guards, Assam, Beltola, Guwahati-28** invites bids in electronic tendering system from eligible bidders for supply of **Dry-Ration Commodities** to the personnel of ASRF Bn-I, II and AISF Bn-I, II for the financial year 2020-21as mentioned in Annexure-I. The bid document is available online and bid should be submitted online on website https://assamtenders.gov.in.

**Date of release of Invitation for Bids through e-procurement** : **11-05-2020**

**Availability of Bid Document and mode of submission** : The bid document is available online and bid should be submitted online on website https://assamtenders.gov.in. The bidder would be required to register in the web-site which is free of cost. For submission of bids, the bidder is required to have Digital Signature Certificate (DSC) from one of the authorized Certifying Authorities (CA). Aspiring bidders who have not obtained the user ID and password for participating in e-tendering may obtain the same from the website: https://assamtenders.gov.in Digital Signature is mandatory to participate in the e-tendering. Bidders already possessing the digital signature issued from authorized CAs can use the same in this tender. Last Date / Time for receipt of bids through e-tendering **: 01-06-2020** upto 03:00 PM (time) and Bid submission start date will be on **13-05-2020** from **10:00 AM.** A hard copy with sealed of the Technical Bid only affixing a Court Fee of Rs. 8.25/- and Samples must be submitted before 2 (two) working days of opening the Technical Bid through the e-tendering system to the **Director General of Civil Defence and Commandant General of Home Guards, Assam, Beltola, Guwahati-28.** In case of any discrepancy between the online bid and the hard copy of the bid, the contents of the bid submitted online shall govern and shall be considered for evaluation. Other details can be seen in the bidding documents.

Sd/-
**Director General**
**Civil Defence and Commandant General of Home Guards, Assam, Beltola, Guwahati-28**

Janasanyog/C/351/20

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৩০ ব'হাগ বুধবাৰ ১৩ মে'

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪৬।১৭, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫১।৩৭। **তিথি ঃ** কৃষ্ণা ষষ্ঠী, দং ১১।১৮।১৩ ঘঃ ৯।১৭।৩৪। **নক্ষত্ৰ ঃ** উত্তৰাষাঢ়া, দং ১১।৮।১৪ ঘঃ ৯।১৩।৩৫। **যোগ ঃ** শুভ, দং ০।৪০।৪১ প্ৰাতঃঘঃ ৫।২।৩৩। **কৰণ-** বনিজ। **জন্মত ঃ** মকৰৰাশি শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, মনুষ্যগণ, গৰুৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী বৃহস্পতি, বিংশোত্তৰী ৰবিৰ দশা, ঘঃ ৯।১৩। ৩৫ যোৱাত দেৱগণ, কুম্ভীৰৰ অস্থি, বিংশোত্তৰী চন্দ্ৰৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** দ্বিপদ, ঘঃ ৯।১৩।৩৫ যোৱাত নাই, ঘঃ ৯।১৭।৩৪ যোৱাত এপদ। **যোগিনী**-পশ্চিমত ঘঃ ৯।১৭।৫৫ যোৱাত বায়ুকোনত। **যাত্ৰা ঃ** শুভ, অমৃতযোগ উত্তৰত নাই, ঘঃ ৯।১৭।৩৪ যোৱাত বিষ্টিভদ্ৰা দোষ, ৰাঘঃ ১২।১৭।৩৪ যোৱাত সিদ্ধিযোগ। **শুভকৰ্ম**- দীক্ষা। **ভক্ষাভক্ষ্য ঃ** নিমতিতা ঘঃ ৯।১৭।৩৪ যোৱাত তাল খোৱা, নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** মনত কিছু অহেতুক চিন্তাই ঠাই ল'লেও আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। সাহস আৰু দক্ষতা সম্ভৱাৰে লাভ কৰি উপকৃত হ'ব। কৰ্মস্থানত আনন্দ। প্ৰেমত আনন্দ শুভ ৰং হালধীয়া।

**বৃষ ঃ** বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ ইংগিত পাব। বিয়া-বাৰু বা উৎসৱ আদিত যোগদান কৰক। মাতৃৰ শৰীৰ চিন্তা। আৰ্থিকত ব্যয় বৃদ্ধি পাব। ব্যৱসায়ত মধ্যম। শুভ ৰং ৰঙা।

**মিথুন ঃ** মধ্যম দিন হ'লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ'ব। দায়িত্ব পূৰ্ণ কামত মাংগলিক কৃতকাৰ্য হোৱাৰ সম্ভৱনা। বিদ্যাত শুভ ফল। শৰীৰ মধ্যম। শুভ ৰং বগা।

**কৰ্কট ঃ** সহযোগীৰ সহায়ত উৎসাহ পাব। প্ৰতাৰৰ বাবে দুশ্চিন্তা থাকিব। কৰ্মস্থানত আয় বৃদ্ধিৰ কাৰক। নতুন কোন উদ্দেশ্যত সফল হ'ব। প্ৰেমত নিৰাশা। শুভ ৰং ক্ৰীম।

**সিংহ ঃ** আচৰিত কথাৰ সম্ভেদ পাব। আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ'ব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক। ঘৰুৱা শুভ। শুভ ৰং বগা।

**কন্যা ঃ** কৰ্মক্ষেত্ৰত আপোনাৰ ভাবমূৰ্তি প্ৰায় ঠিক থাকিব যদিও কোনো কাৰণে চিন্তাৰ কাৰণ হ'ব। জাতকৰ কোনো উন্নত যোগাযোগৰ পৰা লাভ। বিদ্যাত বেয়া নহ'ব। ভ্ৰমণাদিত মধ্যম। শুভ ৰং গেৰুৱা।

**তুলা ঃ** আৰ্থিক যোগাযোগত কিছুদিন উপকৃত তথা খৰচ। মতান্তৰ হ'ব লগা কথাত মন নিদিব। শৰীৰ মধ্যম সৰু-সুৰা সাংবাদিকে গুৰুতৰ বুলি নল'ব। নতুন সম্পদ ক্ৰয়। শুভ ৰং সেউজীয়া।

**বৃশ্চিক ঃ** ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কিছু উচ্চ চিন্তা থাকিব আৰু সফলতাও পাব। কৰ্মস্থানত উন্নত আশা নকৰাই ভাল। পঢ়াত মনোনিবেশ কৰিব। ভ্ৰমণত সাৱধান। শুভ ৰং কমলা।

**ধনু ঃ** দিনটো পাৰিপাৰ্শ্বিক বাধা-বিঘিনীৰ কাৰণে মনটো গধুৰ হৈ থাকিব। শৰীৰৰ প্ৰতি আওকান নকৰিব। কৰ্মত খ্যাতি বৃদ্ধিৰ যোগ। পিতৃৰ পৰা সহানুভূতি লাভ কৰিব। শুভ ৰং নীলা।

**মকৰ ঃ** কৰ্মত মজলীয়া প্ৰভাৱ পৰিব। নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ'ব । বিদ্যাত ধৈৰ্য ধৰক। পাৰিবাৰিক সামান্য উৎকণ্ঠা দেখা যায়। ভ্ৰমণত দ্ৰব্য লাভ কৰিব। ব্যৱসায়ত আশাপ্ৰদ উন্নতিৰ যোগ। শুভ ৰং বগা।

**কুম্ভ ঃ** নিজৰ উদ্দেশ্য সাধনত ব্ৰতী হওক। অতি দক্ষতা থাকিব। ব্যৱসা-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়। পঢ়া-শুনাত শুভ। পিতৃ-মাতৃৰ চিন্তা। শুভ ৰং গেৰুৱা।

**মীন ঃ** যত্নৰ বিদ্যাত সাফল্য লাভ। আৰ্থিকত ব্যয় বৃদ্ধি পাব। কোনো দূৰ বাৰ্তাত আনন্দ লাভ। বেংক-কৰ্মচাৰীৰ শুভ। কোনো কাৰণত মন চঞ্চল থাকিব। প্ৰেমত শুভ। শুভ ৰং বেঙুনীয়া।

## শব্দ-বেহু ঃ ১৩ মে' ২০২০



@ সব্যসাচী

**পথালিয়ে ঃ**

১। অট্টালিকা, প্ৰাসাদ, হৰ্ম্য (৩)
৩। মকৰৰ আকৃতিৰ কাণত পিন্ধা এবিধ অলংকাৰ (৩-৩)
৫। বৰ ডাঠ বা গভীৰ, সহজে বুজিব নোৱাৰা (৩)
৬। স্বামীৰ ভনীয়েক (৩)
৮। নগৰৰখীয়া, নগৰ পৰিচালনাৰ দায়িত্বত থকা বিষয়া (৩-৩)
১২। জৈন ধৰ্মৰ প্ৰৱৰ্তকৰ নাম, অতি পৰাক্ৰমী (৪)
১৪। অপযশ, দুৰ্নাম (৪)
১৬। সৎ কৰ্মৰ উদ্দেশ্যে দিয়া ধন, বস্তু, অৰিহণা আদি (২-৪)
১৯। বিৰাম,অৱকাশ, আহৰি, বিশ্ৰাম (৩)
২১। সৰু ল'ৰা-ছোৱালীয়ে উমলিবৰ বাবে সজা মানুহ,আনৰ ইচ্ছাৰে পৰিচালিত হোৱা কোনো ব্যক্তি (৩)
২২। হিন্দু সকলৰ ওঠৰখন মহাপুৰাণৰ এখন (৩-৩)
২৩। যাৰ মনত ইচ্ছা আছে, আগ্ৰহী (৩)

**থিয়কৈ ঃ**

১। উত্তৰাধিকাৰী সূত্ৰে পিতৃৰ ফালৰ পৰা লাভ কৰা ধন-সম্পত্তি (৩)
২। হাতে জমা ধন, বাকী নোহোৱা (৩ )
৩। চিন্তন, মনোযোগ দিয়া কাৰ্য্য (৩)
৪। অগঢ়ী, অশুৱনি (৩)
৭। অপাৰ, অপৰিমিত, চকুত লগা (৬)
৯। তাপ থকা, যিহত উষ্ণতা নিহিত হৈ আছে (৩)
১০। একেথিৰে নথকা, চঞ্চল বা অস্থিৰ স্বভাৱৰ (৩-৩)
১১। দৰ্পণ, আৰ্চি, দাপোণ (৩)
১৩। ইছলামত অবৈধ বা অপবিত্ৰ কাৰ্য্য (৩)
১৫। ৰ'দ বৰষুণ নালাগি সেমেকি পুৰণি হ (৩)
১৭। ভাৰত উপ-মহাদেশৰ এটা পূৱ-অঞ্চল (৩)
১৮। পাৰ্গত,দক্ষতাৰে কাম কৰিব পৰা, পাকৈত (৩)
১৯। বিলৈ, দুৰ্দশা, মেকুৰী (৩)
২০। বেঁকা, যিটো সৰল নহয় (৩)

**উত্তৰ অহা সংখ্যাত**

**১২ মে' ২০২০ সংখ্যাৰ উত্তৰ ঃ**

**পথালিয়ে ঃ** ১ । প্ৰথম ৩। নাভূত-নাশ্ৰুত ৫। ইন্দ্ৰিয় ৬। পদিনা ৮। কলাফুল ১২। মধুৰিমা ১৪। লহকৰ ১৬। কৰ্মকাৰ ১৮। উঠনা ২০। চৰম ২১। প্ৰত্নতত্ত্ববিদ ২২। নিয়ৰ

**থিয়কৈ ঃ** ১ । প্ৰক্ষেপ ২ । মইনা ৩ । নায়ক ৪ । নাঙল ৭ । দিকবলয় ৯। লাটুম ১০ । ফলক ১১। বিমানকোঠ ১৩ । ধুবুনী ১৫। ৰক্ষিকা ১৬ । কৰত ১৭। ৰচদ ১৮। উমনি ১৯। নাজিৰ

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৩ মে', ২০২০ বুধবাৰ পৃষ্ঠা তিনি

# কৰ'নাৰ বিৰুদ্ধে যুঁজত জয়ী হ'বলৈ নিয়ম-নীতি মানি চলাটো আৱশ্যক

## গোসাঁইগাঁৱৰ কোৱাৰেণ্টাইন চেণ্টাৰ পৰিদৰ্শন সাংসদ শৰণীয়াৰ

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ১২ মে' ঃ** 'সমগ্ৰ বিশ্বৰ লগতে দেশজুৰি কৰ'না ভাইৰাছ ক'ভিড-১৯ প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰে বান্ধি দিয়া নিয়ম-নীতি সঠিকভাৱে প্ৰয়োগ নকৰিলে বা মানি নচলিলে কৰ'নাৰ সংহাৰ আমি প্ৰতিৰোধ কৰিবলৈ সক্ষম নহ'ম। সকলোৱে মিলি এই মহামাৰী সদৃশ কৰ'নাৰ বিৰুদ্ধে যুঁজ দি থকা সময়তে যদি আমি নীতি-নিয়ম অমান্য কৰো ছয় পৃষ্ঠাত চাওক

# গোলকগঞ্জত সাত বছৰীয়া শিশুক ধৰ্ষণকাৰীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**আগমনী, ১২ মে' ঃ** তলাবন্ধৰ মাজতে ৰাজ্যত পুনৰ সংঘটিত হৈছে শিশু ধৰ্ষণৰ ঘটনা। ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী গোলকগঞ্জ থানাৰ অন্তৰ্গত বিষখোৱা গাঁৱত সংঘটিত হৈছে এই জঘন্য ঘটনা। ঘটনাক্ৰমে, বিষখোৱা গাঁৱৰ চতুৰ্থ খণ্ডৰ গাঁৱৰ ভোলা বৰ্মন নামৰ এজন লম্পটে গাঁৱখনেৰে এগৰাকী সাত বছৰীয়া শিশুক ধৰ্ষণ কৰে। শিশুটিৰ মাতৃয়ে আৰক্ষী থানাত দিয়া এজাহাৰৰ ভিত্তিত কালি পুৱা ১০ মান বজাত ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি ভোলা বৰ্মনৰ লোকজনে শিশুটিক এটা কোঠাত আবদ্ধ কৰি ধৰ্ষণ কৰে। শিশুটিয়ে চিঞৰ-বাখৰ কৰাত ভ্ৰাতৃয়ে সমনীয়াৰ লগত ঘটনাস্থলীত উপস্থিত হৈ সকলো প্ৰত্যক্ষ কৰে। শেষত শিশুটিক লম্পটোৱে এৰি দিয়ে আৰু মাকৰ সোধ পোছত সকলো কথা বিৱৰণ দিয়ে। ইফালে, অসুস্থ হৈ পৰা শিশুটিক কালিয়েই স্বাস্থ্য পৰীক্ষাৰ বাবে ধুবুৰীৰ অসামৰিক চিকিৎসালয়লৈ নিয়া হৈছিল যদিও চিকিৎসকে কোনোধৰণৰ স্বাস্থ্য পৰীক্ষা নকৰোৱাৰ অভিযোগ উঠিছে। স্থানীয় জনতাই এই জঘন্য ঘটনা সংঘটিত কৰা দোষীক শীঘ্ৰে কৰায়ত্ত কৰি কঠোৰ শাস্তি বিহাৰ দাবী কৰিছে।

# প্ৰাক্তন বিধায়ক সুৰেন্দ্ৰ নাথ স্বৰ্গীয়াৰীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**জালাহ, ১২ মে' ঃ** বাগ্‌সা জিলাৰ চাপাগুৰি বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক সুৰেন্দ্ৰ নাথ স্বৰ্গীয়াৰী (৯০)ৰ আজি পুৱা প্ৰায় আঠ বজাত গুৱাহাটীস্থ নিজ বাসগৃহত মৃত্যু হয়। তেওঁৰ মৃত্যুত চাপাগুৰি বিধানসভা সমষ্টিত শোকৰ ছাঁ পৰিছে। স্বৰ্গীয়াৰীয়ে অগপৰ হৈ ১৯৮৫ আৰু ১৯৯১ত দুবাৰকৈ চাপাগুৰি বিধানসভা সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। বিধায়ক হোৱাৰ আগেয়ে স্বৰ্গীয়াৰীয়ে আৰকৰা এম ই স্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত ১৯৬৮ৰ পৰা ১৯৮৫ চনলৈ অঞ্চলী হাইস্কুলৰ কাৰ্যালয় সহায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বিগত ছয় সাত বছৰ ধৰি তেওঁ স্নায়ু ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনিপুত্ৰ আৰু দুই কন্যাসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# অক্ষয়পাত্ৰৰ খাদ্য সামগ্ৰী লাভ তিনিমহলীয়া অট্টালিকাৰ গৰাকীৰ

অগ্ৰদূত বাৰ্তা
**পলাশবাৰী, ১২ মে' ঃ** কৰ'না ভাইৰাছ সংক্ৰমণ ৰোধৰ বাবে দেশত চলি থকা তলাবন্ধৰ সময়ছোৱাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুখীয়া লোকসকলৰ মাজত খাদ্য সংকটে দেখা দিয়ে যদিও একাংশ সুহৃদ লোক তথা সংগঠনে সহায়ৰ হাত আগবঢ়াই আহিছে। মহানগৰীৰ 'অক্ষয়পাত্ৰ' নামৰ বেচৰকাৰী সংস্থাটোৱে বিভিন্ন ঠাইত খাদ্য সামগ্ৰী বিতৰণ কৰি আহিছে। আজি পলাশবাৰী বিধানসভা সমষ্টিৰ দহালী চেংপাৰাস্থিত দহালী শংকৰনাথ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত পলাশবাৰী ছয় পৃষ্ঠাত চাওক

# গঁড় নিধনত জড়িত চোৰাং চিকাৰীক কৰায়ত্ত কৰাৰ নিৰ্দেশ

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী সুৰক্ষা ব্যৱস্থা পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ



অগ্ৰদূত বাৰ্তা
**নুমলীগড, 12 মে'ঃ** "কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান হৈছে ৰাজ্যখনৰ গৌৰৱ। ৰাষ্ট্ৰীয় উদ্যানখনত সংঘটিত যিকোনো ঘটনাই সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰে। সেয়েহে ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যপ্ৰাণী সমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ দাঁতিকাষৰীয়া জিলা কেইখনৰ প্ৰশাসনৰ লগতে বন বিভাগে এক হৈ যৌথ সহযোগিতাৰে কাম কৰিব লাগিব।" আগন্তুক বাৰিষাৰ সময়ছোৱাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ সুৰক্ষা নিশ্চিত ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে




## পঞ্চায়ত-গ্ৰামোন্নয়ন উন্নয়ন আঁচনি ঃ পৰ্যালোচনা সভা মন্ত্ৰী নৱ দলেৰ

# আঁচনি ৰূপায়ণত দুৰ্নীতি সহ্য কৰা নহ'ব




বিশেষ সম্বাদদাতা
**বৰপেটা, ১২ মে' ঃ** "স্বচ্ছতাৰে নিজৰ কৰ্তব্য আৰু দায়িত্ব নিয়মানুৱৰ্তীতা বজাই ৰাখি গ্ৰাম্য দুখীয়া জনসাধাৰণৰ উন্নয়নৰ বাবে সহৃদয়তাৰে কাম কৰক"— বৰপেটাৰ জিলা উপায়ুক্তৰ সভাকক্ষত আজি অনুষ্ঠিত পৰ্যালোচনা সভাত উপস্থিত থকা জিলাখনৰ সকলো ক্ষেত্ৰীয় বিষয়াক উদ্দেশ্যি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেয়ে আজি এইদৰে কয়। তেওঁ লগতে কয় যে দুখীয়া জনসাধাৰণক উপকৃত কৰাৰ সুযোগ সকলোৱে নাপায়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কাম কৰাসকলে এই সুযোগ পাইছে। সেয়ে ইয়াৰ সৎ ব্যৱহাৰ কৰিব লাগে। বিভাগৰ উচ্চ স্তৰৰ পৰা তৃণমূল পৰ্যায়লৈ সকলোৱে সংগবদ্ধভাৱে একতাৰে এই কাৰ্যত ব্ৰতী হৈ আগন্তুক দিনত ৰাজ্যখনে সন্মুখীন হ'ব পৰা আৰ্থ-সামাজিক দুৰ্যোগৰ পৰা হাত সৰাৰ ব্যৱস্থা কৰিবলৈ বিভাগৰ আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণত সকলোৱে সক্ৰিয় ভূমিকা পালন কৰাৰ ওপৰতো তেওঁ গুৰুত্ব দিয়ে। উল্লেখ্য যে দেশৰ বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিত গাঁৱৰ দুৰ্বল শ্ৰেণীটোক সকাহ দিয়াৰ ছয় পৃষ্ঠাত চাওক

# দৰং-ওদালগুৰি সীমান্তত তিনিটা অবৈধ কাঠ ফলা কল উচ্ছেদ

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ১২ মে' ঃ** উত্তৰ কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত মঙলদৈ খণ্ড বন বিভাগৰ সোপাটিলা নীতি আৰু এচাম বন বিষয়া-কৰ্মচাৰীৰ দুৰ্নীতি পৰায়ণ মনোবৃত্তিৰ সুবিধা লৈ তলাবন্ধৰ সময়ছোৱাত দৰং জিলাৰ ভিতৰুৱা ওদালগুৰিৰ সীমান্তৱৰ্তী অঞ্চলসমূহত শেহতীয়াকৈ সক্ৰিয় হৈ পৰা অবৈধ কাঠফলা কলৰ স'তে জড়িত চক্ৰৰ বিৰুদ্ধে তৎপৰ হৈ পৰিছে দৰং জিলা প্ৰশাসন। আজি কাৰ্যবাহী দণ্ডাধীশ নৱদ্বীপ চাংমাইৰ নেতৃত্বত পাণবাৰী আৰক্ষী চকীৰ আৰক্ষীৰ সহযোগত বৰঝাৰ আৰু ভেৰভেৰীবিল গাঁৱত অতৰ্কিতে অভিযান চলাই তিনিটাকৈ অবৈধ কাঠ ফলা মিল উচ্ছেদ কৰাৰ লগতে বনবিভাগৰ লোকৰ সহযোগত বৃহৎ পৰিমাণৰ নফলা কাঠৰ কুণ্ডা আৰু ফলা কাঠৰ টুকুৰা জব্দ কৰে। অভিযানৰ সময়ত অবৈধ কাৰ্যৰ স'তে জড়িত বুলি চিনাক্ত হোৱা হাজী আব্দুল হাইকে ধৰি কে'বাজনো ব্যক্তিৰ বিৰুদ্ধে যাৱতীয় আইনী ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে দণ্ডাধীশ চাংমাইয়ে খণ্ড বন বিষয়াক ইতিমধ্যে নিৰ্দেশ দিয়ে।

# চাংসাৰিৰ আলু গুদামৰ স'তে সংযোগ নাছিল কৰ'না আক্ৰান্তৰ

## দেহত চাউলৰ বেগ পৰি অসুস্থ হৈছিল মংৰু

অগ্ৰদূত বাৰ্তা
**উত্তৰ গুৱাহাটী,১২ মে' ঃ** শেহতীয়াকৈ মহানগৰীত কৰ'নাত আক্ৰান্ত আলু গুদামৰ কৰ্মচাৰী মংৰু সাহানীৰ ভ্ৰমণ বৃত্তান্তক লৈ বিপাঙত পৰিছে জিলা প্ৰশাসন। উল্লেখ্য যে বিনোদ জৈনৰ আলু গুদামৰ কৰ্মচাৰী মংৰু সাহানী কৰ'নাত আক্ৰান্ত হোৱাৰ পাছতে আজি প্ৰশাসনে চাংসাৰিস্থিত আলু গুদামটো সম্পূৰ্ণৰূপে ছীল কৰি দিয়ে। কিন্তু গুদামটোৰ পৰিচালক তথা কৰ্মচাৰীয়ে বিগত ২৮ টা দিনে কৰ'নাত আক্ৰান্ত কৰ্মচাৰীজন তালৈ যোৱা নাই বুলি মত ব্যক্ত কৰিছে। উত্তৰ গুৱাহাটীৰ ৰাজহ চক্ৰ বিষয়া জীৱন কিশোৰ গোস্বামীৰ উপস্থিতিত আজি গুদামটো ছীল কৰাৰ সময়ত পৰিচালক আৰু একাংশ কৰ্মচাৰীয়ে এই গুদামৰ লগত মংৰুৰ শেহতীয়া সংযোগ নাই বুলি দাবী কৰে। তেওঁলোকে কয় যে ২৮ দিন পূৰ্বে মংৰু গুদামলৈ আহিছিল আৰু চাউলৰ বেগ পৰি আহত হৈছিল। আহত হৈ তেওঁ ভূতনাথৰ ডাঃ ৰাজকুমাৰৰ ওচৰত ছয় পৃষ্ঠাত চাওক

## বেদখলকাৰীৰ কবলত নগাঁৱৰ ঐতিহাসিক বিল

# মৰিকলং বিল পুতি দালান নিৰ্মাণ

বিশেষ সংবাদদাতা
**নগাঁও, ১২ মে' ঃ** অবাধ বেদখলৰ বাবে চৰম সংকট নামি আহিছে মৰিকলং বিললৈ। নগাঁও চহৰৰ গাতে লাগি থকা এই বিলখনৰ মুঠ জল অঞ্চল আছিল ১০২ হেক্টৰ। চহৰখনৰ গাতে লাগি থকা বাবে এই বিলখনৰ ওপৰত চকু পৰে একাংশ বেদখলকাৰীৰ। নগাঁও জিলা প্ৰশাসনৰ আওকণীয়া মনোভাৱৰ সুযোগ গ্ৰহণ কৰি জিলাখনৰ এই ঐতিহাসিক বিল মৰিকলং বিলৰ ভূমিৰ ওপৰত চলাই থকা হৈছে অবাধ বেদখল। বাধাহীন বেদখলৰ বাবেই বিলখনৰ জল অঞ্চল ক্ৰমাৎ সংকুচিত হৈ পৰা পৰিলক্ষিত হৈছে। এই বেদখলৰ বাবে বিলখনে বৈশিষ্ট্য হেৰুওৱাৰ উপৰি জৈৱ বৈচিত্ৰ্যৰ প্ৰতিও চৰম ভাবুকি নামি আহিছে। কিছু বছৰৰ আগলৈকে বিভিন্ন পৰিভ্ৰমী পক্ষীৰ কাকলিৰে মুখৰিত হৈ আছিল মৰিকলং বিল। বিভিন্ন প্ৰজাতিৰ থলুৱা মাছ-পুঠিৰ লগতে কাছও উভৈনদী আছিল বিলখনত। সময়ৰ সোঁতত বিলৰ দুয়োপাৰত ভৰি পৰা ঘন জনবসতি, বিলৰ মাটি বেদখল কৰি গঢ়ি তোলা অসংখ্য বাসগৃহৰ বাবে পৰিভ্ৰমী পক্ষীৰ প্ৰব্ৰজন যথেষ্ট হ্ৰাস পায়। অথচ কিছু বছৰৰ আগলৈকে শৰালিহাঁহ, হাড়গিলাই শোভাবৰ্ধন কৰিছিল মৰিকলং বিল। এতিয়া বিলখনত দুৰ্লভ হৈ পৰিল পৰিভ্ৰমী চৰাই। শিয়ালেখোৱা, বৰঘাট, বেঙেনাআটী, পাখিমৰীয়া, মৰিকলং, ধেপাজান, ছোটহয়বৰত লগতে আন কে'বাটাও অঞ্চলৰ প্ৰায় ১০২ হেক্টৰ মাটি সামৰা এসময়ত বৃহৎ বিলৰূপে পৰিগণিত হোৱা মৰিকলং বিলখন আজি সকলো ফালৰ পৰাই বেদখলকাৰীৰ কবলত পৰি নিঃশেষ হ'বলৈ ধৰিছে। বেদখলৰ এই ধাৰাবাহিকতা যদি অব্যাহত থাকে তেনেহ'লে আৰু কেইবছৰমানৰ ভিতৰতে হয়তো মৰিকলং বিলৰ অস্তিত্বই হেৰাই যাব নগাঁৱৰ ছয় পৃষ্ঠাত চাওক

## এসপ্তাহ নৌহওঁতেই এৰিলে পিটছ

# ভেৰগাঁৱত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাত দুৰ্নীতি

অগ্ৰদূত বাৰ্তা
**টংলা, ১২ মে' ঃ** ওদালগুৰি জিলাৰ গ্ৰাম্যপথ নিৰ্মাণৰ নামত ঠিকাদাৰে ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি জিলাখনৰ পুৰণি টংলা-চিকাৰী বাংলা পথৰ শিংৰীমাৰীৰ পৰা নাগ্ৰাসাৰা, গালাচুবা, টোটোলাপাৰা আদি গাঁৱৰ মাজেৰে ভেৰগাঁও-ডিমাকুছি পথৰ স'তে সংযুক্ত গ্ৰাম্য পথটো ২০১৮ৰ প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা (পি এম জি এছ ৱাই)ৰ প্ৰায় চাৰি কোটি ৬৪ লাখ টকা ব্যয়ৰে মেৰামতি তথা পকীকৰণৰ দায়িত্ব লাভ কৰিছিল গুৱাহাটীৰ প্ৰম'টাৰ্ছ গীল্ড প্ৰাইভেট লিমিটেড নামৰ এটা নিৰ্মাণকাৰী প্ৰতিষ্ঠানে। কিন্তু প্ৰায় ছয় কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো নিৰ্মাণৰ কাম আৰম্ভ কৰিবলৈ লৈয়ে কাৰিকৰী অসুবিধাৰ অচিলা লৈ প্ৰতিষ্ঠানটোৱে দীৰ্ঘদিন ধৰি কাম বন্ধ ৰখাৰ পৰিপ্ৰেক্ষিতত বিভাগে পাছত গুৱাহাটীৰ সুনীল বাৰ্মা নামৰ ঠিকাদাৰজনক উক্ত কামৰ দায়িত্ব দিয়ে। কিন্তু বিগত বৰ্ষৰ ডিচেম্বৰৰ পৰা কাম আৰম্ভ কৰা ঠিকাদাৰজনে পথটো নিৰ্মাণত নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰি মঞ্জুৰীকৃত ধনৰ সিংহভাগ লুণ্ঠন কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। ৰাইজৰ অভিযোগ মতে, পথটোৰ ঠায়ে ঠায়ে কটা শিলৰ ছয় পৃষ্ঠাত চাওক

# অদ্ভুত আকৃতিৰ ছাগলী পোৱালি জন্মক লৈ ধলাইবিলত চাঞ্চল্য



অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ১২ মে' ঃ** শোণিতপুৰ জিলাৰ নদুৱাৰৰ অন্তৰ্গত ধলাইবিলত এটা সদ্যোজাত ছাগলী পোৱালি জন্মক লৈ একাংশ লোকৰ মাজত বাঢ়িছে উৎসুকতা। চামে চামে দৰ্শনাৰ্থীয়ে দৰ্শন কৰিছে সদ্যোজাত পোৱালিটো। পকেটত থকা এনড্ৰইড ম'বাইল ফোনটো উলিয়াই পোৱালিটোৰ ফটো এখন নোতোলাকৈ ওভতা নাই দৰ্শনাৰ্থী। ফটো তুলি দেখুৱাইছে নিজৰ ঘৰ অথবা গাঁৱৰ বিভিন্নজনক। দৰ্শনাৰ্থীৰ বিভিন্ন মন্তব্য পোৱালিটোক লৈ। সদ্যোজাত এই ছাগলী পোৱালিটোৰ আন পোৱালিতকৈ পৃথক। এক অদ্ভুত মুখৰ আকৃতিৰে জন্ম হোৱা ছাগলী পোৱালিটো দৰ্শন ছয় পৃষ্ঠাত চাওক

# ঢালিগাঁৱত চলন্ত ৰেলৰ পৰা তেলচুৰিৰ পাছতে অগ্নিকাণ্ড



অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ১২ মে' ঃ** চিৰাং জিলাৰ ঢালিগাঁৱত নিশা ৰেল লাইনত সংঘটিত হয় ভয়াৱহ অগ্নিকাণ্ড। বঙাইগাঁও শোধনাগাৰৰ পৰা ওলোৱা ৰেললাইনত সংঘটিত হৈছে এই অগ্নিকাণ্ড। বঙাইগাঁও শোধনাগাৰৰ পৰা পেট্ৰ'ল, ডিজেলকে আদি কৰি উৎপাদিত বিভিন্ন সামগ্ৰী ৰেলেৰে অসমৰ পৰা অইন ৰাজ্যলৈ নিয়া হয়। বঙাইগাঁও শোধানাগাৰৰ পৰা তেলভৰ্তি ৰেল ওলোৱাৰ লগে লগে শোধনাগাৰৰ নিচেই গাতে লগা বৰতালোৱা গাঁও, বৰপথাৰ, নিলীবাৰী, ডাংতল আদি গাঁৱত চলন্ত ৰেলৰ পৰা দুষ্কৃতিকাৰীয়ে তেল চুৰি কৰে। অইন ঠাইৰ পৰা আহি এইদৰে তেল চুৰি সংঘটিত হৈ আহিছে এই অঞ্চলত। তলাবন্ধ আৰু সান্ধ্য আইন চলি থকাৰ বাবে গাঁৱৰ লোক ওলাই নহাৰ সুযোগ গ্ৰহণ কৰি অইন গাঁৱৰ পৰা লোক আহি ছয় পৃষ্ঠাত চাওক

# হাওৰাঘাটত কটকটীয়া সান্ধ্য আইনৰ মাজতে মাজনিশা যমুনা নদীত মৎস্য চিকাৰ

অগ্ৰদূত বাৰ্তা
**হাওৰাঘাট, ১২ মে' ঃ** কৰ'না ভাইৰাছৰ ত্ৰাসৰ বাবে ভীতিগ্ৰস্ত সৰ্বজন। কৰ'নাতংকৰ বাবেই দেশজুৰি দিনৰ ভাগত সামান্য শিথিলতাৰ মাজত চলি আছে তলাবন্ধ। সন্ধিয়া ছয় বাজিলেই ৰাজ্যত আৰম্ভ হয় কঠোৰ সান্ধ্য আইন। কিন্তু এই সকলো ব্যৱস্থাকে অংগুষ্ঠ দেখুৱাই কাৰ্বি আংলং আৰু হোজাই জিলা সীমান্তত এচাম অবিবেচক লোকে চূড়ান্ত ছয় পৃষ্ঠাত চাওক

# দক্ষিণ বৰপেটা-নগৰবেৰাত ইৰি ধানৰ খেতি কৰি স্বাৱলম্বী

**আলোপতি, ১২ মে' ঃ** দেশৰ অৰ্থভঁৰালত কৃষকৰ অৱদান অনস্বীকাৰ্য। ভাৰতবৰ্ষৰ দৰে কৃষিপ্ৰধান দেশ এখনে অৰ্থনৈতিক স্বাৱলম্বনৰ বাবে কৃষি ক্ষেত্ৰৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল। কিন্তু আজিৰ পৰা ২০-২৫ বছৰ পূৰ্বে দেশৰ কৃষি ক্ষেত্ৰৰ অৱস্থা আছিল তেনেই পুতৌজনক। কৃষি ক্ষেত্ৰৰ নিত্য নতুন কৌশল আৰু চৰকাৰৰ বিভিন্ন ফলপ্ৰসূ আঁচনিয়ে সমগ্ৰ দেশৰ লগতে অসমৰ কৃষি ক্ষেত্ৰৰ ব্যাপক পৰিৱৰ্তন আনিছে। আজি তাৰ বাস্তৱ প্ৰতিফলন দেখিবলৈ পোৱা গৈছে ৰাজ্যৰ বিভিন্ন প্ৰান্তত। ২০-২৫ বছৰ পূৰ্বে বৰপেটা জিলাৰ দক্ষিণ প্ৰান্তৰ বৃহত্তৰ চৰ-চাপৰি অঞ্চলৰ লগতে নগৰবেৰাৰ বিভিন্ন ভিতৰুৱা গ্ৰামাঞ্চলৰ কৃষি খণ্ডৰ অৱস্থা আছিল যথেষ্ট পুতৌজনক। আহু ধানৰ খেতিয়েই বৰপেটা জিলাৰ বিস্তীৰ্ণ অঞ্চলৰ প্ৰধান ধান হিচাপে পৰিগণিত ছয় পৃষ্ঠাত চাওক



## নলবাৰীত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিত ২৩,৮০৭ ভুৱা হিতাধিকাৰী

# পৰ্যটন উদ্যোগৰ চাৰি হেজাৰ কোটি টকাৰ লোকচান ঃ জয়ন্তমল্ল

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ১২ মে' ঃ** ৰাজ্যত চলা নাগৰিকত্ব আইন বিৰোধী আন্দোলন আৰু শেহতীয়াকৈ সৃষ্টি হোৱা কৰ'না আতংকৰ বাবে পৰ্যটন উদ্যোগ কমেও চাৰি হেজাৰ কোটি টকা লোকচানৰ সন্মুখীন হেৱাটো নিশ্চিত হৈছে। আজি নলবাৰীত এই কথা সদৰী কৰে অসম চৰকাৰৰ পৰ্যটন উদ্যোগ উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱাই। জিলা বিজেপি কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত অধ্যক্ষ বৰুৱাই কয়, 'যোৱা বছৰ ৰাজ্যখনত গা কৰা নাগৰিকত্ব আইন বিৰোধী আন্দোলন আৰু এই বছৰ বিশ্বজুৰি সৃষ্টি হোৱা ক'ৰনা আতংকৰ বাবে অসমলৈ পৰ্যটক অহাতো বন্ধ হৈ পৰিছে। যাৰ পৰিণতিত ৰাজ্য চৰকাৰে কমেও চাৰি হেজাৰ কোটি টকা ৰাজহ সংগ্ৰহৰ পৰা বঞ্চিত হ'ব লাগিব। যিবিলাক দেশৰ পৰা অসমলৈ পৰ্যটক আহে তেনে প্ৰতিখন দেশেই কৰ'নাত বিধ্বস্ত হৈ পৰিছে। তলাবন্ধৰ ফলত মানুহ ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হৈছে। যদি কৰ'নাৰ প্ৰভাৱ হ্ৰাস হয় তেতিয়া ৰাজ্যখনৰ জনসাধাৰণৰ বাবে আন্তঃজিলা ভ্ৰমণৰ সুবিধা মুকলি কৰি দিয়াৰ পৰিকল্পনা কৰা হৈছে। ইপিনে, ৰাজ্য চৰকাৰৰ পৰ্যটন উন্নয়ন নিগমৰ অধীনত প্ৰৱৰ্তন কৰা 'পুণ্যধাম' আঁচনিখনো এইবাৰ বহিঃৰাজ্যক বাদ দি অসমৰ ভিতৰতে সীমাবদ্ধ ৰখাৰ কথা সংবাদমেলত ঘোষণা কৰা হয়। আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ ভিতৰত থকা ঐতিহাসিক ক্ষেত্ৰসমূহ ভ্ৰমণৰ সুবিধা প্ৰদান কৰাৰ পৰিকল্পনা ছয় পৃষ্ঠাত চাওক

# বড়োলেণ্ড আন্দোলনৰ প্ৰথম মহিলা ছহিদ গাইদে-হেলেনাৰ স্মৃতিত মাতৃ দিৱস পালন

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ১২ মে' ঃ** বড়োলেণ্ডৰ আন্দোলনৰ প্ৰথম মহিলা ছহিদ গাইদে-হেলেনাৰ স্মৃতিত আজি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী চৰাইবিলত মাতৃ দিৱস পালন কৰা হয়। নিখিল বড়ো ছাত্ৰ সন্থাৰ যমদুৱাৰ আঞ্চলিক সমিতি আৰু সদৌ বড়ো মহিলা কল্যাণ পৰিষদ (অবৌফ)ৰ কচুগাঁও আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত গোসাঁইগাঁও মহকুমাৰ চৰাইবিলত আয়োজিত অনুষ্ঠানৰ পতাকা উত্তোলন কৰে অবৌফৰ কচুগাঁও আঞ্চলিক সভানেত্ৰী উদাংশ্ৰী নাৰ্জাৰী আৰু ছহিদ তৰ্পণ কৰে কেবিনেট মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মই। মন্ত্ৰী ব্ৰহ্মই বীৰ ছহিদ দুগৰাকীক স্মৰণ কৰি কয় যে পৃথক বড়োলেণ্ড আন্দোলনৰ প্ৰথম মহিলা ছহিদ আছিল গোসাঁইগাঁও মহকুমাৰ সুৰিবাৰী নিবাসী গাইদে বসুমতাৰী আৰু মোথামবিল নিবাসী হেলেনা বসুমতাৰী। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে এবছুৰ উদ্যোগত সৃষ্টি হোৱা পৃথক বড়োলেণ্ড গঠনৰ আন্দোলন তীব্ৰতৰ হোৱাৰ সময়তে আৰক্ষী প্ৰশাসনে উক্ত আন্দোলনক মষিমূৰ কৰাৰ বাবে বড়ো যুৱকসকলৰ ওপৰত চৰম আতিশয্য ছয় পৃষ্ঠাত চাওক

চানভেলি হস্পিটেল
SUN VALLEY HOSPITAL
(A UNIT OF SUN VALLEY DIABETIC CARE & RESEARCH CENTRE)
COVID-19ৰ
ভয়ংকৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ হস্পিটেল সকলো অন্য ৰোগীৰ বাবে সপ্তাহৰ সকলো দিনতে খোলা থাকে।
আপোনালোকৰ সুবিধা অনুযায়ী যোগাযোগ কৰক।
চানভেলি হস্পিটেল
গুৱাহাটী চিলং ৰোড, মথুৰা নগৰ, গুৱাহাটী-২২
ফোন নং- ০৩৬১-২৩৩৬৬০০, ২৩৩৪৭৬২, ৯৮৬৪৩-৬৯৯৯১, ৭০০২৩০৮৮৬২

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ৩০ ব'হাগ ১৪২৭ ভাস্কৰাব্দ ১৩ মে' ২০২০



# প্ৰচাৰ আৰু বিভ্ৰান্তি

তলাবন্ধৰ কালছোৱাত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বিভিন্ন সময়ত বিভিন্ন জাননী জাৰি কৰি আহিছে। চৰকাৰে বিভিন্ন মাধ্যমত এইবোৰ প্ৰচাৰ কৰে; কিন্তু সকলোৱে সমানে সময়মতে এই জাননীবোৰৰ বিষয়ে জানিব নোৱাৰে। কিয়নো সৰহভাগ চৰকাৰী জাননী টিভি, ৰেডিঅ' তথা ইণ্টাৰনেট, ছ'চিয়েল মিডিয়া আদিৰ মাধ্যমেৰে প্ৰচাৰ কৰা হয়। পিছে সকলোৰে ঘৰত টিভি, স্মাৰ্টফোন, ৰেডিঅ' আদি নাথাকিবও পাৰে। বিশেষকৈ গ্ৰাম্যাঞ্চলত জাননীবোৰৰ সম্যকভাৱে প্ৰচাৰ নহয়। ফলত তলাবন্ধৰ বিগত সময়ছোৱাত কি খোলা থাকিব, কিবোৰ বন্ধ থাকিব, শিথিল কেতিয়া কৰা হ'ব ইত্যাদিক লৈ বিভ্ৰান্তিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে।

কেতিয়াবা ফুটপাথত প্ৰশাসনে শাক-পাচলি বিক্ৰী কৰিবলৈ দিয়ে, কেতিয়াবা এনে দোকানবোৰো উচ্ছেদ কৰে। একেদৰেই চাউল, দাইল আদি বিক্ৰী কৰা গোলামাল দোকানবোৰৰ কেইবজাৰ পৰা খুলিব, কেইবজাত বন্ধ হ'ব, সেইবোৰক লৈ প্ৰতিদিনে খেলিমেলিৰ সৃষ্টি হোৱা দেখা যায়। আনহাতে, প্ৰশাসনে বিভিন্ন সময়ত এই সূচীবোৰ পৰিৱৰ্তন কৰে; কিন্তু পৰিৱৰ্তিত সূচীৰ প্ৰচাৰ সঠিক আৰু পৰ্যাপ্তভাৱে নোহোৱা বাবে জনসাধাৰণ দোমোজাত পৰি আহিছে। সেয়েহে চৰকাৰে এই জাননীবোৰ যাতে সকলোৱে পায় তাৰ বাবে ব্যৱস্থা কৰা উচিত।

এটা সময় আছিল যেতিয়া বাতৰি কাকত আৰু ৰেডিঅ'ই আছিল একমাত্ৰ মাধ্যম যাৰ জৰিয়তে জনসাধাৰণে চৰকাৰী ঘোষণা তথা কাৰ্যসূচীবোৰ জানিব পাৰে। ৰেডিঅ'ই আগেয়ে চৰকাৰী জাননীবোৰ ততালিকে প্ৰচাৰ কৰিছিল। পিছে ৰেডিঅ'ৰ বাতৰি প্ৰচাৰৰ অধিকাৰ আজিলৈকে চৰকাৰী চেনেলৰ হাতত থকাৰ বাবে বহুতো সময়ত চৰকাৰৰ বাবে অস্বস্তিকৰ বাতৰিবোৰৰ প্ৰচাৰ ৰেডিঅ'যোগে নহৈছিল। এসময়ত সকলোৰে ঘৰে ঘৰে ৰেডিঅ' আছিল আৰু নিয়মিতভাৱে মানুহে ৰেডিঅ'ত প্ৰচাৰিত বাতৰি, গীত, কথোপকথন, নাটক আদি শুনিছিল। আজিকালি বহুতো এফ এম চেনেল হোৱাৰ পাছত মানুহে ৰেডিঅ' পুনৰ শুনিবলৈ লৈছে যদিও ব্যক্তিগত খণ্ডৰ এফ এম চেনেলসমূহক বাতৰি প্ৰচাৰৰ অনুমতি দিয়া হোৱা নাই বাবে আগৰ দৰে ৰেডিঅ'ৰ জনপ্ৰিয়তা নাই।

আগেয়ে টিভি চেনেল মানেই আছিল চৰকাৰৰ নিয়ন্ত্ৰিত দূৰদৰ্শন। তেতিয়া টিভি চেনেল মানেই আছিল দূৰদৰ্শন। এতিয়া শ শ চেটেলাইট চেনেলে দেশ ছানি ধৰিছে। ব্যক্তিগত খণ্ডতে সৰহভাগ টিভি চেনেল। আজিকালি কৰ্প'ৰেট ব্যৱসায়ী আৰু প্ৰভাৱশালী ধনিক ৰাজনীতিকৰ মালিকানাই টিভি চেনেলৰ জগতখন নিয়ন্ত্ৰণ কৰিবলৈ লৈছে। ফলত সৰহভাগ টিভি চেনেলে চৰকাৰৰ কথা-কামৰ সম্যকভাৱে বিশ্লেষণ নকৰে। আকৌ কেতবোৰ টিভি চেনেলে বিশেষ ৰাজনৈতিক দলৰ মুখপাত্ৰ হিচাপে আত্মপ্ৰকাশ কৰাৰ ফলত টিভি চেনেলৰ বিশ্বাসযোগ্যতা আমাৰ দেশত হ্ৰাস পাইছে। তাৰ বিপৰীতে বাতৰি কাকতসমূহৰ বিশ্বাসযোগ্যতা কম-বেছি পৰিমাণে এতিয়াও আছে। তদুপৰি টিভি চেনেলবোৰৰ মান নিয়ন্ত্ৰণৰ কোনো ব্যৱস্থা নথকাত টিভি চেনেলত প্ৰচাৰিত বিষয়বস্তুৰ ওপৰত কোনো নিয়ন্ত্ৰণ নোহোৱা হৈ পৰিছে। যদিও ব্যক্তিগত চেনেলসমূহে নিজাববীয়াকৈ বিভিন্ন সম্প্ৰচাৰিত কাৰ্যসূচী নিয়ন্ত্ৰণৰ বাবে এক সংস্থা গঠন কৰিছে তথাপি এনে সংস্থাৰ কোনো ৰাজহুৱা নিয়ন্ত্ৰণ নথকা বাবে বিশ্বাসযোগ্য হৈ উঠা নাই। বাতৰি কাকতৰ ক্ষেত্ৰত কম ক্ষমতা থাকিলেও প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়া নিয়ন্ত্ৰক সংস্থা হিচাপে আছে য'ত ন্যায়াধীশৰ পৰা আৰম্ভ কৰি সাংবাদিক, সংবাদপত্ৰৰ স্বত্বাধিকাৰী ইত্যাদিৰ প্ৰতিনিধিত্ব আছে। সংবাদ মাধ্যমৰ সম্প্ৰসাৰণ ডিজিটেল পৰ্যায়লৈ হোৱাৰ পাছত এইবোৰত প্ৰচাৰিত বিষয়বস্তুসমূহে সমূলি নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছে। টিভি চেনেলসমূহত প্ৰচাৰিত বাতৰি আৰু অন্যান্য বিষয়বস্তুসমূহৰ ক্ষেত্ৰত সাংবাদিকতাৰ আচৰণ-বিধি কমেইহে মানি চলা হয়। বাতৰি কাকতৰ ক্ষেত্ৰত সাধাৰণতে সাংবাদিকতাৰ আচৰণ-বিধি মানি চলা হয় আৰু সত্যাসত্য নিৰ্ধাৰণ কৰিহে বাতৰি প্ৰচাৰ কৰা হয়। অৱশ্যে এই ক্ষেত্ৰত ব্যতিক্ৰমো নোহোৱা নহয়। পিছে বৰ্তমান কৰ'না সংক্ৰমণৰ জটিল পৰিস্থিতিত ছপা মাধ্যম এক বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এই ক্ষেত্ৰত চৰকাৰে ছপা মাধ্যমক সকাহ দিবলৈ কি ব্যৱস্থা লয়, তালৈ সকলোৱে লক্ষ্য ৰাখিছে।

সি যি কি নহওক, চৰকাৰে বৰ্তমান এই সংকটৰ সময়ত চৰকাৰী ঘোষণা আৰু জাননীসমূহ যাতে সকলোৱে পায় তাৰ বাবে কে'বা তৰপীয়া ব্যৱস্থা কৰা উচিত। জনসাধাৰণ যাতে বিভ্ৰান্ত নহয়, তাৰ বাবে চৰকাৰে প্ৰচাৰ ব্যৱস্থা শক্তিশালী কৰি তুলিব লাগে।

## খো লা ম ঞ্চ

# কৰ'না দুৰ্যোগক কিদৰে সুযোগলৈ নিব পাৰি?



**জীৱশ্ৰেষ্ঠ** মানুহৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ওপৰত ভিত্তি কৰি প্ৰকৃতিৰ বুকুত জীৱ জগতৰ অন্যান্য সৃষ্টিৰ ভাৰসাম্য যেতিয়া অস্থিৰ হৈ পৰে, সমতা ৰক্ষাৰ বাবে প্ৰকৃতিয়ে নিজৰ ৰূপ সলনি কৰি সংহাৰী ৰূপ ধাৰণ কৰে। ধৰ্মশাস্ত্ৰক দোহাই দি জ্ঞানী লোকে যেতিয়া প্ৰকৃতিৰ স'তে সমন্বয় সংগতি ৰক্ষা কৰি চলিবলৈ পৰামৰ্শ দিয়ে, জীৱশ্ৰেষ্ঠ মানুহে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰবল প্ৰতাপী প্ৰভাৱত আধ্যাত্মিক জ্ঞানৰ ভাৰসাম্য হেৰুৱাই ক্ষমতা ৰক্ষা কৰিব নোৱৰা হৈ পৰে। অদৃশ্য, অলৌকিক শক্তিৰ অস্তিত্ব (ঈশ্বৰ/আল্লা/গড)ক তেওঁলোকে দুৰ্বল মনত উৎপত্তি হোৱা অনুভৱ বুলি আখ্যা দিব খোজে। এয়া অৱশ্যে সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য নহয়। তথাপি আনুপাতিকভাৱে সেইসকল লোকৰ পৰিমাণ বেছি হ'লে তুলাচনীত তেওঁলোকৰ ভৰ বেছি হয় আৰু ধৰ্মৰ নাও ডুবু ডুবু হয়। তেতিয়াই প্ৰলয়ংকাৰী শক্তিয়ে মহাবিশ্ব আচ্ছন্ন কৰি তোলে। সামাজিক বিশৃংখলা, ধৰ্মীয় ব্যভিচাৰ, সাম্প্ৰদায়িক ৰাজনীতি, বিভেদ নীতি, মানৱতাবিহীন কাৰ্যকলাপ যেতিয়া চৰম সীমা পাৰ হৈ গোটেই বিশ্বতে বিয়পি পৰিছে, তেতিয়াই আৱিৰ্ভাৱ হৈছে বিশ্বব্যাপী মহামাৰী কৰ'নাৰ সংহাৰী ৰূপ। আজি এই সকলোবোৰ মহামাৰী কৰ'নাৰ প্ৰলয়ংকাৰী বন্যাই ধুবলৈ আৰম্ভ কৰিছে। চকুৰে নেদেখা অপশক্তিৰ অস্তিত্ব স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে যিবোৰ নীতি সদাচাৰ মানুহে আওকাণ কৰিছিল, এতিয়া তাক আঁকোৱালি ল'লে। সামাজিক ব্যভিচাৰ, প্ৰকৃতিৰ ওপৰত অত্যাচাৰৰ কুফল হাতে হাতে বুজি পালে। পাৰিপাৰ্শ্বিকতাৰ বিশুদ্ধতাৰ প্ৰতি আওকাণ কৰি জধে-মধে গঢ়ি তোলা কল-কাৰখানা এতিয়া সাময়িকভাৱে হ'লেও বন্ধ কৰিবলৈ বাধ্য হ'ল। এতিয়া চৌপাশ শান্ত-সমাহিত নিৰ্মল, কোমল হৈ বিশুদ্ধতাই বিৰাজ কৰিছে। স্বতন্ত্ৰ বনৰ পশু-পক্ষী মানুহৰ কবলৰ পৰা আঁতৰি মুক্তভাৱে বিচৰণ কৰিছে। এতিয়া এনেকুৱা অনুভৱ হয় যেন আমি আজি ৫০ বছৰ আগৰ পৃথিৱীখন ঘূৰাই পাইছো। শব্দৰ কোলাহলবিহীন পৃথিৱী শুই পৰাৰ লগে লগে যেন মানুহো একাত্ম হৈ পৰিছে প্ৰকৃতিৰ স'তে।

**বেণুধৰ কলিতা**, *গীতিকাৰ*

তাৰ মাজতো ওভতগোৱে নচা কিছু লোকে যেতিয়া সোঁতৰ বিপৰীতে গতি কৰে তেওঁলোকক কঠোৰ হাতেৰে জ্ঞান দিব লগা হৈছে। সকলো ধৰ্ম, বৰ্ণ, জাতি নিৰ্বিশেষে সজাগতাৰ বাণীৰে একত্ৰিত হৈ মহামাৰীৰ বিৰুদ্ধে যুঁজিবলৈ সেইসকলক একেমুখে সকীয়নি দিছে। বিপৰীতমুখী ৰাজনীতিবিদসকলকো কৰ'নাৰ আৱিৰ্ভাৱে একাকাৰ কৰিছে। বাঘে-ছাগে একেটা ঘাটতে পানী খোৱাৰ দৰে মহামাৰী সন্ত্ৰাসজৰ্জৰ সকলো একগোট হ'বলৈ বাধ্য হৈছে। অনাহক আড্ডা, ৰাগিয়াল দ্ৰব্যৰ প্ৰতি থকা আসক্তিৰ ত্যাগ, স্বাস্থ্য ৰক্ষাৰ বাবে নিয়মিত নীতি-নিয়মৰ অনুশীলনত এতিয়া সকলো অভ্যস্ত হৈ পৰিছে। অনুভূতিবিহীন যান্ত্ৰিকতাৰে কেৱল কৃত্ৰিম উন্নয়নৰ প্ৰতি ধাৱমান হোৱা মানুহৰ মন আৰু শৰীৰত বাধ্যতামূলক জিৰণিয়ে প্ৰয়োজনীয় শক্তি আৰু পৱিত্ৰতা সঞ্চাৰ কৰিছে। তথাকথিত ধৰ্মীয় উপাসকসকলৰ অহৰ্নিশে আয়োজন কৰা তাৎপৰ্যমূলক আধ্যাত্মিক চিন্তাবিহীন উছৰমুখী পয়োভৰ এতিয়া মন্দিৰ, মছজিদ, গিৰ্জা, গুৰুদ্বাৰত নাইকিয়া হ'ল। সদৌ শেষত আমি সৰ্বসাধাৰণে এষাৰ কথা স্বীকাৰ কৰিবই লাগিব সমগ্ৰ বিশ্বই আমাৰ আৰাধ্য এক অদৃশ্য মহাশক্তিৰ ইচ্ছাৰ সপক্ষে পৰিচালিত হৈ নিয়ন্ত্ৰিত হৈ আছে। অদৃশ্য সংহাৰী শক্তিক মহাবিশ্বৰ অদৃশ্য শুভ শক্তিয়েহে কল্যাণকামী মানৱৰ সহায়ত পৰাভূত কৰিব পাৰিব। *ফোন : ৯৮৬৪১৪৫৬৮৪*

# উন্নয়নৰ অধোগতিত বিধ্বস্ত হ'ব অৰ্থনীতি

# নিষ্পেষণৰ ভাইৰাছত আক্ৰান্ত দেশৰ শ্ৰমিক



ইমান দিনে বহিঃৰাজ্যত আৱদ্ধ হৈ থকাৰ পাছত চৰকাৰে এতিয়া প্ৰৱাসী শ্ৰমিক, ছাত্ৰ-ছাত্ৰী, পৰ্যটক, ৰোগী আদিক ঘৰলৈ উভতিবলৈ অনুমতি দিয়াৰ ব্যৱস্থা কৰাত এইসকল বহিঃৰাজ্যত আৱদ্ধ হৈ থকা লোকৰ মাজত তাৰ বাবে হেতা-ওপৰা লাগিছে। চৰকাৰে সীমিত সংখ্যক ৰেলৰ ব্যৱস্থা কৰিলেও ঘৰলৈ উভতিবৰ বাবে কৰ্তৃপক্ষৰ ওচৰত পঞ্জীয়ন কৰা, কৰ'না ভাইৰাছৰ পৰীক্ষা কৰা ইত্যাদি প্ৰক্ৰিয়াবোৰে বহুতকে হতাশ কৰি তুলিছে। যিসকলৰ ধন, ৰূপ আছে তেওঁলোকে গাড়ী, টেক্সী আদি লৈ উভতিছে। এনেদৰে ওভতাৰ যন্ত্ৰণা যে কিমান সেয়া ভুক্তভোগীসকলেহে উপলব্ধি কৰিছে।

আটাইতকৈ সমস্যা হৈছে সেইসকল শ্ৰমিকৰ যিসকলে বহিঃৰাজ্যৰ বিভিন্ন উদ্যোগ, বাণিজ্যিক তথা ব্যৱসায়িক প্ৰতিষ্ঠানত নিযুক্ত হৈ আছিল। চাৰি ঘণ্টাৰ জাননীৰে চৰকাৰে ২৫ মাৰ্চত তলাবন্ধ ঘোষণা কৰাৰ পাছত এইসকল শ্ৰমিকৰ মাজত হুৰাদুৱাৰ সৃষ্টি হয়। বিশেষকৈ দিন-মজুৰ বা সাপ্তাহিক হিচাপত অস্থায়ীৰূপে কাম কৰা শ্ৰমিকসকল হঠাৎ নিবনুৱা হৈ পৰাত আহুকালৰ সৃষ্টি হয়। বহুতেই নিৰুপায় হৈ গ্ৰীষ্ম, বতাহ, বৰষুণ আদি প্ৰতিকূল বতৰকো নেওচি খোজকাঢ়ি অথবা চাইকেলেৰে হেজাৰ হেজাৰ কিলোমিটাৰ দূৰৈত অৱস্থিত নিজৰ গাঁৱলৈ ৰাওনা হৈছিল। বহুতেই তলাবন্ধ খোলাৰ বাবে অধীৰ আগ্ৰহেৰে বাট চাই দিন নিয়াইছিল। পিছে দুবাৰকৈ তলাবন্ধৰ ম্যাদ বৃদ্ধি কৰাত এইসকল শ্ৰমিক তথা আৱদ্ধ হৈ থকা ছাত্ৰ-ছাত্ৰীসকলো হতাশ হৈ পৰিছিল। এতিয়া এইসকল শ্ৰমিক সকলোৱে ঘৰলৈ অহাৰ বাবে ৰেলৰ সুবিধা নাপাই বহুতেই পুনৰ পদব্ৰজে যাত্ৰা কৰিছে দূৰ-দূৰণিত অৱস্থিত স্বগৃহলৈ। তাকে কৰিবলৈ যাওঁতে মহাৰাষ্ট্ৰৰ ঔৰংগাবাদৰ ওচৰত ৰেলৰ আলিত ভাগৰুৱা হৈ জিৰাওঁতে টোপনিত লালকাল হোৱা ১৬ গৰাকী শ্ৰমিকৰ জৰাজীৰ্ণ দেহৰ ওপৰেৰে উঠি যায় মালবাহী ৰেলগাড়ী। এওঁলোকৰ ক্ষত-বিক্ষত দেহ পৰি থাকে ৰেলৰ আলিৰ দুয়োকাষে। ইফালে যোৱা আঠ মে'ত হায়দৰাবাদৰ পৰা আগ্ৰালৈ ট্ৰাকভৰ্তি আম লৈ অহা গাড়ীৰ ওপৰত বহি সুদীৰ্ঘ দিনৰ মূৰকত ঘৰলৈ উভতিছিল ১৭ গৰাকী প্ৰবাসী শ্ৰমিক। মধ্যপ্ৰদেশৰ নৰসিংহপুৰৰ ওচৰত ট্ৰাক পথৰ দাঁতিত বাগৰি পৰাত পাঁচগৰাকী শ্ৰমিক থিতাতে নিহত হয় আৰু ১১ গৰাকী আহত হয়। এনে ধৰণৰ ঘটনা আৰু যে নঘটিব, তাক ক'ব নোৱাৰি। বহিঃৰাজ্যত আশ্ৰয়বিহীন হৈ তথা জেপত ধন নথকাকৈ দিন নিওৱা এইসকল শ্ৰমিকে যিকোনো উপায়ে ঘৰলৈ আহিবলৈ বিচাৰিছে। ঘৰলৈ আহি মৰিলেও শ্মশানলৈ নিবলৈ মানুহ ওলাব, বাহিৰত মৰিলে সেই সুবিধাও নাথাকিব। এনে ধৰণে এইসকল শ্ৰমিকে এতিয়া ভাবিছে।

শ্ৰমিকসকলৰ যেতিয়া এই অৱস্থা তেতিয়া কৰ্ণাটক, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ আদি কে'বাখনো ৰাজ্যই এইসকল শ্ৰমিকক ঘৰলৈ পঠিওৱাৰ সলনি কাম কৰিবলৈ বাধ্য কৰিব বিচাৰিছে। কৰ্ণাটকে প্ৰবাসী



## নিউজ স্কেন

**গীতাৰ্থ পাঠক**

শ্ৰমিকসকল যাতে ঘৰলৈ উভতি যাব নোৱাৰে, তাৰ বাবে ৰেলগাড়ীৰ ব্যৱস্থা বাতিল কৰিছে। তামিলনাডুয়ো প্ৰত্যক্ষভাৱে ৰেল নিদিয়ে বুলি নক'লেও পঞ্জীয়ন, পৰীক্ষণ আদি জটিলতাবোৰ জাপি দি কাৰ্যতঃ এইসকল শ্ৰমিক যাতে ঘৰলৈ উভতি নগৈ পুনৰ উদ্যোগ প্ৰতিষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰ কামত লাগি যায় তাৰ বাবে এইসকল দুৰ্ভগীয়া শ্ৰমিকক বাধ্য কৰাৰ ব্যৱস্থা কৰিছে। কৰ্ণাটকৰ গৃহ নিৰ্মাণকাৰী ব্যক্তিগত উদ্যোগীসকলৰ হেঁচাত কৰ্ণাটকে এনেদৰে প্ৰবাসী শ্ৰমিকসকল যাতে ঘৰলৈ উভতিব নোৱাৰে তাৰ ব্যৱস্থা কৰিবলৈ ওলাইছিল। প্ৰখৰ ৰ'দ, ধুমুহা, বৰষুণ, পুলিচৰ বেত্ৰাঘাত, কৰ'না ভাইৰাছৰ সংক্ৰমণ নেওচি এইসকল শ্ৰমিকে এতিয়া চৰকাৰৰ পৰা একো বিচৰা নাই, মাথোঁ বিচাৰিছে তেওঁলোকে ঘৰলৈ উভতি যাবলৈ।

উত্তৰ প্ৰদেশ চৰকাৰে সম্প্ৰতি ৰাজ্যখনত উৎপাদন তথা ব্যৱসায়ৰ উন্নয়নৰ বাবে এক অধ্যাদেশ জাৰি কৰিছে— এই অধ্যাদেশত কোৱা হৈছে যে সকলো উদ্যোগ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানক প্ৰায় সকলো ধৰণৰ শ্ৰম আইনৰ আওতাৰ পৰা ৰেহাই দিয়া হ'ব। অহা তিনি বছৰলৈকে এই ব্যৱস্থা জাৰি থাকিব। উত্তৰ প্ৰদেশক দেখি তামিলনাডু, হাৰিয়ানা, ত্ৰিপুৰা, মধ্যপ্ৰদেশ আদি ৰাজ্যয়ো একে ধৰণৰ ব্যৱস্থা কৰিব বিচাৰিছে। কামৰ সময় আঠ ঘণ্টাৰ পৰা ১২ ঘণ্টালৈ বৃদ্ধি কৰা হৈছে। অসম চৰকাৰেও উত্তৰ প্ৰদেশৰ ব্যৱস্থাৱলীৰ দ্বাৰা অনুপ্ৰাণিত হৈ কামৰ সময় আঠ ঘণ্টাৰ পৰিৱৰ্তে ১২ ঘণ্টালৈ বৃদ্ধি কৰিছে। মে' দিৱসৰ সময়তেই এই ঘটনা ঘটিছে। অথচ ১৮৮৬তেই শ্ৰমিকসকলে চিকাগো চহৰৰ হে মাৰ্কেটত আঠ ঘণ্টা কামৰ দাবীত আয়োজন কৰা সমাৱেশেৰে সমগ্ৰ বিশ্বৰ শ্ৰমিকসকলক অনুপ্ৰাণিত কৰিছিল। শ্ৰমিকৰ বাবে আঠ ঘণ্টা কামৰ যি ব্যৱস্থা সমগ্ৰ বিশ্বতেই প্ৰৱৰ্তিত হৈছিল আজি ভাৰতবৰ্ষত ১৫০ বছৰ আগেয়ে শ্ৰমিকে সংগ্ৰাম কৰি পোৱা সেই শ্ৰমৰ অধিকাৰ কাঢ়ি নিয়াৰ ব্যৱস্থা কৰিছে। উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ চৰকাৰৰ স'তে উজান দি অসম চৰকাৰেও ১৫০ বছৰীয়া শ্ৰমিকৰ সংগ্ৰামক ভৰিৰে মোহাৰি কামৰ সময় আঠ ঘণ্টাৰ পৰা বৃদ্ধি কৰি ১২ ঘণ্টা কৰাটো দুৰ্ভাগ্যজনক বিষয়। সি যি কি নহওক, আইনগতভাৱে উত্তৰ প্ৰদেশ চৰকাৰকে ধৰি বিভিন্ন ৰাজ্যই শ্ৰম আইনবোৰ তিনি বছৰৰ বাবে স্থগিত কৰাটো বৈধ হ'ব নে নাই সেয়া আদালতেহে নিৰ্ণয় কৰিব। আমি জানো যে বাহিৰা ৰাষ্ট্ৰৰ আক্ৰমণে সৃষ্টি কৰা জৰুৰীকালীন অৱস্থাতহে এইবোৰ আইন বলৱৎ কৰাটো বন্ধ কৰি ৰাখিব পাৰে।

বিজেপি চৰকাৰে ইতিমধ্যে দেশখনত থকা শ্ৰম সম্পৰ্কীয় বিভিন্ন আইনবোৰ মজুৰি, ঔদ্যোগিক সম্পৰ্ক, বৃত্তিগত নিৰাপত্তা, স্বাস্থ্য আদি চাৰিটা কোডত সামৰিবলৈ ব্যৱস্থা কৰিছে। এই শ্ৰম কোডৰ জৰিয়তে আমাৰ দেশত বলৱৎ থকা শ্ৰম আইনবোৰ শিথিল কৰিব বিচৰা হৈছে। এনেদৰে শ্ৰম আইনবোৰ শিথিল কৰাৰ কাৰণ হ'ল দেশত ব্যৱসায়-বাণিজ্যৰ সুবিধা কৰা। সস্তাত শ্ৰম আদায় কৰা, শ্ৰমিকক দমন কৰাৰ জৰিয়তে চৰকাৰে দেশখনত যি ব্যৱসায়িক সুবিধাৰ সৃষ্টি কৰিব বিচাৰিছে, তেনে ব্যৱস্থাই দেশখনৰ অৰ্থনীতিৰ উন্নয়ন সাধন কৰাৰ সলনি দৰিদ্ৰতাহে বৃদ্ধি কৰিব বুলি বিভিন্ন মহলে আশংকা প্ৰকাশ কৰিছে। দেশৰ প্ৰায় ৫০ কোটি শ্ৰমিক সম্প্ৰতি এই শ্ৰম কোড আইনৰ দ্বাৰা প্ৰভাৱান্বিত হ'ব। শ্ৰম আইন লাঘৱ কৰি চৰকাৰে যি ব্যৱস্থা কৰিব বিচাৰিছে, তাৰ জৰিয়তে দেশত নিবনুৱা সমস্যা বৃদ্ধি কৰাহে হ'ব। চৰকাৰক লাগে ব্যৱসায়, অৰ্থাৎ কৰ্প'ৰেট ব্যৱসায়ীসকলে বিচাৰে বৃহৎ পৰিমাণৰ মুনাফা। চৰকাৰে শ্ৰমিকসকলৰ অধিকাৰ খৰ্ব কৰি বৃহৎ ব্যৱসায়ক অধিক মুনাফা দিয়াৰ ব্যৱস্থা কৰিছে বুলি সৰৱ হৈ উঠিছে বিভিন্ন শ্ৰমিক সংগঠনসমূহ।

বিশিষ্ট অৰ্থনীতিবিদ জাঁ ড্ৰেজে ভাৰতৰ এই তলাবন্ধ দেশখনৰ দৰিদ্ৰ জনসাধাৰণৰ বাবে মৃত্যুদণ্ডৰ দৰে হৈছে বুলি আখ্যা দি কৈছে যে কৰ'না নিয়ন্ত্ৰণৰ বাবে যিসকল লোকে ভাৰতত নীতি-নিৰ্ধাৰণ কৰিছে, তেওঁলোকে দেশৰ দৰিদ্ৰ জনসাধাৰণৰ ওপৰত তাৰ কি বিৰূপ প্ৰভাৱ পৰিব পাৰে, সেইটোৰ ওপৰত গুৰুত্ব দিয়া নাই অথবা তাক উপলব্ধি কৰা নাই। সংবিধানৰ মৌলিক অধিকাৰৰ অধ্যায় অনুসৰি দেশখনৰ বিভিন্ন অংশলৈ মুক্তভাৱে অহা-যোৱা কৰা, ব্যৱসায়-বাণিজ্য কৰা তথা বসতি স্থাপন কৰাৰ অধিকাৰ দেশৰ প্ৰতিগৰাকী নাগৰিকৰ আছে। অৱশ্যে কেতবোৰ যুক্তিসংগত বাধা নিষেধো আছে। এই মৌলিক অধিকাৰসমূহক জৰুৰীকালীন অৱস্থাতো কাঢ়ি নিব নোৱাৰি বুলি ন্যায়ালয়ে ৰায় দি থৈছে। পিছে আমাৰ দেশত সম্প্ৰতি মহামাৰী ৰোগ আইন ১৮৯৭ আৰু দুৰ্যোগ ব্যৱস্থাপনা আইন-২০০৪ৰ জৰিয়তে মানুহৰ মুক্ত বিচৰণ আৰু আনকি বহু ক্ষেত্ৰত বাক্-স্বাধীনতাও কৰ্তনৰ প্ৰচেষ্টা চলিবলৈ ধৰা যেন অনুভৱ হৈছে। চৰকাৰৰ নীতিক সমালোচনা কৰা ব্যক্তিক দেশদ্ৰোহী আখ্যা দিয়াটো শাসক দলৰ নিয়মত পৰিণত হৈছে। পিছে মহামাৰী ৰোগ আইনখনৰ বয়স ছকুৰিৰো ওপৰ আৰু এই আইন ব্ৰিটিছে প্ৰণয়ন কৰিছিল সেই কালত মুম্বাইত দেখা দিয়া প্লেগ মহামাৰী নিয়ন্ত্ৰণৰ বাবে। এনেবোৰ ঔপনিৱেশিক আইনে ভাৰতবৰ্ষৰ সংবিধানৰ ১৯ ধাৰা তথা বাক্ স্বাধীনতাকে ধৰি মৌলিক অধিকাৰবোৰৰ ওপৰত হস্তক্ষেপ কৰিব নোৱাৰে। পৰিতাপৰ বিষয় যে চৰকাৰে যিবোৰ কৰে অথবা কয় সেইবোৰেই আইন হিচাপে প্ৰচলন কৰি দেশখনৰ গণতন্ত্ৰক প্ৰহসনত পৰিণত কৰা হৈছে।

**২৫ মাৰ্চৰ দিনা হুৰমূৰকৈ কেন্দ্ৰীয় চৰকাৰে তলাবন্ধ ঘোষণা কৰাৰ সময়ত আমাৰ দেশত কৰ'নাত আক্ৰান্ত ৰোগীৰ সংখ্যা পাঁচশৰো কম আছিল। তেতিয়াই প্ৰবাসী শ্ৰমিক, আৱদ্ধ ছাত্ৰ-ছাত্ৰীসকলক বিশেষ ব্যৱস্থাৰে অনাৰ ব্যৱস্থা কৰাহেঁতেন সংক্ৰমণৰ আশংকাও কম হ'লহেঁতেন আৰু জনসাধাৰণে নগুৰ-নাকতিও হ'ব নালাগিলেহেঁতেন।**

২৫ মাৰ্চৰ দিনা হুৰমূৰকৈ কেন্দ্ৰীয় চৰকাৰে তলাবন্ধ ঘোষণা কৰাৰ সময়ত আমাৰ দেশত কৰ'নাত আক্ৰান্ত ৰোগীৰ সংখ্যা পাঁচশৰো কম আছিল। তেতিয়াই প্ৰবাসী শ্ৰমিক, আৱদ্ধ ছাত্ৰ-ছাত্ৰীসকলক বিশেষ ব্যৱস্থাৰে অনাৰ ব্যৱস্থা কৰাহেঁতেন সংক্ৰমণৰ আশংকাও কম হ'লহেঁতেন আৰু জনসাধাৰণে নগুৰ-নাকতিও হ'ব নালাগিলেহেঁতেন। এতিয়া দেশত ৬০ হেজাৰৰো অধিক কৰ'না আক্ৰান্ত ৰোগী থকাৰ সময়ত তথা প্ৰতিদিনে তিনিশ-চাৰিশকৈ ৰোগী বৃদ্ধি পোৱাৰ সময়ত এইসকল শ্ৰমিকক সীমিত সংখ্যক ৰেলেৰে অনাৰ ব্যৱস্থা কৰা, দোকান-পোহাৰ খুলি দিয়া আৰু অন্যান্য ব্যৱসায় চলিবলৈ দিয়া হৈছে। পৰিকল্পিতভাৱে চৰকাৰে জনসাধাৰণৰ সুবিধা-অসুবিধালৈ চাই সিদ্ধান্ত লোৱাহেঁতেন দেশখনত আজিৰ দৰে এনে জটিল পৰিস্থিতিৰ সৃষ্টি নহ'লহেঁতেন। এতিয়া যিসকল শ্ৰমিক বহু কষ্টেৰে ঘৰলৈ উভতি আহিছে বা আহিব তেওঁলোকে দুনাই বহিঃৰাজ্যলৈ কাম কৰিবলৈ যোৱাৰ সম্ভাৱনা নাই। ইফালে বহিঃৰাজ্যৰ উদ্যোগ তথা ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে শ্ৰমিকৰ অভাৱত উৎপাদন হ্ৰাস বা বন্ধ কৰিবলৈ বাধ্য হ'ব। আনহাতে, নিজৰ ৰাজ্যত সংস্থান বিচাৰি বহিঃৰাজ্যৰ পৰা উভতি অহা শ্ৰমিকসকলে কাম বিচাৰি নিবনুৱাৰ সংখ্যা বৃদ্ধি কৰি তুলিব। ফলত সামগ্ৰিকভাৱে দেশৰ উন্নয়নৰ হাৰ হ্ৰাস হ'ব। উন্নয়নৰ হাৰ ঋণাত্মক হোৱাৰ আগজাননী ইতিমধ্যে বহুতেই দিছে। গতিকে চৰকাৰে পৰৱৰ্তী ব্যৱস্থা কি লয়, সেয়া চাবলগীয়া হ'ব।

*ফোন : ৯৪৩৫০৪৮৪৮৪*

# হতাশ হোৱাৰ সলনি আস্থাৰে যুঁজাৰ সময়

**ন'ভেল** কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে ঘোষণা কৰা তলাবন্ধৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত ৰাজ্যখনত ব্যাপক প্ৰভাৱ পৰিছে। নগৰ-চহৰৰ কথা বাদেই গাঁও প্ৰধান ৰাজ্যখনৰ লোকেও অতি গুৰুত্ব সহকাৰে তলাবন্ধ মানি চলা পৰিলক্ষিত হৈছে। গাঁৱত যাতে বাহিৰৰ কোনো চাৰিচকীয়া বাহন প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগী পথ বন্ধ কৰিছে খুঁটা পুতি বাঁহৰ জেং বান্ধি। সাপ্তাহিক, অৰ্ধ সাপ্তাহিক হাট-বজাৰ বহা নাই। গাঁৱৰ মানুহে নিজৰ ঘৰত উৎপন্ন হোৱা ধান, তামোল, হাঁহ, পাৰ, ছাগলী, কুকুৰা চৰাই আদি বিক্ৰী কৰিবলৈ বজাৰ পোৱা নাই। অ'লৈ-ত'লৈ অহা-যোৱা কৰিব পৰা নাই তলাবন্ধৰ সময়ত। মানুহে সাধাৰণতে টিভি আৰু ম'বাইলৰ জৰিয়তে দেশৰ সংবাদ সংগ্ৰহ কৰি আছে। দেশত সংকটৰ সময়। লোকচান হ'লেও টকাৰ কথা নাভাবি ছপা মাধ্যমে বাতৰি কাকত প্ৰকাশ কৰি আছে এনে দেশৰ দুৰ্যোগৰ সময়তো বাতৰি কাকত বিতৰণ পূৰ্বৰ দৰে স্বাভাৱিক হোৱা নাই। তলাবন্ধৰ সময়ত ১০-১৫ দিন ধূপধৰা চহৰলৈ দৈনিক বাতৰি কাকতৰ টোপোলা বাতৰি এজেণ্টৰ ওচৰলৈ অহা নাই। ইফালে ৰেডিঅ',



টিভি আৰু ম'বাইলৰ সংবাদবোৰে আমাৰ মন নুজুৰায়। বাতৰি কাকত পঢ়াৰ মজাই সুকীয়া।

তলাবন্ধৰ সময়ত এদিন 'অগ্ৰদূত' বাতৰি কাকতৰ চাৰ্কুলেছনৰ নৰোত্তম দাসে মোক ফোন কৰি সুধিলে মই কেনে আছো। আৰু সুধিলে মই ' দৈনিক অগ্ৰদূত' পঢ়িছো নে নাই। মই আচৰিত হ'লো 'অগ্ৰদূত'ৰ পৰিয়ালৰ পৰা মোৰ খবৰ লোৱাত। মই ১০-১২ দিনমান হ'ল ' দৈনিক অগ্ৰদূত' কাকত পোৱা নাই বুলি উত্তৰ দিলো। দাসে নিয়মীয়াকৈ প্ৰকাশ হৈ থকাৰ কথা কৈ ধূপধৰালৈ 'দৈনিক অগ্ৰদূত' পঠিওৱা নাই বুলি কৈ ম'বাইলত 'দৈনিক অগ্ৰদূত'ৰ মুখ্য সংবাদসমূহ চোৱাৰ কথা ক'লে। মোৰ ম'বাইল নাই বাবে অইনৰ ম'বাইলত পুৰা কেইদিনমান মুখ্য বাতৰিৰ শিৰোনামা চালো। ভাল নালাগে। বাতৰি কাকতৰ পৰা বিচ্ছিন্ন অনুভৱ কৰিলো। যমদূত হৈ কৰ'নাই মানুহৰ শৰীৰত প্ৰৱেশ কৰি প্ৰাণ কাঢ়ি নি আছে। মন উচপিচ কৰি থাকিল। দেশৰ দুৰ্যোগৰ সময়ত বাতৰি কাকতৰ ভূমিকাৰ কথা ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। টিভিত মুহূৰ্ততে বিশ্বৰ সংবাদবোৰ পালেও ছপা আখৰৰ বাতৰি পঢ়াৰ কথা অতি তাৎপৰ্যপূৰ্ণ। সেই বাবে মই ছপা খবৰ কাকত আৱশ্যকবোধ কৰো।

**জ্ঞানশংকৰ খাখলাৰী**, ধূপধৰা
*ফোন : ৯৪৩৫২৫৫৫৩৩*

# সাৱধান নহ'লে পৰিস্থিতি ভয়াৱহ হ'ব পাৰে

**২০১৯ ৰ** ডিচেম্বৰত চীনৰ উহানত সৃষ্টি হ'ল কৰ'না ভাইৰাছৰ। এই ভাইৰাছ কৃত্ৰিম নে প্ৰাকৃতিক ইয়াক লৈ এতিয়াও বিতৰ্ক চলি আছে। সৰ্বগ্ৰাসী কমিউনিষ্ট চীনে সমগ্ৰ বিশ্বৰ সৰ্বনাশ কৰি আধিপত্য বিস্তাৰৰ চেষ্টা কৰিছে বুলিও বহু দেশৰ ৰাজনৈতিক বিশ্লেষকসকলে মত পোষণ কৰা দেখা গৈছে। এই ভাইৰাছত আক্ৰান্ত হৈ চীনত কিমান মানুহৰ প্ৰাণ গ'ল তাৰ সঠিক হিচাপ চীনে দিয়া নাই। উহানৰ হেনো ৪৫ হেজাৰ মানুহ নোহোৱা হৈছে, এই কথা উহানৰ মানুহেই কৈছে। চীনৰ সৰ্বগ্ৰাসী মনোভাৱ অতি ভয়ংকৰ।

এই ভাইৰাছ সমগ্ৰ পৃথিৱীত বিয়পি পৰিল। বিশ্বৰ উন্নত দেশ বুলি গৌৰৱ কৰা ৰাষ্ট্ৰসমূহৰ অৱস্থা কেনে হৈছে সেই কথা সকলোৱে গম পাইছে। ভাৰতত এই ভাইৰাছ বিয়পাৰ লগে লগে চৰকাৰ সাৱধান হ'ল, কেন্দ্ৰীয় চৰকাৰৰ লগতে পশ্চিমবংগক বাদ দি ৰাজ্য চৰকাৰবোৰো সাৱধান হ'ল; সময়মতে সৰ্বাত্মক বন্ধ ঘোষণা কৰি ৰাইজক সাৱধান হ'বলৈ কোৱা হ'ল। যাৰ বাবে অন্য ৰাষ্ট্ৰতকৈ ভাৰত কিছু পৰিমাণে হ'লেও ভালে আছে যদিও অৱস্থা দিনক দিনে বেয়াৰ ফালে গৈ আছে। এই ক্ষেত্ৰত আমাৰ দেশৰে এক শ্ৰেণীৰ মানুহৰ উদণ্ডতা বিশেষভাৱে দায়ী।

আমাৰ অসম চৰকাৰেও সময়মতে এই ক্ষেত্ৰত তৎপৰ হৈ সাৱধান হ'ল। কিন্তু জীৱনৰ মোল নুবুজা মুষ্টিমেয় মানুহৰ দুষ্কাৰ্যৰ বাবে অসমো এই ভাইৰাছত আক্ৰান্ত হ'ল। অসম চৰকাৰ আৰু এই ক্ষেত্ৰত আগভাগ লৈ প্ৰাণৰ মমতাকো নেওচি এচাম সৈনিকে দিনে-ৰাতি যুদ্ধ কৰি এই শত্ৰুক কিছু পৰিমাণে দমন কৰি ৰাখিছে; কিন্তু বৰ্তমান অসমৰ বাহিৰৰ পৰা লক্ষাধিক লোক অসমলৈ অহা কাৰ্য আৰম্ভ হৈছে। এই ক্ষেত্ৰত অসমৰ সকলো শ্ৰেণীৰ মানুহে যদি সকলো প্ৰকাৰৰ নিয়ম-নীতি আন্তৰিকতাৰে মানি নচলে, তেতিয়া অসমৰ অৱস্থা অতি ভয়াৱহ হ'ব পাৰে। প্ৰত্যক্ষ আৰু সশস্ত্ৰ শত্ৰুৰ বিৰুদ্ধে যুদ্ধ কৰা সহজ, কিন্তু পৰোক্ষ আৰু নিৰস্ত্ৰ শত্ৰুৰ বিৰুদ্ধে যুদ্ধ কৰি জয়ী হোৱা কঠিন কাম। অসমৰ সকলো শ্ৰেণীৰ ৰাইজলৈ আমাৰ বিনম্ৰ নিবেদন যেন সকলোৱে আন্তৰিকতাৰে সকলো নিয়ম-অনুশাসন পালন কৰি থাকে।

**ড° দেবেন চন্দ্ৰ দাস 'সুদামা'**, তেতেলীয়া
গুৱাহাটী, *ফোন : ৯৪৩৫৪০৩৩৩৬*

# কৰ'না, তলাবন্ধ আৰু জনসাধাৰণৰ দায়িত্ব

**কৰ'না** মহামাৰীত আক্ৰান্ত হৈ মৃত্যুমুখত পৰা ৰোগীৰ সংখ্যা বৰ্তমান আঢ়ৈ লাখতকৈও অধিক। প্ৰতিদিনে পৃথিৱীখন ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰি আহিছে। ভৱিষ্যতে কেনে জটিল পৰিস্থিতিৰ দিশে ধাৱমান হ'ব আমি কল্পনাই কৰিব নোৱাৰো। সম্প্ৰতি শুনিবলৈ পাইছো, ভিন্ন জীৱ-জন্তুৰ শৰীৰতো এইবিধ ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছে। অনাগত দিনবোৰত চাগৈ পৰিস্থিতি আৰু বেছি ভয়ংকৰ হৈ পৰিব।

মহামাৰীৰ লগে লগে বিভিন্ন সংকটত বা বিভীষিকাই মষিমূৰ কৰি পেলাব বুলিও মত পোষণ কৰিছে বিশ্বৰ বিভিন্ন সচেতন মহলে। ভিন্ন সমীক্ষাত পোৱা গৈছে, বহু লক্ষাধিক লোকে কৰ্ম সংস্থাপন হেৰুৱাই পেলাব। উদ্বিগ্ন হৈ পৰিছে বিশ্ব স্বাস্থ্য সংস্থা, বৈজ্ঞানিক মহল, লগতে সমগ্ৰ বিশ্ব। পৰিস্থিতিৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই বিশ্বৰ ভিন্ন ঠাইত প্ৰণয়ন কৰা হৈছিল লকডাউন।

ভাৰতবৰ্ষতো এই সময়লৈ কে'বা হেজাৰো লোক সংক্ৰমিত হৈছে। যিহেতু এই ৰোগ প্ৰতিৰোধ কৰাৰ একমাত্ৰ উপায় সামাজিক দূৰত্ব মানি চলা বা জনসমাগমৰ পৰা বিৰত থকা, সেইবাবে প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰথম পৰ্যায়ৰ ২১ দিনীয়া লকডাউন সমাপ্তিৰ পাছত তিনি মে'লৈকে দ্বিতীয় পৰ্যায়ৰ লকডাউন সমগ্ৰ দেশখনতে বাহাল ৰাখিছে। তিনি মে'ৰ পাছত পুনৰ তৃতীয় পৰ্যায়ৰ তলাবন্ধ ১৭ মে'লৈ বৃদ্ধি কৰিলে। কিছু কিছু ঠাইত আক্ৰমণৰ গতি বিধিৰ ওপৰত লক্ষ্য ৰাখি আইনখন সামান্য শিথিল কৰি দিছে। আমাৰ অসমতো কৃষিক্ষেত্ৰত চাহ বাগিচা, বেংক, অত্যাৱশ্যকীয় সামগ্ৰীৰ দোকান আদিবোৰ যথেষ্ট পৰিমাণৰ সাৱধানতা অৱলম্বন কৰি খোলাৰ অনুমতি প্ৰদান কৰিছে; কিন্তু জনসমাগম হোৱা ঠাই, যেনে স্কুল-কলেজ ইউনিভাৰচিটি, ধৰ্মীয় অনুষ্ঠান, সামাজিক অনুষ্ঠান আদিবোৰত অনিৰ্দিষ্ট কাললৈ নিষেধাজ্ঞা আৰোপ কৰিছে।

আচল কথাটো হ'ল, এতিয়া আমি সজাগ হোৱাৰ সময়, সচেতন হোৱাৰ সময়। চৰকাৰে নিজকে গৃহবন্দী কৰি ৰাখি কেতবোৰ নীতি-নিৰ্দেশনা মানি চলিবলৈ বাৰম্বাৰ আদেশ দিয়া বা অনুৰোধ কৰাৰ পাছতো একাংশই কথাবোৰ উলাই কৰি বিনা কাৰণত বাহিৰলৈ ওলাই আহিছে। চৰকাৰে কঠোৰ হৈ পৰিবলৈ কাৰ কাৰণে বাধ্য হৈছে কেৱল আমাৰ স্বাৰ্থত নহয় জানো? আমি মানুহবোৰ ইমানেই অবুজন যে গোটেই বিশ্ব আজি মহামাৰীত ককবকাই থকাৰ পাছতো কথাবোৰ পাতলাই লৈছো। গোটেই বিশ্বৰ কথা নক'লোৱেই যেনিবা নিজৰ দেশখনৰ কথা ভাবিয়ে নিজকে আঁতৰাই ৰাখকচোন জনসমাগমৰ পৰা।

লকডাউনৰ সময়ছোৱাত প্ৰায় সংখ্যকেই বিভিন্ন ভাল লগা বা পছন্দৰ কাম-কাজেৰে সময়বোৰ পাৰ কৰিছে বা নিজকো এক সুকীয়া স্থানলৈ উন্নীত কৰিছে। প্ৰায়সংখ্যক লোকৰেই বিভিন্ন ক্ষেত্ৰত আগ্ৰহ থাকে; কিন্তু দৈনন্দিন জীৱনৰ ব্যস্ততাৰ মাজত এইবোৰ আধাতেই তাপ মাৰে। গতিকে এতিয়া আপোনালোকে যিখিনি সময় পাইছে তাৰ সদ্ব্যৱহাৰ কৰক আৰু ভালপোৱা কামবোৰৰ মাজেৰে সময়বোৰ ধৰি ৰাখক। পৰিয়ালৰ মানুহৰ লগত সময় অতিবাহিত কৰক। লগতে ছ'চিয়েল মিডিয়াৰ গুৰুত্বপূৰ্ণ তথ্যৰ বাদে অন্য ক্ষেত্ৰত আঁতৰি থকাটো বুধিয়কৰ কাম। অন্ততঃ সেই সময়খিনিত নিজৰ বাবে অকণমান সময় উলিয়াই ল'লেও নিজৰে বহুত লাভ হ'ব। ইয়াৰ মাজতে বহুতে আৰ্তজনৰ সহায়ৰ বাবে আগবাঢ়ি আহিছে। দুখীয়া-নিচলা লোকক খোৱা মুঠি যোগান ধৰিছে— এয়া অতিকৈ আদৰণীয় আৰু প্ৰশংসনীয়। ভূপেন হাজৰিকাই গীতৰ মাজেৰেই কৈছিল, 'মানুহে মানুহৰ বাবে'। সঁচাকৈ মানৱ ধৰ্মই আন সকলো ধৰ্মতকৈ ঊৰ্ধ্বত।

**পৰিণীতা শৰ্মা**, *ফোন : ৬০০০৭৩০০৪৪*

# দুৰ্নীতি আমাৰ তেজত মিহলি হৈছে

অভিমত

**অসম** চৰকাৰ দুৰ্নীতিৰ ক্ষেত্ৰত শূন্যসহনশীল। তথাপি দুৰ্নীতিৰ কল্জাত এচাম মানুহ। আগতে দুৰ্নীতিবিলাক আছিল টেবুলৰ তলত; কিন্তু এতিয়া দুৰ্নীতি হৈ আছে ডিজিটেল পদ্ধতিত। কোনোবাই কাৰোবাক দুই নম্বৰী টকা দিবলৈ হ'লে আগৰ সেই পদ্ধতি পৰিৱৰ্তন কৰি শৌচালয়ৰ ওচৰত নহ'লে প্ৰস্ৰাৱখানাৰ ওচৰত লেন-দেন কৰে যাতে কোনেও দেখা নাপায়। মানুহৰ সঁচাকৈ ইমান ধনৰ দৰকাৰ নে যে সোঁৱে-বাঁৱে দুৰ্নীতিৰে টকা উপাৰ্জন কৰে। এচাম মানুহৰ আচলতে দুৰ্নীতিৰে ধন উপাৰ্জন কৰাটো এটা নিচা হৈ পৰিছে। তেওঁলোকৰ ধান্দা হ'ল যিকোনো প্ৰকাৰে ধন উপাৰ্জন কৰা। দুৰ্নীতিৰ টকাৰে সোণৰ বিছনা এখন তৈয়াৰ কৰিব পাৰি; কিন্তু এই ধৰণৰ সোণৰ বিছনাত সঁচাকৈয়ে সুন্দৰ টোপনি আহেনে? মানুহৰ জীৱনত সঁচাকৈ কিমান ধনৰ প্ৰয়োজন? কোনোবাই সততাৰে উপাৰ্জন কৰিছে তাত আমাৰ ক'বলগীয়া একো নাই; কিন্তু দুখীয়া মানুহৰ তেজ শুহি খোৱা দুৰ্নীতি কোনোপধ্যেই সমৰ্থন কৰিব নোৱাৰি।

শেহতীয়াকৈ কৃষি বিভাগৰ দুৰ্নীতিয়ে বাতৰি কাকত ভৰি পৰিছে। কেন্দ্ৰীয় চৰকাৰে কৃষকৰ বাবে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ধন প্ৰত্যেকজন কৃষকক তিনিটা কিস্তিত ছহেজাৰ টকাকৈ দিয়াৰ প্ৰস্তুতি চলাইছিল; কিন্তু এচাম ধুৰন্ধৰ দালালে নামগোন্ধ নথকা এচাম কৃষকৰ নাম, ভুৱা বেংক একাউণ্টৰ জৰিয়তে লাখ লাখ টকা লুটিবলৈ ফন্দি তৈয়াৰ কৰি



সফলতাৰ দিশত আগবাঢ়িছে। দেখা গৈছে অসমৰ প্ৰায় প্ৰত্যেকটো পঞ্চায়তত এই ধৰণৰ দুৰ্নীতি হৈছে। যিবিলাক নামৰ তালিকাত টকাবিলাক দিছে, সেইবিলাক নামৰ মানুহ সেই অঞ্চলত নাই। অসম চৰকাৰে এই বিষয়ে ইতিমধ্যে বৰপেটাৰ এজন কৃষি বিষয়াক নিলম্বন কৰিছে যদিও ৰৌ-বৰালি ফান্দত পৰা নাই। যি সময়ত কৰ'না আক্ৰান্তত মানুহে জীয়াই থাকিবলৈ সংগ্ৰাম কৰি আছে, সেই সময়ত এচামে দুই নম্বৰী টকাৰ পাছত দৌৰি ফুৰিছে। ইয়াত শাসক পক্ষ আৰু বিৰোধী পক্ষ বুলি কথা নাই। তেওঁলোক আচলতে নৰাধম। এইসকল মানুহ কেতিয়াও মানুহৰ শাৰীত নপৰে। দুখীয়া কৃষকৰ তেজ শুহি খোৱাসকলক অতি সোনকালে কঠোৰৰ পৰা কঠোৰতম শাস্তি দিব লাগে। আমাৰ চৰকাৰে যিমানেই দুৰ্নীতিৰ ক্ষেত্ৰত শূন্যসহনশীল নহওক কিয়, আচলতে দুৰ্নীতি আমাৰ তেজত মিহলি হৈ আছে আৰু এই তেজ যেতিয়ালৈকে আমাৰ গাত থাকিব, তেতিয়ালৈকে দুৰ্নীতি হৈয়ে থাকিব। আমি এই বিষয়ত প্ৰত্যেকজন মানুহ সজাগ হ'ব লাগিব, তেতিয়াহে দুৰ্নীতি বন্ধ হ'ব। আহক আমি সকলোৱেই দুৰ্নীতিৰ বিৰুদ্ধে বৃহৎ প্ৰতিবাদ কৰি দুৰ্নীতি বন্ধ কৰাৰ বাবে আগবাঢ়ি যাওঁ।

**আব্দুল হালিম আহমেদ**, লংকা,
হোজাই, *ফোন : ৯৪৩৫৭৫৫৩১৩*

## অনুষ্ঠান পৰিৱেশন কৰিব নোৱাৰি কৰ'নাৰ সংক্ৰমণক দূষিলে ৰকষ্টাৰ ব্ৰায়ান আডামছে



**নিউজ ব্যুৰ', লণ্ডন, ১২ মে' ঃ** কানাডাৰ বিশ্বখ্যাত ৰকষ্টাৰ ব্ৰায়ান আডামছে কৰ'না ভাইৰাছৰ সংক্ৰমণক কঠোৰভাৱে সমালোচনা কৰিলে। এই ভাইৰাছ সমগ্ৰ বিশ্বত বিয়পাই দিয়াৰ বাবে পৰোক্ষভাৱে চীনক দোষাৰোপ কৰি জনপ্ৰিয় ৰকশিল্পীজনে ছ'চিয়েল মিডিয়াৰ জৰিয়তে আক্ষেপ প্ৰকাশ কৰিছে। যোৱা সোমবাৰে লণ্ডনৰ বিখ্যাত এলবাৰ্ট হলত ব্ৰায়ানে সংগীতানুষ্ঠান পৰিৱেশন কৰাৰ কথা আছিল। কিন্তু কৰ'না ভাইৰাছৰ সংক্ৰমণৰ ফলত ব্ৰায়ানে এই অনুষ্ঠানত অংশ ল'ব নোৱাৰিলে। সংগীত পৰিৱেশনৰ পৰা এইদৰে বঞ্চিত হোৱাত ব্ৰায়ানে তেওঁৰ ইনষ্টাগ্ৰাম একাউণ্টত ক্ষোভ প্ৰকাশ কৰি কয়, 'আজি নিশা মই ৰয়েল এলবাৰ্ট হলত সংগীত পৰিৱেশন কৰাৰ কথা আছিল; কিন্তু বাদুলি ভক্ষণকাৰী একাংশ লোকৰ বাবে সেয়া সম্ভৱ নহ'ল। বাদুলি ভক্ষণকাৰী, বন্যপ্ৰাণীৰ মাংস বিক্ৰী কৰা বজাৰ আৰু ভাইৰাছ প্ৰস্তুত কৰা লুভীয়া লোকসকলক ধন্যবাদ। উল্লেখ কৰাৰ প্ৰয়োজন নহ'ব যে সমগ্ৰ বিশ্বই আজি ভুগিবলগীয়া হৈছে আৰু এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হ'ল হেজাৰ হেজাৰ লোকে জীৱন হেৰুৱাইছে। সেইসকল লোকক মই এই বাৰ্তা দিব বিচাৰো যে আপোনালোক নিৰামিষভোজী হওক।' ৬০ বছৰীয়া ৰক্ তাৰকাজনে চীনৰ নাম উল্লেখ নকৰাকৈ কৰ'না ভাইৰাছৰ সংক্ৰমণৰ প্ৰসংগত সমগ্ৰ বিশ্বত সৃষ্টি হোৱা অচলাৱস্থাক লৈ ছ'চিয়েল মিডিয়াত এইদৰে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।

## সুস্থ হৈ ঘৰলৈ উভতিল প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° সিং



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ মে' ঃ** নতুন দিল্লীস্থ এইমছ হাস্পতালৰ পৰা আজি সুস্থ হৈ ঘৰলৈ উভতিল দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে। যোৱা দেওবাৰে নিশা হঠাতে বুকুত বিষ আৰু শ্বাসকষ্ট অনুভৱ কৰা প্ৰাক্তন প্ৰধানমন্ত্ৰীজনক দিল্লীৰ এইমছত পৰিয়ালৰ লোকে ভৰ্তি কৰাইছিল। ৮৭ বছৰ বয়সীয়া ড° সিঙক এইমছৰ চিকিৎসকে আজি সুস্থ ঘোষণা কৰি ঘৰলৈ যাবলৈ অনুমতি দিয়ে। চিকিৎসকে প্ৰকাশ কৰা মতে, নতুন ঔষধ সেৱনৰ ফলত তেওঁৰ শৰীৰত পাৰ্শ্বপ্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ড° সিং কৰ'নাত আক্ৰান্ত হোৱা বুলি চিকিৎসকে সন্দেহ কৰিছিল যদিও তেওঁৰ শৰীৰত এই ভাইৰাছৰ উপস্থিতি ধৰা নপৰিল বুলি চিকিৎসকে জানিবলৈ দিয়ে।

## এক কোটি শ্ৰমিকক সংস্থাপন দিব যোগী চৰকাৰে



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১২ মে' ঃ** উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আন ৰাজ্যৰ পৰা নিজ ৰাজ্যলৈ উভতি অহা শ্ৰমিকসকলক সংস্থাপন প্ৰদানৰ প্ৰতিশ্ৰুতি আগবঢ়ালে। মুখ্যমন্ত্ৰীজনে এক সংবাদমেলত এই কথা প্ৰকাশ কৰি কয় যে শ্ৰমিকসকলক সংস্থাপন প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা নহ'লে তেওঁলোকে অনাহাৰে মৃত্যুক সাবটিব লাগিব। উত্তৰ প্ৰদেশ চৰকাৰে এক কোটি লোকৰ বাবে সংস্থাপনৰ বিশেষ ব্যৱস্থা কৰিব বুলি আদিত্যনাথে জানিবলৈ দিয়ে। 'পহিলা মাৰ্চৰ পৰা এতিয়ালৈকে বৃহৎসংখ্যক প্ৰব্ৰজনকাৰী শ্ৰমিকে আমাৰ ৰাজ্যলৈ উভতি আহিছে। আগন্তুক ১০দিনত আৰু ১০ লাখ লোক ৰাজ্যখনলৈ উভতি আহিব। উত্তৰ প্ৰদেশ চৰকাৰে ২৪ লাখ লোকক সংস্থাপন প্ৰদানৰ এক পৰিকল্পনা যুগুত কৰিছে। উত্তৰ প্ৰদেশত আমি ৰেডিমেড সাজ-পোছাকৰ বৃহৎ উদ্যোগ গঢ় দিছো আৰু সেয়েহে ইয়াৰ জৰিয়তে আমি এক কোটি লোকক সংস্থাপিত কৰিবলৈ পৰিকল্পনা যুগুত কৰিছো। মনৰেগাৰ জৰিয়তেও সংস্থাপনৰ ব্যৱস্থা লোৱা হ'ব।' যোগীয়ে আজি এইদৰে কয়।

**চীনে মুদ্ৰাৰ অৱমূল্যায়ন কৰিলে চীনা সামগ্ৰীৰ মূল্য হ্ৰাস পাব**

# বিদেশী কোম্পানীয়ে চীন ত্যাগ কৰিলে ভাৰত উপকৃত নহ'বও পাৰে ঃ ন'বেল জয়ী অভিজিৎ

**নিউজ ব্যুৰ' কলকাতা, ১২ মে' ঃ** অৰ্থনীতিৰ ন'বেল বঁটা লাভ কৰা ভাৰতীয়মূলৰ অৰ্থনীতিবিদ অভিজিৎ বেনাৰ্জীয়ে কয় যে কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত যদিহে বিদেশৰ বৃহৎ কোম্পানীসমূহে চীন ত্যাগ কৰিবলৈ সিদ্ধান্ত লয়, তেন্তে এই সিদ্ধান্তৰ দ্বাৰা ভাৰত উপকৃত হ'ব বুলি নিশ্চিতকৈ ক'ব নোৱাৰি। এটা বাংলা নিউজ চেনেলৰ স'তে হোৱা এক সাক্ষাৎকাৰত বিশিষ্ট অৰ্থনীতিবিদজনে কয় যে চীনৰ পৰাই কৰ'না ভাইৰাছৰ সংক্ৰমণ ঘটা হেতুকে বিশ্বৰ সকলো লোকে ক'ভিড-১৯ৰ ভয়াৱহ প্ৰকোপৰ বাবে চীনক জগৰীয়া কৰিছে। 'মানুহে ক'বলৈ ধৰিছে যে চীনক এইদৰে জগৰীয়া কৰাৰ ফলত ভাৰতৰ লাভ হ'ব, কিয়নো ব্যৱসায়ীসকলে চীন ত্যাগ কৰি ভাৰতলৈ আহিব। কিন্তু বাস্তৱত এনে হোৱাটো যথেষ্ট কঠিন। যদি চীনে নিজৰ মুদ্ৰাৰ অৱমূল্যায়ন কৰে, তেন্তে চীনত উৎপাদিত



সামগ্ৰীসমূহৰ মূল্য হ্ৰাস পাব আৰু মানুহে আগন্তুক সময়তো চীনত উৎপাদিত সামগ্ৰীৰ ক্ৰয় অব্যাহত ৰাখিব।' বেনাৰ্জীয়ে লগতে কয় যে বিদেশী কোম্পানীসমূহে চীন ত্যাগ কৰিলে সেইসমূহ কোম্পানীয়ে বিনিয়োগৰ বাবে ভাৰতলৈ আহিব বুলি নিশ্চিত হ'ব নোৱাৰি। ইয়াৰ বাবে চৰকাৰে সুপৰিকল্পিত বিনিয়োগ আঁচনি গ্ৰহণ কৰিব লাগিব বুলি বিশিষ্ট অৰ্থনীতিবিদজনে মত প্ৰকাশ কৰে।

## পালঘৰ সাধু হত্যা গোচৰত পুনৰ ২৪ অভিযুক্তক গ্ৰেপ্তাৰ



**নিউজ ব্যুৰ' মুম্বাই, ১২ মে' ঃ** মহাৰাষ্ট্ৰৰ পালঘৰত দুজন সাধুসহ তিনিজন লোকক এদল উন্মত্ত লোকে মৰিয়াই হত্যা কৰা ঘটনাৰ সন্দৰ্ভত মহাৰাষ্ট্ৰ আৰক্ষীয়ে পুনৰ ২৪জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিলে। যোৱা মাহত সংঘটিত হোৱা দেশজুৰি আলোড়ন সৃষ্টিকাৰী এই দলবদ্ধ আক্ৰমণ-হত্যাকাণ্ডৰ সন্দৰ্ভত মহাৰাষ্ট্ৰ আৰক্ষীয়ে এতিয়ালৈকে ১৩৩জন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি সাধু হত্যাকাণ্ডত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা লোকসকলৰ মাজত নগৰাকী নাবালকো আছে।

# তলাবন্ধ শিথিলকৰণৰ ফল ঃ পুনৰ কৰ'নাৰ সংক্ৰমণ বৃদ্ধি দক্ষিণ কোৰিয়া, চীন, জাৰ্মানীত

**নিউজ ব্যুৰ' ছিউল, ১২ মে' ঃ** নতুনকৈ কৰ'না ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিল দক্ষিণ কোৰিয়া, চীন আৰু জাৰ্মানীত। এই তিনিওখন দেশে সফলভাৱে কৰ'নাৰ সংক্ৰমণৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হ'বলৈ সক্ষম হৈছিল। কিন্তু শেহতীয়াভাৱে তিনিওখন দেশৰে বিচ্ছিন্ন প্ৰদেশত নতুনকৈ কৰ'না ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছে। কৰ'নাৰ প্ৰথম সংক্ৰমণ ধৰা পৰা চীনৰ উহান প্ৰদেশত শেহতীয়াভাৱে পুনৰ এই ভাইৰাছত আক্ৰান্ত ৰোগীৰ সন্ধান লাভ কৰা হৈছে। প্ৰায় ৭৬ দিনৰ



পাছত যোৱা মাহত উহানত স্থানীয় প্ৰশাসনে তলাবন্ধ প্ৰত্যাহাৰ কৰিছিল। উহানৰ কাষতে অৱস্থিত উত্তৰ-পূব জিলিন প্ৰদেশৰ শুলানত শেহতীয়াভাৱে কৰ'নাত আক্ৰান্ত ১১জন ৰোগীক চিনাক্ত কৰা হৈছে। আনহাতে, দক্ষিণ কোৰিয়াতো কৰ'নাৰ পুনৰ সংক্ৰমণ ধৰা পৰিছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি দেশখনৰ ৰাজধানী ছিউলত পুনৰ কৰ'না আক্ৰান্ত ৰোগী চিনাক্ত কৰা হৈছে। শেহতীয়াভাৱে এইখন দেশতো তলাবন্ধ শিথিল কৰা হৈছিল। পশ্চিম জাৰ্মানীতো কৰ'না পজিটিভ ৰোগী নতুনকৈ ধৰা পৰিছে। বিগত দুদিনত এইখন দেশত কে'বাজনো নতুন কৰ'না আক্ৰান্ত ৰোগীৰ সন্ধান লাভ কৰা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি তলাবন্ধ শিথিলকৰণৰ পৰিণতিতে এই তিনি ৰাষ্ট্ৰত কৰ'নাৰ সংক্ৰমণে পুনৰ গা কৰি উঠিছে।

## কৰ'না সংক্ৰমণৰ ভয় ঃ মহাৰাষ্ট্ৰ চৰকাৰে মুক্তি দিব ৫০ শতাংশ কাৰাবন্দীক



**নিউজ ব্যুৰ', মুম্বাই, ১২ মে' ঃ** মহাৰাষ্ট্ৰৰ বিভিন্ন কাৰাগাৰত বন্দী হৈ থকা ৫০ শতাংশ কয়দীক কৰ'না ভাইৰাছৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি চৰ্ত সাপেক্ষে সাময়িক জামিনত মুক্তি দিয়াৰ সিদ্ধান্ত ল'লে ৰাজ্যখনৰ উচ্চ ক্ষমতাসম্পন্ন এখন সমিতিয়ে। ন্যায়াধীশ এ এ ছয়ীদৰ নেতৃত্বত গঠিত সমিতিখনে ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে মহাৰাষ্ট্ৰৰ কাৰাগাৰত থকা বন্দীৰ ৫০ শতাংশ সাময়িকভাৱে জামিনত মুক্তি দিবলৈ সিদ্ধান্ত লয়। অৱশ্যে সমিতিখনে বন্দীক মুক্তিদানৰ সময়সীমা নিৰ্ধাৰণ কৰি দিয়া নাই। মুম্বাইৰ আৰ্থাৰ ৰোডত থকা কেন্দ্ৰীয় কাৰাগাৰত শতাধিক বন্দী আৰু কাৰাগাৰৰ কৰ্মচাৰীৰ শৰীৰত ক'ভিড-১৯ ভাইৰাছৰ সংক্ৰমণ ধৰা পৰাৰ পাছত উচ্চ ক্ষমতাসম্পন্ন সমিতিখনে কাৰাবন্দীক সাময়িকভাৱে মুক্তি দিবলৈ চৰকাৰক পৰামৰ্শ দিয়ে। উল্লেখ্য যে মহাৰাষ্ট্ৰৰ কাৰাগাৰত ৩৫,২৩৯ বন্দী আছে আৰু কাৰাগাৰ কৰ্তৃপক্ষই এতিয়ালৈকে ৬৯৫ কয়দীক চৰ্ত সাপেক্ষে জৰুৰী পেৰ'লত মুক্তি দিছে।

## তলাবন্ধত চাকৰি হেৰুৱাই আত্মঘাতী হ'ল কোচিৰ মহিলা তথ্যপ্ৰযুক্তি কৰ্মী

**নিউজ ব্যুৰ', কোচি, ১২ মে' ঃ** কৃষি ক্ষেত্ৰৰ সংকটৰ সময়ত ভাৰতত কৃষকে আত্মহনন কৰাটো এক পৰিচিত ঘটনাত পৰিণত হৈছে। এইবাৰ ক'ভিড-১৯ ভাইৰাছৰ সংক্ৰমণ পৰিপ্ৰেক্ষিতত দেশত একাধিক লোকে আত্মহত্যা কৰাৰ বাতৰি সংবাদ মাধ্যমত পোহৰলৈ আহিছে। শেহতীয়াভাৱে কোচিৰ এগৰাকী মহিলা তথ্যপ্ৰযুক্তি কৰ্মীয়ে তলাবন্ধৰ পৰিপ্ৰেক্ষিতত চাকৰি হেৰুওৱাৰ পৰিণতিত আত্মহত্যা কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। এটা বিখ্যাত তথ্যপ্ৰযুক্তি প্ৰতিষ্ঠানত কৰ্মৰত ২৬ বছৰীয়া জিনামুল জোছেফ নামৰ মহিলাগৰাকীয়ে যোৱা সাত মে'ত চিপ লৈ আত্মহত্যা কৰিছিল। মহিলাগৰাকীৰ পিতৃয়ে জানিবলৈ দিয়া মতে, জিনামুলে যিটো কোম্পানীত চাকৰি কৰিছিল, সেই কোম্পানীৰ কৰ্তৃপক্ষই যোৱা ছয় মে'ত তেওঁক চাকৰিৰ পৰা অব্যাহতি দিয়া বুলি অৱগত কৰিছিল। তলাবন্ধত এইদৰে চাকৰি হেৰুওৱাৰ পৰিণতিতে জিনামুলে আত্মহননৰ পথ বাছি ল'লে বুলি পিতৃয়ে দাবী কৰিছে।



**পুনৰ মহিলা সাংবাদিকক অভব্য আচৰণ মাৰ্কিন ৰাষ্ট্ৰপতিৰ**

# এই প্ৰশ্ন মোক কিয় সুধিছে, চীনক সোধক ঃ সাংবাদিকক উত্তৰ দিলে ক্ষুব্ধ ট্ৰাম্পে

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১২ মে' ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এখন সংবাদমেলত অংশ লোৱাৰ সময়ত সাংবাদিকৰ স'তে তৰ্কাতৰ্কিত লিপ্ত হোৱাৰ লগতে ক্ষুব্ধ ৰাষ্ট্ৰপতিয়ে হঠাতে সংবাদমেল সমাপ্ত হোৱা বুলি ঘোষণা কৰে। এছিয়া আৰু আমেৰিকাৰ সাংবাদিকৰ স'তে হোৱা বাৰ্তালাপৰ সময়ত চি বি এছ নিউজৰ মহিলা সাংবাদিক ৱেইজিয়া জিয়াঙে ট্ৰাম্পক এক প্ৰশ্ন সোধাত হঠাতে মাৰ্কিন ৰাষ্ট্ৰপতিজন ক্ষোভত ফাটি পৰে। জিয়াঙে ট্ৰাম্পক কৈছিল যে আমেৰিকাই আন দেশৰ তুলনাত কৰ'না ভাইৰাছৰ পৰীক্ষণ অধিক



সফলতাৰে সম্পন্ন কৰা বুলি মাৰ্কিন ৰাষ্ট্ৰপতিয়ে কিয় বাৰে বাৰে দাবী কৰি আহিছে? মহিলা সাংবাদিকগৰাকীয়ে লগতে ট্ৰাম্পক কৈছিল যে আমেৰিকাৰ এনে দাবীৰ পাছতো বাস্তৱত প্ৰতিদিনে কৰ'নাত আক্ৰান্ত হৈ যথেষ্টসংখ্যক নাগৰিকে জীৱন হেৰুৱাবলগীয়া হৈছে। জিয়াঙৰ এই প্ৰশ্ন শুনাৰ পাছতে খঙত অগ্নিশৰ্মা হৈ ট্ৰাম্পে কয়, 'বিশ্বৰ সকলো অঞ্চলতে কৰ'নাত মানুহৰ মৃত্যু হৈছে। আপুনি এই প্ৰশ্নটো চীনক কৰা উচিত। মোক এই প্ৰশ্ন নকৰিব, এই প্ৰশ্ন চীনক সোধক, ঠিক আছে?' জিয়াঙৰ টুইটাৰ একাউণ্টৰ তথ্য অনুসৰি তেওঁ চীনামূলৰ আমেৰিকাৰ বাসিন্দা। এইদৰে উত্তৰ দিয়াৰ পাছতে মাৰ্কিন ৰাষ্ট্ৰপতিয়ে সংবাদমেল সমাপ্ত হোৱা বুলি ঘোষণা কৰে। মাৰ্কিন ৰাষ্ট্ৰপতিৰ এনে উত্তৰক লৈ ছ'চিয়েল মিডিয়াত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে। চীন মূলীয় হোৱা হেতুকে জিয়াঙক মাৰ্কিন ৰাষ্ট্ৰপতিয়ে এইদৰে অপমান কৰা বুলিও এক অভিযোগ উত্থাপিত হৈছে। অৱশ্যে ট্ৰাম্পে টুইটাৰত প্ৰকাশ কৰা মতে, এনে প্ৰশ্ন সোধা যিকোনো ব্যক্তিকে তেওঁ জিয়াঙক দিয়া উত্তৰটোৱে দিলেহেঁতেন।

# ব্ৰিটেইনত পৰ্যায়ক্ৰমে প্ৰত্যাহাৰ কৰা হ'ব তলাবন্ধ

**নিউজ ব্যুৰ' লণ্ডন, ১২ মে' ঃ** পৰ্যায়ক্ৰমে তলাবন্ধ শিথিল কৰাৰ পদক্ষেপ গ্ৰহণ কৰিলে ব্ৰিটেইনৰ চৰকাৰে। কৰ'না ভাইৰাছত সংক্ৰমিত হোৱাৰ ফলত এতিয়ালৈকে দেশখনত ৩১,৮৫৫জন লোকৰ মৃত্যু হৈছে আৰু কমেও ২,১৯,১৮৩জন লোক এই ভাইৰাছত সংক্ৰমিত হৈছে। ব্ৰিটেইনত কৰ'নাৰ সংক্ৰমণ বৃদ্ধি অব্যাহত আছে যদিও অৱশেষত দেশত অব্যাহত ৰখা তলাবন্ধ পৰ্যায়ক্ৰমে শিথিল কৰিবলৈ সিদ্ধান্ত ল'লে ব্ৰিটিছ প্ৰধানমন্ত্ৰী ব'ৰিছ জনছনে। অৰ্থনীতি সবল কৰিবলৈ তথা দেশবাসীক সকাহ দিবলৈ ব্ৰিটিছ



চৰকাৰে পৰ্যায়ক্ৰমে তলাবন্ধ শিথিল কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি আজি জনছনে জানিবলৈ দিয়ে। কৰ'না সংক্ৰমণৰ মুঠ পাঁচটা পৰ্যায় থাকে আৰু অন্তিম পৰ্যায়টো সবাতোকৈ ভয়াৱহ হয়। আজি এই প্ৰসংগ উত্থাপন কৰি ব্ৰিটিছ প্ৰধানমন্ত্ৰীজনে কয় যে ব্ৰিটেইনত কৰ'নাৰ সংক্ৰমণে তৃতীয় পৰ্যায় অতিক্ৰম কৰি চতুৰ্থ পৰ্যায়ত অৱতীৰ্ণ হৈছে আৰু ইয়াৰ পাছত দেশখনৰ পৰিস্থিতি অধিক ভয়াৱহ হোৱাৰ শংকা আছে। এনে শংকাৰ পাছতো অৰ্থনৈতিক কাৰণত চৰকাৰে তলাবন্ধ শিথিলকৰণৰ সিদ্ধান্ত লোৱা বুলি জনছনে জানিবলৈ দিয়ে। অৱশ্যে একেবাৰতে তলাবন্ধ সম্পূৰ্ণভাৱে প্ৰত্যাহাৰ কৰা নহ'ব আৰু পৰ্যায়ক্ৰমেহে বিভিন্ন উদ্যোগ-প্ৰতিষ্ঠান আদি খোলাৰ অনুমতি দিয়া হ'ব বুলি ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে টুইটাৰৰ জৰিয়তে জানিবলৈ দিয়ে।

# ভাৰতৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হওক পাকিস্তান ঃ ইমৰানক পৰামৰ্শ পাকিস্তানী নেতাৰ

**নিউজ ব্যুৰ', ইছলামাবাদ, ১২ মে' ঃ** পাকিস্তান অধিকৃত কাশ্মীৰৰ প্ৰধানমন্ত্ৰী ৰাজা ফাৰুক হাইদৰে কাশ্মীৰ সন্দৰ্ভত প্ৰায়ে বিতৰ্কিত মন্তব্য প্ৰকাশ কৰি সংবাদ শিৰোনাম দখল কৰি আহিছে। এইবাৰ এইজন পাকিস্তানী নেতাই দেশখনৰ প্ৰধানমন্ত্ৰী ইমৰান খানক ভাৰতত আক্ৰমণ চলাবলৈ পৰামৰ্শ দিলে। পাক প্ৰধানমন্ত্ৰীক হাইদৰে অনুৰোধ জনাই কয় যে পাকিস্তানে অবিলম্বে ভাৰতৰ ওপৰত সম্পূৰ্ণ সামৰিক শক্তি প্ৰয়োগ কৰা উচিত। নিয়ন্ত্ৰণৰেখাৰ সমীপত অৱস্থিত গ্ৰাম পৰিদৰ্শন কৰি সাংবাদিকৰ আগত দিয়া এক সাক্ষাৎকাৰত পাক অধিকৃত কাশ্মীৰৰ প্ৰধানমন্ত্ৰীজনে কয়, 'প্ৰধানমন্ত্ৰী ইমৰান খানে অবিলম্বে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা উচিত। কেৱল মৌখিক আলোচনাৰে কাশ্মীৰ প্ৰসংগত একো লাভ নহ'ব। এই মুহূৰ্তত পাক প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ ওপৰত আক্ৰমণ চলাবলৈ সেনা বাহিনীক নিৰ্দেশ দিয়া উচিত। নিজৰ ভ্ৰাতৃ-ভগ্নীৰ নিৰাপত্তাৰ কথা চিন্তা কৰাটো পাক প্ৰধানমন্ত্ৰীৰ দায়িত্ব।'



# কাবুলত সন্ত্ৰাসবাদীৰ ভয়াৱহ আক্ৰমণত কমেও ২৬জন লোকৰ মৃত্যু, এজন সন্ত্ৰাসবাদী নিহত



**নিউজ ব্যুৰ', কাবুল, ১২ মে' ঃ** আফগানিস্তানৰ ৰাজধানী কাবুলত থকা এখন মেটাৰনিটি হাস্পতালত সন্ত্ৰাসবাদীয়ে চলোৱা বৃহৎ আক্ৰমণত কমেও পাঁচজন লোকৰ মৃত্যু হয়। অচিনাক্ত সন্ত্ৰাসবাদীৰ এটি দলে উক্ত চিকিৎসালয়খনত উপস্থিত হৈ অতৰ্কিতে গুলিবৰ্ষণ আৰু গ্ৰেণেড নিক্ষেপৰে এই আক্ৰমণ সংঘটিত কৰে। আনহাতে, দেশখনৰ নংগৰহাৰ প্ৰদেশত এজন ব্যক্তিৰ অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত আত্মঘাতী বোমাৰুৱে সংঘটিত কৰা আন এক আক্ৰমণত কমেও ২১জন লোকৰ মৃত্যু হয়। স্থানীয় সংবাদ মাধ্যমৰ তথ্য অনুসৰি চিকিৎসালয়ত সন্ত্ৰাসবাদীয়ে চলোৱা আক্ৰমণত নিহতসকলৰ মাজত তিনিগৰাকী মহিলা, এটি শিশু আৰু এজন আফগান নিৰাপত্তা বাহিনীৰ সদস্য আছে। সন্ত্ৰাসবাদীয়ে চলোৱা আক্ৰমণৰ সময়ত চিকিৎসালয়খনত চিকিৎসক, স্বাস্থ্যকৰ্মী আৰু ৰোগীসহ কমেও ১৪০জন লোক উপস্থিত আছিল। প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰা অনুসৰি পশ্চিম কাবুলত থকা চিকিৎসালয়খনত তিনিজন বন্দুকধাৰীয়ে প্ৰৱেশ কৰি প্ৰথমে গুলিবৰ্ষণ আৰু তাৰ পাছত গ্ৰেণেড নিক্ষেপ কৰিছিল। নিৰাপত্তাৰক্ষীৰ গুলিত এজন সন্ত্ৰাসবাদী নিহত হয় যদিও আন দুজনৰ স'তে এই বাতৰি যুগুত কৰাৰ সময়লৈকে নিৰাপত্তা বাহিনীৰ সংঘৰ্ষ অব্যাহত আছে।

# মহামাৰীৰে যুঁজত ব্যস্ত আৰক্ষীক নিজে ৰান্ধি আহাৰ যোগান জনপ্ৰিয় গায়িকা-নৰ্তকী স্বপ্নাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ মে' ঃ** হাৰিয়ানাৰ জনপ্ৰিয় গায়িকা-নৰ্তকী স্বপ্না চৌধুৰী সম্প্ৰতি ব্যস্ত আৰক্ষীৰ বাবে খাদ্য প্ৰস্তুত কৰাত। কৰ'না মহামাৰীৰ বিৰুদ্ধে অহৰহ যুঁজত ব্যস্ত থকা দিল্লী আৰক্ষীৰ বাবে খাদ্য তৈয়াৰ কৰিছে এইগৰাকী গায়িকা-নৰ্তকীয়ে। নিজৰ পৰিয়াল, বন্ধুবৰ্গ আদিৰ পৰা দীৰ্ঘদিন ধৰি আঁতৰি থাকি আৰক্ষীয়ে কৰ'নাৰ বিৰুদ্ধে যুঁজ দিছে। এইসকল আৰক্ষী বিষয়া-কৰ্মীক দুবেলা দুসাঁজ সুস্বাদু আহাৰ যোগান ধৰাৰ দায়িত্ব গ্ৰহণ কৰিলে স্বপ্নাই। 'বিগ বছ'ৰ প্ৰাক্তন প্ৰতিযোগী স্বপ্নাই তেওঁৰ টুইটাৰ হেণ্ডেলত শেহতীয়াভাৱে এক ভিডিঅ' প'ষ্ট কৰিছে। এই ভিডিঅ'ত জনপ্ৰিয় গায়িকা-নৰ্তকীগৰাকীক শাক-পাচলি কাটি ৰন্ধা-বঢ়াত ব্যস্ত থকা প্ৰত্যক্ষ হৈছে। স্বপ্নাই ছ'চিয়েল মিডিয়াৰ জৰিয়তে প্ৰকাশ কৰা মতে, সম্প্ৰতি তেওঁ দিল্লীৰ নজফগড় আৰক্ষীৰ বাবে খাদ্য প্ৰস্তুত কৰাত ব্যস্ত আছে। আৰক্ষীৰ বাবে স্বপ্নাই পুৰী-তৰকাৰী তৈয়াৰ কৰি যোগান ধৰিছে। এই কাৰ্যৰ লগতে কণ্ঠশিল্পীগৰাকীয়ে ক'ভিড-১৯ বিৰোধী যুঁজৰ বাবে অৰ্থ সংগ্ৰহৰ কামতো জড়িত হৈছে বুলিও ছ'চিয়েল মিডিয়াৰ জৰিয়তে জানিবলৈ দিয়ে।



## চাংসাৰিৰ আলু গুদামৰ স’তে সংযোগ

*তিনি পৃষ্ঠাৰ পৰা* চিকিৎসা গ্ৰহণ কৰিছিল। তেওঁলোকে এসপ্তাহৰ পূৰ্বে মংৰু গুদামলৈ অহা কথা অস্বীকাৰ কৰিছে। আনহাতে, গুদামটোত দৈনিক প্ৰায় এশ কৰ্মচাৰী নিয়োজিত হৈ আছে। গুদাম ছীল হোৱাৰ বাবে লোকচানৰ ভৰ তথা কৰ্মহীন হোৱাৰ ভয়তে কৰ্মচাৰীয়ে মিছা মতাৰ আশংকা ব্যক্ত কৰিছে আৰক্ষী আৰু স্বাস্থ্য বিভাগে। ইফালে, দণ্ডাধীশজনে ৰোগীৰ ভাষ্য অনুসৰি তদন্ত প্ৰক্ৰিয়া আগবাঢ়ি যাব বুলি উল্লেখ কৰি কৰ্মচাৰীসকলে দিয়া তথ্য মিছা হ’লে শাস্তি ভুগিব লাগিব বুলি সতৰ্ক কৰি দিয়ে।

## কৰ’নাৰ বিৰুদ্ধে যুঁজত জয়ী হ’বলৈ

*তিনি পৃষ্ঠাৰ পৰা* তেন্তে এই যুঁজত কৰ’না জয়ী হ’ব আৰু আমি পৰাজিত হ’ম। চৰকাৰীভাৱেও যদি কৰ’নাৰ বিৰুদ্ধে চলোৱা যুঁজ সঠিকভাৱে পৰিচালিত নহয় তেন্তে অৱস্থা আৰু অধিক ভয়াবহ হ’ব।’ এই ভাষ্য কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নব কুমাৰ শৰণীয়াৰ। তেওঁ আজি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰ আৰু বল্লমগুৰিত উপস্থিত হৈ কৰ’নাৰ বিৰুদ্ধে মহকুমা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থা পৰিদৰ্শন কৰি নিজৰ মনোভাৱ ব্যক্ত কৰি আৰু কয় যে এতিয়া অভিযোগ-প্ৰতিঅভিযোগ কৰাৰ সময় নহয়। আমি সকলোৰে মিলি এই ভাইৰাছ ক’ভিড-১৯ৰ সংহাৰৰ বিৰুদ্ধে যুঁজ দিব লাগিব। চৰকাৰে গ্ৰহণ কৰা পদক্ষেপত ত্ৰুটি-বিচ্যুতি থকাটো স্বাভাৱিক কিন্তু তাৰ সমালোচনা নকৰি ইতিবাচক মনোভাৱেৰে প্ৰশাসনৰ লগত সহযোগিতা কৰি মানৱ জাতিৰ বাবে এই সংকটকালত জাতি-ধৰ্ম-নিৰ্বিশেষে তথা ৰাজনীতিৰ উৰ্ধ্বত উঠি ঐক্যবদ্ধ প্ৰয়াসৰ পোষকতা কৰে সাংসদ শৰণীয়াই। তেওঁ আজি প্ৰথমে শ্ৰীৰামপুৰত স্থাপন কৰা অস্থায়ী নিৰীক্ষণ কেন্দ্ৰত উপস্থিত হৈ ব্যৱস্থাদি পৰিদৰ্শন কৰি কিছু ক্ষেত্ৰত তেওঁ নিজৰ অসন্তুষ্টিৰ কথা সাংবাদিকৰ আগত প্ৰকাশ কৰে। বহিঃৰাজ্যৰ পৰা অহাসকলৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা শ্ৰীৰামপুৰৰ পৰা স্থানান্তৰিত কৰি কোকৰাঝাৰলৈ নিয়াত তেওঁ আশ্চৰ্য প্ৰকাশ কৰি কয় যে অসমৰ দুৱাৰমুখত যদি স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা নাথাকে তেন্তে ইয়াৰ পৰা স্বাস্থ্য পৰীক্ষা অবিহনে অসমত প্ৰৱেশ কৰা লোকৰ পৰা যিকোনো মুহূৰ্তত ভয়ংকৰ সংক্ৰমণ ঘটাৰ আশংকা আছে। তদুপৰি শ্ৰীৰামপুৰ সীমান্ত পাৰ হৈ গোপনে বহুতে অসমলৈ প্ৰৱেশ কৰি আছে বুলি তেওঁৰ হাতত খবৰ আছে বুলি কয়। এনেকৈ চলি থাকিলে সামূহিক সংক্ৰমণ ঘটাৰো আশংকা ব্যক্ত কৰে সাংসদজনে। শ্ৰীৰামপুৰত বহিঃৰাজ্যৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ আহিবলগীয়া লাখ লাখ লোকৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি নেদেখি তেওঁ হতাশা প্ৰকাশ কৰি এই ক্ষেত্ৰত তেওঁ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বুলি কয়। শ্ৰীৰামপুৰত বহুতো অভাৱ থকা বুলি অভিযোগৰ সত্যতা নিজ চকুৰে প্ৰত্যক্ষ কৰাৰ পাছত কোকৰাঝাৰ জিলাৰ প্ৰথম আৰু একমাত্ৰ ক’ভিড-১৯ ভাইৰাছ আক্ৰান্ত যুৱক আছান আলী শ্বেখৰ গৃহত গৈ তেওঁৰ মাতৃ আৰু পৰিয়ালৰ আন সদস্যসকলক সান্ত্বনা দি ধৈৰ্য ধৰি আছানৰ সুস্থ হোৱালৈকে অপেক্ষা কৰাৰ বাবে আহ্বান জনায়। লগতে কৰ’নাৰ পৰা ৰক্ষা পাবলৈ প্ৰয়োজনীয় নীতি-নিয়ম মানি চলাৰ বাবে পৰামৰ্শ দিয়ে। তাৰ পৰা তেওঁ আছান যিখন কোৱাৰেণ্টাইন চেণ্টাৰৰ পৰা কৰ’নাত আক্ৰান্ত হৈছিল তাত গৈ উপস্থিত হয়। বল্লমগুৰি গাঁৱত অৱস্থিত কোৱাৰেণ্টাইন চেণ্টাৰত উপস্থিত হৈ তাত থকা লোকৰ অৱস্থা প্ৰত্যক্ষ কৰি আৰু তাত আবদ্ধ লোকসকলৰ মৰ্মবেদনা শুনি তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰি কয় যে এনেকৈ চলি থাকিলে কৰ’নাৰ বিৰুদ্ধে আমি চলাই থকা যুঁজখন নিশ্চিতভাৱে আমি হাৰি যাম আৰু কৰ’নাই জিকি যাব। উক্ত চেণ্টাৰৰ দৰেই যদি কোৱাৰেণ্টাইন চেণ্টাৰবিলাক চলিছে তেন্তে কৰ’না ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰাটো কোনো প্ৰকাৰে সম্ভৱ নহ’ব, বৰঞ্চ এয়া এক গণ সংক্ৰমণৰ ৰূপ ল’ব বুলি তেওঁ আশংকা প্ৰকাশ কৰে। তেওঁ জনোৱা মতে, বল্লমগুৰি আই টি আই গৃহত বৰ্তমানে ১৫৬ গৰাকী লোক কোৱাৰেণ্টাইনত আছে যদিও এইসকল লোকে একেটা কোঠাত সামাজিক দূৰত্ব বৰ্তাই নাৰাখিয়ে জুম বান্ধি থকাত এইসকল লোকৰ মাজৰ পৰা কোনোবাই যদি ক’ভিড-১৯ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হয় তেন্তে সামূহিক সংক্ৰমণ ঘটাৰ পৰা কোনেও ৰক্ষা নাপায়। সাংসদ শৰণীয়াই কেন্দ্ৰটোত উপস্থিত হৈ তাত আৰক্ষীৰ বাহিৰে আন কাকো দেখা পোৱা নাই বুলিও কয়। স্বাস্থ্যকৰ্মী তথা প্ৰশাসনিক কোনো বিষয়া-কৰ্মচাৰীৰ উপস্থিতি নেদেখি তেওঁ ফোনযোগে উক্ত কোৱাৰেণ্টাইন চেণ্টাৰৰ দায়িত্বত থকা কচুগাঁও ব্লক স্বাস্থ্য বিষয়াৰ স’তে বাৰ্তালাপ কৰি ক্ষোভ উজাৰে। ইপিনে, কেন্দ্ৰটোত ১৪দিনৰ ঠাইত ২৫-৩০ দিন অতিক্ৰম কৰা লোকসকলে সাংসদজনৰ আগত মহকুমা প্ৰশাসন তথা স্বাস্থ্য বিভাগৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি সুস্থ অৱস্থাত ইমানদিনে আবদ্ধ হৈ থকাসকলক মুকলি কৰি দিবলৈ দাবী জনায়। উক্ত কোৱাৰেণ্টাইন কেন্দ্ৰটোত নিয়মিত স্বাস্থ্য পৰীক্ষা নকৰা, কেন্দ্ৰটো পৰিষ্কাৰ-পৰিচ্ছন্ন নকৰা তথা খাদ্যৰ মান অতি নিম্নমানৰ বুলি অভিযোগ কৰিছে আবদ্ধ হৈ থকাসকলে। সকলো শুনি বিষয়টো লৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ স’তে আলোচনা কৰাৰ আশ্বাস প্ৰদান কৰে সাংসদ শৰণীয়াই। তদুপৰি তেওঁ আজি গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্ত তথা বি টি চিৰ যমদুৱাৰ সমষ্টিৰ অন্তৰ্গত পলাশগুৰি গাঁৱত উপস্থিত হৈ ধুমুহাত সৰ্বস্ব হেৰুওৱা পৰিয়ালকেইটাৰ লগ লাগি অৱস্থাৰ বুজ লয়।

## মৰিকলং বিল পুতি দালান নিৰ্মাণ

*তিনি পৃষ্ঠাৰ পৰা* বুকুৰ পৰা। স্মৰ্তব্য যে ২৫ বছৰৰ পূৰ্বে এটা বাছ আস্থান আৰু একাধিক পথৰ বাবেই বিলখনৰ কিছু জল অঞ্চল চৰকাৰী নিৰ্দেশনা অনুসৰি পোতা হৈছিল। বাছ আস্থানটো বহাবৰ বাবেই বিলৰ প্ৰায় পাঁচ বিঘা চাৰি কঠা দহ লেচা মাটি পুতি পেলোৱা হয় সম্পূৰ্ণ চৰকাৰী আদেশত। তাৰ পাছৰে পৰা মৰিকলং পথৰ দিশৰ পৰা আৰু অধিকাংশ কছলুখোৱা দিশৰ পৰা বিভিন্নজন বেদখলকাৰীয়ে মৰিকলং বিলৰ মাটি পুতি সাধাৰণ ঘৰৰ পৰা আৰম্ভ কৰি ব্যৱসায়িক প্ৰতিষ্ঠান, জাৰ্চি গৰুৰ ফাৰ্ম, ব্ৰয়লাৰ ফাৰ্ম, বৃহৎ বৃহৎ কে’বাটাও দালান, বিভিন্ন ধৰ্মীয় অনুষ্ঠানলৈকে সম্পূৰ্ণ অবৈধভাৱে নিৰ্মাণ কৰিবলৈ ধৰে। ঠিক সেইদৰে, বেঙেনাআটী, ছোটেহয়বৰ, ধেপাজান, শিয়ালেখোৰা, বৰঘাট, পাখিমৰীয়া আদি অঞ্চলতো বহু বেদখলকাৰীয়ে জধে-মধে বিলৰ মাটি অবাধ হাৰত বেদখল কৰি নিৰ্মাণ কৰি গৈছে এটাৰ পাছত এটাকৈ বিভিন্ন প্ৰকাৰৰ বাসগৃহ, ব্যৱসায়িক প্ৰতিষ্ঠান আদি। বাঁহৰ ঘৰৰ উপৰি পকী ঘৰ, বিয়াগোম ফাউণ্ডেচনৰে আট্টালিকা পৰ্যন্ত অবৈধভাৱে নিৰ্মাণ কৰা হৈছে বিলৰ মাটিতে। কছলুখোৱাৰ নিচেই কাষতে এটা স্থানত একোটা বৃহৎ অট্টালিকাৰ পাছৰ অংশই বিলৰ মাজভাগ পৰ্যন্ত সামৰি লৈছে। তাৰ সমান্তৰালভাৱে আন আন একাংশ ঘৰৰ সীমাৰ ইটা আৰু শিলৰ ব’ল্ডাৰেৰে গঠিত’ৱাল দিনক দিনে বিলৰ মাজভাগলৈকে আগুৱাই গৈ আছে। তাৰ উপৰি ঠায়ে ঠায়ে বৰ্তমান কে’টামান ব্যৱসায়িক প্ৰতিষ্ঠান আৰু দালানৰ কাম পূৰ্ণ গতিত চলি আছে মৰিকলং বিলৰ বাৰত। তথাপি সদৰ ৰাজহ চক্ৰ বিষয়াৰ লগতে জিলা প্ৰশাসন চকু মুদা কুলিৰ ভাও ধৰি হাত সাবটি বহি আছে। ঐতিহাসিক মৰিকলং বিলৰ ওপৰত এই অবাধ হাৰত হৈ থকা বেদখল সন্দৰ্ভত স্থানীয় বাসিন্দাসকলৰ মৌনতাই বেদখলকাৰীৰ দৌৰাত্ম্য দুগুণ বৃদ্ধি কৰিছে। উল্লেখ্য যে বিগত ২০০০ আৰু ২০১৮ত বৃহত্তৰ মৰিকলং অঞ্চলৰ স্থানীয় এক প্ৰকৃতিপ্ৰেমী যুৱ সংগঠনে মৰিকলং বিলত অব্যাহত থকা অবাধ বেদখলৰ সন্দৰ্ভত প্ৰতিবাদ কৰি বিলখনক বেদখলকাৰীৰ কবলৰ পৰা উদ্ধাৰৰ বাবে জিলা উপায়ুক্তক বহু আবেদন নিবেদনো কৰিছিল। কিন্তু, তেওঁলোকে জিলা প্ৰশাসন-চৰকাৰ তথা স্থানীয় ৰাইজৰ কোনো বিশেষ সঁহাৰি নাপালে। তথাপি বৰ্তমানেও সমাজ তথা পৰিৱেশ সচেতনযুৱ সংগঠনৰ দায়িত্বৰত যুৱক সকলে মৰিকলং বিলক বেদখল মুক্ত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। তাৎপৰ্যপূৰ্ণ বিষয় এই যে বিলখনৰ কছলুখোৱা, বেঙেনাআটী, ধেপাজান, ছোটেহয়বৰ, শিয়ালেখোলা, পাখিমৰীয়া আদিত বিলৰ পাৰৰ বসতি অঞ্চলৰ শ শ ঘৰৰ কেঁচা শৌচালয়ৰ বাবেও বিলৰ বৰ্তমান পৰিৱেশ বহু পৰিমানে দূষিত হৈ পৰিছে। যাৰ ফলত বিলৰ হেজাৰ হেজাৰ মাছ-পুঠি দূষিত পানীৰ বাবে মাজে মাজে মৃত্যুবৰণ কৰি পানীত ওপঙি থকা দেখা যায়। পূৰ্বতে মৰিকলং বিলৰ মাছ বুলিলে চহৰে-নগৰে মানুহৰ সোঁত ববলৈ ধৰিছিল মৰিকলং বিললৈ মাছ নিবলৈ বুলি। আনহাতে, কিছু বছৰৰ আগলৈকে মৰিকলং বিলত বৰশী বাবলৈ দূৰ-দূৰণিৰ পৰা ৰাইজ আহিছিল। কেনোজন লোকৰ বৰশীত দুই-তিনি কেজিৰ পৰা আঠ-দহ কেজি পৰ্যন্ত ওজনৰ মাছ উঠিছিল। নগাঁও চহৰৰ বহু সম্ভ্ৰান্ত পৰিয়ালৰ চৰকাৰী উচ্চপদস্থ আমোলা-বিষয়া, অৱসৰপ্ৰাপ্ত বিষয়া-শিক্ষক-কৰ্মচাৰী, ব্যৱসায়ী, চৰকাৰী চাকৰিয়ালৰ স্বামী-স্ত্ৰী দুয়ো অফিচ-কাছাৰী বন্ধৰ দিনত মৰিকলং বিলৰ গাতে লাগি থকা নগাঁও বন বিভাগৰ অধীনস্থ সামাজিক বনানীকৰণৰ সৰু পাৰ্কখনৰ যন্ত্ৰচালিত বৰশীৰে মাছ ধৰি আনন্দত বিভোৰ হৈ পৰিছিল। আজি সেই সকলোবোৰ দৃশ্য এক নষ্টালজিয়াত পৰিণত হ’ল। সময়ৰ বোঁৱতী সোঁতত তাহানিৰ কলং নৈৰ লগত সংলগ্ন হৈ থকা এটি সুঁতি ১৯৫০ৰ বৰভূঁইকঁপত এবাসুঁতিত পৰিণত হৈছিল। তেতিয়াৰে পৰা পূৰ্বৰ কলং নৈৰ এই সুঁতিয়ে মৰিকলঙলৈ ৰূপ লয়। মৰিকলং আজি অস্তিত্বৰ সংকটত। বিলখনত হোৱা বেদখল প্ৰশাসনক দেখুৱাই দিলেও একো নেদেখাৰ ভাও ধৰাহে পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত স্থানীয় পুৰণি বাসিন্দাসকলৰ নীৰৱ স্থিতিয়ে নতুন নতুন বেদখলকাৰী আৰু অধিক সাহস যোগোৱা বুলি মন্তব্য কৰিছে স্থানীয় সচেতন লোকে। এনে অৱস্থাত নগাঁও জিলা প্ৰশাসন, সদৰ ৰাজহ চক্ৰ বিষয়াই কোনো বিশেষ কাৰ্যকৰী ব্যৱস্থা হাতত নল’লে অতি সোনকালে ঐতিহাসিক মৰিকলং বিল আৱাসিক অঞ্চললৈ পৰ্যৱসিত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। স্মৰ্তব্য যে মৰিকলং বিলত বেদখল কৰা লোকসকল কোনো ভূমিহীন দৰিদ্ৰ বেদখলকাৰী নহয়। এই বেদখলকাৰীসকলৰ অধিকাংশই অৰ্থবান সম্ভ্ৰান্ত পৰিয়ালৰ লোক। যাৰ বাবে প্ৰশাসনেও তেওঁলোকৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। ঠিক একেদৰে, নগাঁও চহৰৰ পাৰ্শ্ববৰ্তী পোতা কলং আৰু মাহৰোল বিলৰ ভূমিতো অবাধ বেদখল অব্যাহত আছে। ১৫ হেক্টৰ জল অঞ্চলৰ মাহৰোল বিলৰ প্ৰায় চাৰি হেক্টৰ মাটিতেই বেদখল হোৱা পৰিলক্ষিত হৈছে।

## গঁড় নিধনত জড়িত চোৰাং চিকাৰীক

*তিনি পৃষ্ঠাৰ পৰা* কৰা আৰু চোৰাং চিকাৰ ৰোধ কৰাৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনৰ সীমান্তৱৰ্তী গোলাঘাট, নগাঁও, শোণিতপুৰ, বিশ্বনাথ আৰু কাৰ্বি আংলং জিলা প্ৰশাসন আৰু বন বিভাগৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ বাবে আজি কাজিৰঙাস্থিত আয়োৱা ৰিজৰ্টৰ সভাগৃহত অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। আনহাতে কিছুদিন পূৰ্বে ৰাষ্ট্ৰীয় উদ্যানখনত এটা গঁড় চোৰাং চিকাৰীৰ হাতত নিহত হোৱা বিষয়টো উত্থাপন কৰি শীঘ্ৰে চোৰাং চিকাৰীক কৰায়ত্ব কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল’বলৈও মুখ্যমন্ত্ৰী সোণোৱালে আৰক্ষী আৰু বন বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে বিগত সময়ছোৱাত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপৰ বাবে ৰাজ্যত গঁড় হত্যা উল্লেখনীয়ভাৱে হ্ৰাস পাইছে। অসম চৰকাৰৰ অনুৰোধ মৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে গঠন কৰা ফাষ্ট ট্ৰেক কোৰ্টে ইতিমধ্যে কেইবাগৰাকীও চোৰাং চিকাৰীক দোষী সাব্যস্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰিছে। ইয়াৰ ফলত চোৰাং চিকাৰীসকলৰ মনতো সংশয়ৰ ভাৱ সৃষ্টি হৈছে। আগন্তুক সময়ছোৱাতো এই পদক্ষেপ সমূহ অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া অঞ্চলৰ গাঁওবুঢ়া, চাহ বাগিচাৰ চৰ্দাৰ আৰু সামাজিকভাৱে সক্ৰিয় ব্যক্তিসকলক বন্যপ্ৰাণী সুৰক্ষাৰ প্ৰচেষ্টাত জড়িত কৰি আগবাঢ়িবলৈ মুখ্যমন্ত্ৰীয়ে সোণোৱালে নিৰ্দেশ দিয়ে।

বন্যপ্ৰাণী সমূহৰ স্বাস্থ্য যতনৰ প্ৰতি লক্ষ্য ৰাখি আৰু এই দিশত অধিক সুবিধা হোৱাকৈ পশু পালন বিভাগৰ চিকিৎসক আৰু কৰ্মচাৰীৰ লগতে বন বিভাগৰ কৰ্মচাৰীক উপযুক্ত প্ৰশিক্ষণেৰে কৌশলী কৰি তুলিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বন বিভাগৰ অন্তৰ্গত খালী হৈ থকা সকলোবোৰ পদ শীঘ্ৰে পূৰণৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বন বিভাগে বন্যপ্ৰাণী সুৰক্ষাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ সম্পৰ্কে জনসাধাৰণ যাতে অৱগত হয় তাৰ বাবে বিভাগটোৱে কাৰ্যব্যৱস্থা হাতত ল’ব লাগিব। বিগত সময়ছোৱাত ৰাষ্ট্ৰীয় উদ্যানখনত গঢ়ি তোলা টা হাইলেণ্ডে জীৱ-জন্তু সমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত কেনে ভূমিকা গ্ৰহণ কৰিছে তথা বানপানীৰ সময়ছোৱাত এই হাইলেণ্ড সমূহত কিমান সংখ্যক জীৱ-জন্তুৱে আশ্ৰয় লৈছে সেই দিশত জৰীপ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে পদক্ষেপ ল’বলৈ কয়। তদুপৰি বানপানীৰ সময়ত ৰাষ্ট্ৰীয় উদ্যানখনৰ হাইলেণ্ডত আৱদ্ধ হৈ থকা বন্যপ্ৰাণী সমূহক প্ৰয়োজনীয় খাদ্য সামগ্ৰী যোগানৰ নিশ্চিত পদক্ষেপ ল’বলৈও ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

সম্প্ৰতি ৰাজ্যখনত দেখা দিয়া আফ্ৰিকান ছোৱাইন জ্বৰৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া অঞ্চলৰ পোহনীয়া গাহৰি যাতে বনৰীয়া গাহৰিৰ সংমিশ্ৰণলৈ আহিব নোৱাৰে তথা পোহনীয়া গাহৰি সমূহৰ চলাচল যাতে নিয়ন্ত্ৰিত হয় তাৰ বাবে পদক্ষেপ ল’বলৈ মুখ্যমন্ত্ৰী সোণোৱালে আটাইকেইখন জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

কৰ’না ভাইৰাছ সংক্ৰমণৰ ফলস্বৰূপে পৰ্যটন খণ্ডটো ব্যাপক লোকচানৰ সন্মুখীন হোৱা প্ৰসংগ উত্থাপন কৰি এই খণ্ডৰ সৈতে জড়িত ব্যক্তিসকলক সকাহ দিয়াৰ বাবে সুপৰিকল্পিত প্ৰচেষ্টাৰে আগবাঢ়িবলৈও মুখ্যমন্ত্ৰী সোণোৱালে কয়। তদুপৰি তলাবন্ধৰ ফলস্বৰূপে অভয়াৰণ্যখনৰ সৈতে জড়িত জীপ আৰু হাতী চাফাৰীৰ অপাৰেটৰ সকলে সন্মুখীন হোৱা লোকচানৰ প্ৰতি লক্ষ্য ৰাখি কাজিৰঙা ফাউণ্ডেশ্যনে প্ৰদান কৰা আৰ্থিক সাহায্য তেওঁলোকৰ মাজত বিতৰণ কৰে। তদুপৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰতিটো ৰেঞ্জলৈ যোগান ধৰা থাৰ্মেল স্কেনাৰ মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালকৰ হাতত প্ৰদান কৰে।

বৈঠকত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক পি শিৱ কুমাৰে মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে যে বিগত বৰ্ষত ৰাষ্ট্ৰীয় উদ্যানখনত তিনিটা গঁড় নিধন হোৱাৰ বিপৰীতে চলিত বৰ্ষত এটা গঁড় চোৰাং চিকাৰীৰ হাতত নিধন হৈছে। আগন্তুক বানপানীৰ সময়ছোৱাত বন্যপ্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে, ভুভুঞ্জ খন নাও, ৰজ্জু খন স্পীড বোট আৰু ভাসমান কেম্প সাজু কৰি তোলা হৈছে।

বৈঠকত বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, কৃষি মন্ত্ৰী অতুল বৰা, জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক বিমল বৰা আৰু অশোক শৰ্মা, গোলাঘাট, নগাঁও, শোণিতপুৰ, বিশ্বনাথ আৰু কাৰ্বি আংলং জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু বন সংমণ্ডল বিষয়াসকলৰ লগতে বন বিভাগৰ মুখ্য বন সংৰক্ষককে ধৰি আৰক্ষী আৰু অসামৰিক প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

উল্লেখ্য যে তলাবন্ধৰ সময়ছোৱাত ৰাজ্যত সংঘটিত দুৰ্নীতিৰ সন্দৰ্ভত সাংবাদিকে শুধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীজনে তদন্ত আৰম্ভ কৰা বুলি উল্লেখ কৰি দোষীসকল হাৰি যাব নোৱাৰিব বুলি কয়।

## হাওৰাঘাটত কটকটীয়া সান্ধ্য

*তিনি পৃষ্ঠাৰ পৰা* দায়িত্বজ্ঞানহীন কাণ্ড সংঘটিত কৰিছে। সান্ধ্য আইন নামানি যোৱা নিশা প্ৰায় এক বজাত হাওৰাঘাট নগৰৰ কাষেদি বৈ যোৱা যমুনা নদীত মৎস্য চিকাৰ কৰে শতাধিক লোকে। সান্ধ্য আইন পালনৰ নামত তেওঁলোকৰ এনে দায়িত্বহীন কৰ্মকাণ্ডই সমগ্ৰ অঞ্চলটোলৈ যে ভয়ংকৰ বিপদ কঢ়িয়াই আনিব পাৰে তাত কোনো সন্দেহ নাই।

## অদ্ভুত আকৃতিৰ ছাগলী পোৱালি

*তিনি পৃষ্ঠাৰ পৰা* কৰিবলৈ অহা দৰ্শনাৰ্থীৰ মনত বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰা পৰিলক্ষিত হৈছে। আজি ধলাইবিলৰ নাহৰজানত এজোপা আঁহত গছৰ তলত জন্ম লাভ কৰা এই ছাগলী পোৱালিটোৰ মুখৰ অৱয়ব এটা গঁড়ৰ দৰে বুলি ক’ব খোজে দৰ্শনাৰ্থীসকলে। উল্লেখ্য যে আজি দিনৰ ১১ মান বজাত এজনী ছাগলীয়ে তিনিটাকৈ পোৱালি জন্ম দিয়ে যদিও দুটা পোৱালি সম্পূৰ্ণ সুস্থ হোৱাৰ বিপৰীতে আনটো পোৱালি মৃত অৱস্থাত গঁড়ৰ আকৃতিৰে জন্ম হয়। গাত নোম নথকা পোৱালিটোৰ নাই চকু। ঠিক গঁড় এটাত থকা খৰ্গৰ স্থানতে পোৱালিটোৰো আছে সৰুকৈ এটা অংগ। এই অদ্ভুত ছাগলী পোৱালিটোৰ জন্মৰ খবৰ বিয়পি পৰাৰ লগে লগে বিভিন্নজন লোকৰ সোঁত বোৱা পৰিলক্ষিত হৈছে। অৱশ্যে এই ঘটনাক একাংশ লোকে অস্বাভাৱিক বুলি ক’লেও আন একাংশই গৰ্ভস্থানত ঘটা কেতবোৰ বিসংগতিৰ কাৰণেই ছাগলী পোৱালিটো এনে আকৃতিৰে জন্ম হয় বুলি মন্তব্য কৰিছে।

## বড়োলেণ্ড আন্দোলনৰ প্ৰথম

*তিনি পৃষ্ঠাৰ পৰা* চলাইছিল। উক্ত আন্দোলনৰ আঁত ধৰি ১৯৮৮ৰ আজিৰ দিনটোত আৰক্ষী প্ৰশাসনে চৰাইবিলৰ যমদুৱাৰ অঞ্চলৰ একাংশ নিৰীহ যুৱকক বলপূৰ্বকভাৱে আটক কৰি লৈ যোৱাৰ সময়তে গাইদে বসুমতাৰী আৰু হেলেনা বসুমতাৰীয়ে অসংখ্য মহিলাক লৈ সন্মুখৰ পৰা আৰক্ষীক বাধা প্ৰদান কৰিছিল। তেতিয়া আৰক্ষীৰ গুলিচালনাত গাইদে বসুমতাৰীৰ ঘটনাস্থলীতে মৃত্যু হোৱাৰ লগতে আৰক্ষীৰ গুলিত গুৰুতৰভাৱে আহত হোৱা হেলেনা বসুমতাৰীক চিকিৎসালয়লৈ লৈ যোৱাৰ সময়তে মৃত্যু হয়। ইপিনে, মাতৃক হেৰুৱাই গাইদেৰ তিনিমহীয়া কন্যা ৰাম্ভা বসুমাতৰীৰো কিছুদিন পাছতেই মৃত্যু হয়। তেতিয়াৰ পৰাই গাইদে আৰু হেলেনাক বড়োলেণ্ড আন্দোলনৰ প্ৰথম মহিলা ছহিদ বুলি ঘোষণা কৰা হয়। তেওঁলোকৰ স্মৃতিত প্ৰতি বছৰে আজিৰ দিনটো মাতৃ দিৱস হিচাপে পালন কৰা হয়। তেওঁলোকৰ দৰে বড়ো জনগোষ্ঠীৰ অসংখ্য বীৰ-বিৰাংগনাৰ বলিদানৰ ফলত আজি বি টি চি গঠন হৈছে। এনে বীৰসকল বড়ো জনগোষ্ঠীৰ প্ৰতিগৰাকী লোকৰ আত্মাত চিৰস্মৰণীয় হৈ থাকিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত যুৱ ইউ পি পি এলৰ কেন্দ্ৰীয় সভাপতি সোমনাথ নাৰ্জাৰী, বড়ো সাহিত্যিক ভৱানী বাগলাৰী, কচুগাঁও আঞ্চলিক এবছুৰ সভাপতি অচিন্ত নাৰ্জাৰী আৰু এবছুৰ কেন্দ্ৰীয় সম্পাদিকা ৰংগীনা বৰগয়াৰীসহ কে’বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## দক্ষিণ বৰপেটা-নগৰবেৰাত

*তিনি পৃষ্ঠাৰ পৰা* আছিল। শৰীৰৰ ঘাম মাটিত পেলাই বিঘাই বিঘা আহু খেতি কৰি পৰ্যাপ্ত উৎপাদন নাপাই হাহাকাৰ কৰিছিল কৃষকসকল। বিঘাই প্ৰতি তিনিৰ পৰা পাঁচ মোন ধান উৎপাদন হোৱা আহু খেতিৰে স্বাৱলম্বী হ’ব পৰা নাছিল। সমগ্ৰ দক্ষিণ বৰপেটা অঞ্চলত বছৰৰ প্ৰায় ১২ মাহেই দুৰ্ভিক্ষ দেখা গৈছিল। যাৰ বাবে সমাজত হিংসা বিদ্বেষ, অসামাজিক কাম-কাজ বৃদ্ধি পাইছে। কিন্তু সময়ৰ পৰিৱৰ্তন অৱধাৰিত। অৰ্থাৎ অভাৱেই আৱিষ্কাৰৰ মূল বুলি কোৱা কথাটো আজি ফলিয়াইছে দক্ষিণ বৰপেটাত। অভাৱ-অনাটনত চলা দক্ষিণ বৰপেটাৰ দুই-চাৰিজন কৃষকে পৰীক্ষামূলকভাৱে আৰম্ভ কৰা ইৰি ধানৰ খেতি কৰি ব্যাপক লাভৰ মুখ দেখাৰ পাছত বিগত প্ৰায় ১০ বছৰে অঞ্চলটোত ব্যাপক হাৰত কৰি আছে ইৰি ধানৰ খেতি। বিভিন্ন প্ৰজাতিৰ ইৰি ধান খেতি কৰি বিঘাই প্ৰতি উৎপাদন পাইছে ২০ৰ পৰা ৩০ মোনলৈকে। তদুপৰি এসময়ত দক্ষিণ বৰপেটাৰ চহৰাঞ্চলত অনাদৃত হৈ থকা খাল, বিল, দ মাটি আজিৰ তাৰিখত অধিক মূল্যৱান হৈ পৰিছে একমাত্ৰ ইৰি ধানৰ খেতিৰ বাবেই। দক্ষিণ বৰপেটাৰ হেজাৰ হেজাৰ বিঘা মাটিত ইৰি ধানৰ খেতি কেৱল সফল হোৱাই নহয়, বৃহত্তৰ অঞ্চলটোত এক নতুন অৰ্থনৈতিক বিপ্লৱৰ সূচনাও কৰিছে। ইপিনে, নগৰবেৰা ৰাজহ চক্ৰৰ অন্তৰ্গত অধিকাংশ অঞ্চলতো আজি ইৰি ধানৰ খেতিয়েই অন্যতম প্ৰধান খেতি হিচাপে বিবেচিত হৈছে। দক্ষিণ বৰপেটা আৰু বৃহত্তৰ নগৰবেৰাৰ ইৰি ধান খেতিৰ সেউজ দৃশ্য চাই প্ৰাণ খুলি হাঁহিব পাৰিছে কৃষকসকলে। চৰকাৰী সহযোগিতাই এই খেতিক অধিক লাভজনক কৰিব পাৰে বুলি ব্যক্ত কৰিছে একাংশ কৃষকে।

## ঢালিগাঁৱত চলন্ত ৰেলৰ পৰা

*তিনি পৃষ্ঠাৰ পৰা* চলন্ত ৰেলৰ পৰা তেল চুৰি কৰোতে এই পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি অভিযোগ উঠিছে। চিৰাং জিলা আৰক্ষীৰ দুৰ্বলতাৰ সুযোগতে এই ধৰণৰ ঘটনা সংঘটিত হৈ আহিছে। অভিযোগ অনুসৰি এই তেল চুৰি কাণ্ডত ৰেল বিভাগৰ আৰক্ষীৰো হাত আছে। ৰেল আৰক্ষীৰ সহযোগিতাতে এই তেল চুৰি সংঘটিত হয়। যোৱা নিশা পেট্ৰ’লভৰ্তি এখন ৰেল ওলাইছিল। এই ৰেলৰ পৰা তেল চোৰে চুৰিকাণ্ড সংঘটিত কৰাৰ পাছত ৰেলৰ দবাৰ পৰা পাইপডাল নোলোৱাৰ ফলত ৰেল লাইনৰ কাষত পেট্ৰ’ল পৰাৰ ফলত ৰেল যোৱাৰ লগে লগেই এই ৰেল লাইনত অগ্নিকাণ্ডৰ সূত্ৰপাত হয় বুলি সন্দেহ কৰা হৈছে। ভয়ানক অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ পাছতে বৰতালোৱা গাঁওবাসী ওলাই আহে। পাছত আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ স’তে ৰেল লাইনৰ জুই নুমাবলৈ সক্ষম হয়। ফলত কথমপি ৰক্ষা পৰে বঙাইগাঁও শোধনাগাৰৰ লগতে শোধনাগাৰৰ টাউনশ্বিপ যিটো একেবাৰেই ৰেল লাইনৰ স’তে লগালগি। ইয়াৰ উপৰি গাতে লাগি আছে দুখন গাঁও ক্ৰমে বৰতালোৱা আৰু বৰপথাৰ গাঁও। ৰেলখন থকা অৱস্থাত এই অগ্নিকাণ্ড হ’বলগীয়া হ’লে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ’লহেঁতেন। আঠ-১০ বছৰ পূৰ্বেও ঢালিগাঁও থানা অঞ্চলত এইদৰে তেল চুৰি সংঘটিত হৈছিল। তেতিয়া গাঁওবাসী আৰু একাংশ আৰক্ষী বিষয়াৰ তৎপৰতাত এই চুৰি ৰোধ কৰিবলৈ সক্ষম হৈছিল। কিন্তু বৰ্তমান চিৰাং আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি পুনৰ তেল চোৰ চক্ৰ সক্ৰিয় হৈ উঠিছে।

## অক্ষয়পাত্ৰৰ খাদ্য সামগ্ৰী লাভ

*তিনি পৃষ্ঠাৰ পৰা* ৰাজহ চক্ৰ বিষয়া ৰশ্মি বৰুৱা গগৈ, সংলগ্ন চক্ৰ বিষয়া দীপ্তি গগৈ, অক্ষয়পাত্ৰৰ বিষয়ববীয়া হিৰণ্যজ্যোতি বৰুৱা, নুৰুল চৌধুৰীৰ উপস্থিতিত শতাধিক লোকৰ মাজত খাদ্য সামগ্ৰীৰ টোপোলা বিতৰণ কৰে। খাদ্য সামগ্ৰী বিতৰণ অনুষ্ঠানত বিশেষভাৱে সহযোগিতা আগবঢ়ায় ৰামপুৰ ব্লক কংগ্ৰেছৰ সভাপতি যুগল নাথে। কিন্তু লক্ষ্যণীয়ভাৱে জনসাধাৰণে তলাবন্ধৰ নীতি-নিয়ম উলংঘা কৰি সামাজিক দূৰত্ব পৰিহাৰ কৰা পৰিলক্ষিত হয়। আনকি ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে উভতি যোৱাৰ পাছত একাংশ লোকে খাদ্য সামগ্ৰীৰ টোপোলা বিচাৰি হেতা-ওপৰা লগোৱাও পৰিলক্ষিত হয়। দুই এগৰাকী দুখীয়া পৰিয়ালৰ মহিলায়ো খাদ্য সামগ্ৰী নোপোৱা বুলি ক্ষোভ উজাৰে। তাৰ বিপৰীতে একাংশ ধনী পৰিয়ালে নিজে নিজে খাদ্য সামগ্ৰীৰ টোপোলা লৈ দুখীয়া লোকসকলক বঞ্চিত কৰা বুলিও একাংশই অভিযোগ তুলিছে। স্থানীয় লোকৰ অভিযোগ মতে, পলাশবাৰী ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ এগৰাকী অস্থায়ী কৰ্মচাৰীয়ে নিজৰ লগতে অঙহী বঙহীৰ নাম ভৰাই দি বহুতো দৰিদ্ৰ পৰিয়ালক বঞ্চিত কৰে। অক্ষয়পাত্ৰই দুখীয়া লোকসকলৰ কাষত থিয় হৈ খাদ্য সামগ্ৰী বিতৰণ কৰাটো ধনাত্মক দিশ যদিও দৰিদ্ৰ পৰিয়াল বঞ্চিত হ’ব লগা কাৰ্যক সচেতন মহলে সমালোচনা কৰিছে। পলাশবাৰীৰ চেংপাৰৰ পাছতো অক্ষয়পাত্ৰ নামৰ সংস্থাটোৱে কুকুৰমাৰা আমত’লা গাঁৱতো দুখীয়া শতাধিক পৰিয়ালৰ মাজত ১৪ বিধ খাদ্য সামগ্ৰী বিতৰণ কৰে।

## পৰ্যটন উদ্যোগৰ চাৰি হেজাৰ

*তিনি পৃষ্ঠাৰ পৰা* গ্ৰহণ কৰা হৈছে। জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰৰ লগতে সীমিত সংখ্যক কাৰ্যকৰ্তা উপস্থিত থকা সংবাদমেলখনত পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ বৰুৱাই প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনি ৰূপায়ণত দুৰ্নীতি-অনিয়মত জড়িত কোনো লোককে ৰেহাই দিয়া নহয় বুলি স্পষ্ট কৰি দিয়ে। তেওঁ কয় যে এই আঁচনিত সংঘটিত দুৰ্নীতি-অনিয়মৰ ক্ষেত্ৰত দল আৰু চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। নলবাৰী জিলাত ১,২৩,৪২৬ গৰাকী লোকৰ নাম আঁচনিখনৰ তালিকাত সন্নিৱিষ্ট হৈছে। ইয়াৰে ২৩,৮০৭ গৰাকী অবৈধ হিতাধিকাৰী হিচাপে চিনাক্ত হৈছে। আঁচনিখনৰ দুৰ্নীতি অনিয়মৰ তথ্য সবিস্তাৰে সংবাদ মাধ্যমত প্ৰকাশ হোৱাৰ উপৰি জিলা পৰ্যায়ত তদন্ত সমিতি গঠন কৰাৰ পাছত জিলাখনৰ ভালেমান নাম সন্নিৱিষ্ট হিতাধিকাৰীয়ে ইতিমধ্যে প্ৰশাসনৰ একাউণ্টত ১০ লাখ ৫৮ হেজাৰ টকা ওভতাই দিছে। তেওঁ প্ৰকাশ কৰা মতে বৰ্তমানলৈ জিলাখনৰ ৮৭ হেজাৰ ৫৮৩ গৰাকী হিতাধিকাৰীয়ে আঁচনিৰ ধন লাভ কৰিবলৈ সক্ষম হৈছিল। সংবাদমেলত তেওঁ প্ৰকাশ কৰা মতে জিলা কৃষি বিভাগৰ একাংশ কম্পিউটাৰ অপাৰেটৰৰ ভুলৰ বাবেই এই অনিয়ম সংঘটিত হৈছে। অপাৰেটৰসকলে ব্যৱহাৰ কৰা ছফ্‌টৱেৰৰ পাচৱাৰ্ড বিভিন্ন লোকক দিয়াৰ বাবেই একাংশ লোকে ন্যাস্ত স্বাৰ্থ পূৰণ কৰি এই দুৰ্নীতিত নামি পৰিছে। ইফালে, আঁচনিখনৰ হিতাধিকাৰীৰ তালিকাত চাকৰিয়াল, ব্যৱসায়ীৰ উপৰি এটা বিশেষ সম্প্ৰদায়ৰ লোকৰ নামেৰে ভৰি পৰা বুলি উল্লেখ কৰি অধ্যক্ষ বৰুৱাই কয় যে জিলাখনৰ তালিকাত ধিং, হোজাই আদিৰ লোকৰ নাম অন্তৰ্ভুক্ত হৈছে। এই ক্ষেত্ৰত ইতিমধ্যে ৰাজ্যিক ভিত্তিত তদন্ত সমিতি গঠন কৰা হৈছে। তদুপৰি অনাকৃষকৰ নাম কৰ্তন কৰি প্ৰকৃত কৃষকৰ নাম অন্তৰ্ভুক্ত কৰাৰ কাম অচিৰেই আৰম্ভ হ’ব বুলিও অধ্যক্ষজনে সংবাদমেলত সদৰী কৰে।

## মৰিগাঁৱৰ বৰচুকাবহাত দুৰ্ঘটনাত নিহত এক

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১২ মে’ ঃ** মৰিগাঁও জিলাৰ জালুগুটি আৰক্ষী পহৰা চকীৰ অন্তৰ্গত বৰচকাবহাত আজি দিনৰ প্ৰায় তিনি বজাত স্কুটী আৰু চাইকেল আৰোহীৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলত চাইকেল আৰোহীজন থিতাতে নিহত হয়। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ নিহত ব্যক্তিজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বাতৰি লিখা সময়লৈ নিহত ব্যক্তিজনক চিনাক্ত কৰিব পৰা নাই।

## গুৱাহাটীত ধৰা নপৰাকৈও আছে

*এক পৃষ্ঠাৰ পৰা* সাৱধানে থাকিব লাগে।’ কালি ক’ভিড প’জিটিভ পোৱা দুজন হ’ল মংৰু সাহানী (৫০) আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জি এম চি)ত চিকিৎসাধীন হৈ থকা মৰিগাঁৱৰ অমৰজ্যোতি ডেকা। মংৰু সাহানীৰ সন্দৰ্ভত মন্ত্ৰীজনে কয় যে উত্তৰ প্ৰদেশৰ আজমগড়ৰ প্ৰকৃত বাসিন্দা এই লোকজন ফাঁচী বজাৰৰ আলুপট্টিত থাকে। ধাৰণা কৰা অনুসৰি যোৱা পাঁচ মে’ত তেওঁৰ শৰীৰত কিছু লক্ষণ ফুটি উঠিছিল। তাৰ মানে তেওঁৰ শৰীৰলৈ হয়তো দুই-এদিন পূৰ্বে ক’ভিড ভাইৰাছ আহিছিল। ১০ মে’ত লোকজন বেছি অসুস্থ হোৱাত জি এম চিলৈ আহিছিল। কিন্তু সেইদিনা জি এম চিৰ বিশেষ পৰিৱেশৰ বাবে নমুনা নিব নোৱাৰিলে। কালি তেওঁৰ নমুনা লোৱা হয় আৰু ক’ভিড পজিটিভ পোৱা যায়। সাহানী ১০ জন লোকৰ লগত প্ৰত্যক্ষ সংস্পৰ্শলৈ অহাৰ তথ্য পোহৰলৈ অহা বুলি স্বাস্থ্যমন্ত্ৰীজনে সদৰী কৰে। সেই সকলোকে কোৱাৰেণ্টাইন কৰা হৈছে। ইয়াৰ উপৰি গুৱাহাটীৰ এজন চিকিৎসককে ধৰি ১৯ জন লোক পৰোক্ষভাৱে তেওঁৰ সংস্পৰ্শলৈ আহে। এই আটাইকেইজন লোকৰ নমুনা স্বাস্থ্য বিভাগে সংগ্ৰহ কৰিছে। ইয়াৰ উপৰি সাহানীৰ চাংসাৰিৰ এটা আলু গুদামৰ লগত সম্পৰ্ক থকাৰো তথ্য উদ্ধাৰ হোৱা বুলি জনাই মন্ত্ৰীজনে কয়, ‘সাহানীকে ধৰি আলু গুদামটোত ছজন লোক আছিল। তাৰে প্ৰত্যেকৰে জ্বৰ আছিল। অৱশ্যে জ্বৰত আক্ৰান্ত হোৱাৰ পাছত সাহানী গুদামৰ কাৰো লগত সংস্পৰ্শলৈ অহা নাছিল। কিন্তু জ্বৰৰ উৎস যিহেতু গুদামটো আছিল সেই কাৰণে সেইটো কণ্টেইনমেণ্ট জ’ন কৰা হৈছে।’ দ্বিতীয়জন আক্ৰান্ত অমৰজ্যোতি ডেকাৰ বিষয়টো সম্পূৰ্ণ আকস্মিক বুলি মন্ত্ৰীজনে কয়। তেওঁ জনায় যে জি এম চিৰ চিকিৎসক ডাঃ লিথিকেষ ডি এছ ক’ভিডত আক্ৰান্তৰ পাছত ক্ষিপ্ৰতাৰে চিকিৎসালয়খনৰ চিকিৎসক, নাৰ্ছৰ উপৰি তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীকে ধৰি মুঠ দুহেজাৰজনৰ নমুনা সংগ্ৰহ কৰা হয়। এই পৰীক্ষাতে দন্ত চিকিৎসকগৰাকী আক্ৰান্ত হোৱাটো পোহৰলৈ আহে। এই একে পৰীক্ষাতে পূৰ্বৰে পৰা চিকিৎসাধীন হৈ থকা অমৰজ্যোতি ডেকাও আক্ৰান্তৰ তথ্য পোহৰলৈ আহে। কিন্তু প্ৰকৃততে কোনে ক’ৰ পৰা সংক্ৰমিত হৈছিল সেয়া স্পষ্ট হোৱা নাই। জি এম চিৰ একাংশ নমুনাৰ ফলাফল আহিবলৈ বাকী আছে আৰু সেই সকলোবোৰ আহিলে উৎসৰ অনুমান কৰিব পৰা যাব বুলি স্বাস্থ্যমন্ত্ৰীজনে সম্ভাৱনা ব্যক্ত কৰে। তেওঁ লগতে কয় যে মৰিগাঁৱত ক’ভিড-১৯ত কে’বাজনো লোক সংক্ৰমিত হৈছে। অমৰজ্যোতি ডেকা সেইখন জিলাৰে হোৱা বাবে আৰু জি এম চিত চিকিৎসাধীন হৈ থকা অৱস্থাৰ পৰা বহুলোকে খা-খবৰ ল’বলৈ আহিছিল। তদুপৰি তেওঁৰ মাতৃ আৰু পত্নীও লগত আছিল।

মংৰু সাহানী আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁ কাম কৰা ফাঁচী বজাৰৰ হোটেল ৰাজকমলৰ লগতে ইয়াৰ লগতে সংলগ্ন হৈ থকা গুৱাহাটী পৌৰ নিগমৰ বজাৰ গৃহ আৰু তৰুণৰাম ফুকন পথটো কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰা হৈছে।

## ছিকিমৰ সংঘৰ্ষৰ পূৰ্বে লাডাখত সীমা

*এক পৃষ্ঠাৰ পৰা* ভাৰতৰ সীমান্তৰক্ষী বাহিনীৰ মাজত অতি শেহতীয়াভাৱে সংঘটিত সংঘৰ্ষৰ পাছত পোহৰলৈ আহিছে যে চীনে নিয়ন্ত্ৰণ ৰেখাত আকাশ সীমা উলংঘন কৰি আহিছে।

পাঁচ মে’ৰ দিনাখন লাডাখৰ নিয়ন্ত্ৰণ ৰেখাৰ অতি ওচৰলৈ আহিছিল চীনৰ দুখন যুঁজাৰু বিমান। এসময়ত এই বিমান দুখনে ভাৰতৰ আকাশ সীমা উলংঘন কৰে। এই ঘটনা ইচ্ছাকৃত আছিল বুলিয়ে ভাৰতীয় বায়ুসেনাই অভিযোগ কৰিছে। ভাৰতক ব্যতিব্যস্ত কৰিবলৈ চীনে ইচ্ছাকৃতভাৱে কৌশল ৰচা বুলি ভাৰতীয় বায়ুসেনা বাহিনীয়ে অভিযোগ কৰে। পাঁচ মে’ৰ দিনাখন চীনৰ যুঁজাৰু বিমান দুখন নিয়ন্ত্ৰণ ৰেখাৰ ওচৰে-পাঁজৰে উৰি থকাৰ কথা ভাৰতীয় বায়ুসেনাৰ এখন বিমানে নিয়মীয়া টহলত উদ্ধাৰ কৰে। চীনৰ বিমানৰ উপস্থিতিৰ কথা জানিব পাৰি তৎমুহূৰ্ততে সেই স্থানলৈ উৰি যায় ভাৰতীয় বায়ুসেনা বাহিনীৰ যুঁজাৰু টহলদাৰী জেট। অৱশ্যে ভাৰতে আকাশ সীমা উলংঘন কৰা নাই বুলি কোৱা হয়। সেই সময়ত কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত নহ’ল যদিও সেইদিনাখন সন্ধিয়াই সীমান্ত ভূমিত সংঘৰ্ষত লিপ্ত হয় দুই দেশৰ সেনা।

‘চীনৰ সামৰিক হেলিকপ্টাৰ নিয়ন্ত্ৰণ ৰেখাৰ অতি ওচৰে-পাঁজৰে উৰি আছিল। তেওঁলোকৰ গতিবেগ বৃদ্ধি পোৱাত ভাৰতীয় বায়ুসেনা বাহিনীৰ জেট বিমানে সেই অঞ্চলত টহল আৰম্ভ কৰে। তদুপৰি পৰিস্থিতিৰ প্ৰতি দৃষ্টি ৰাখে।’ চৰকাৰী সূত্ৰত এই কথা প্ৰকাশ। ইপিনে, সন্ধিয়াৰ ভাগত লাডাখত সংঘটিত সংঘৰ্ষৰ ফলত ৭০ৰ পৰা ৮০জন ভাৰতীয় জোৱান আহত হোৱা বুলি সূত্ৰত প্ৰকাশ। ইয়াৰ পাছত দুয়োপক্ষৰ অধিক সেনাৰ উপস্থিতিত পৰিস্থিতি শান্ত হয়। যোৱা ন মে’ত উত্তৰ ছিকিমৰ নাকু লা খণ্ডত পুনৰ ভাৰত আৰু চীনৰ সেনাবাহিনীৰ মুখামুখি সংঘৰ্ষ হয়। সূত্ৰত প্ৰকাশ যে সেইদিনা সীমান্ত চুক্তি উলংঘা কৰি চীনা বাহিনী আগুৱাই অহাত ভাৰতীয় সেনাই বাধা দিয়ে। দুয়োপক্ষৰ মাজত গুলীয়াগুলি নহ’লেও ঠেলা-হেঁচা আৰু হতাহতি হয়। এই ঘটনাত দুয়োপক্ষৰ কে’বাজনো জোৱান আহত হয়। ইয়াৰ পাছত স্থানীয় স্তৰত আলোচনাৰ মাধ্যমত এই বিবাদৰ অন্ত পৰে।

ভাৰতীয় বায়ুসেনা বাহিনীৰ ছুখৈ যুঁজাৰু বিমান লাডাখৰ লেহত থকা ঘাটিৰ পৰা অন্যান্য বিমানৰ স’তে সঘনাই আকাশত সম্প্ৰতি উৰি থকা দেখা যায়। এই শেহতীয়া পৰিঘটনাৰ কাৰণ হৈছে পাকিস্তানৰ বায়ুসেনা বাহিনীয়ে ভাৰতৰ পূব সীমান্তৰ আকাশমাৰ্গত টহলদাৰী অভিযান বৃদ্ধি কৰাটো। বিশেষকৈ নিশাৰ ভাগত অধিক তৎপৰ হয় পাক যুঁজাৰু বিমান। এই কথা দৃষ্টিগোচৰ হয় ভাৰতীয় নিৰাপত্তা সংস্থাসমূহৰ। ইয়াৰ পাছতে ভাৰতীয় বায়ুসেনাৰ যুঁজাৰু বিমান লাডাখৰ আকাশত সঘনাই উৰিবলৈ ধৰে। অতি শেহতীয়াভাৱে জম্মু-কাশ্মীৰৰ হাণ্ডৱাড়াত সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণত এজন আৰক্ষী বিষয়াকে ধৰি পাঁচজন ভাৰতীয় নিৰাপত্তাৰক্ষী নিহত হোৱাৰ পাছত এই সমস্ত কুচকাৱাজ আৰম্ভ হয়। ভাৰতীয় নিৰাপত্তা সংস্থাৰ সূত্ৰত প্ৰকাশ যে পাকিস্তানে ভাৰতীয় বাহিনীৰ প্ৰত্যাক্ৰমণ প্ৰৱণৰ আশংকাতে টহল বৃদ্ধি কৰিছে।

মন কৰিবলগীয়া যে লাডাখৰ লেহ আৰু থ’ইছেত ভাৰতীয় বায়ুসেনা বাহিনীৰ দুটা মূল ঘাটি আছে। এই দুটা ঘাটিত যুঁজাৰু জেট স্থায়ীভাৱে নিয়োগ কৰা হোৱা নাই যদিও সমগ্ৰ বছৰজুৰি ইয়াত সক্ৰিয় কুচকাৱাজ অব্যাহত থাকে। ভাৰত আৰু চীনৰ সীমান্তৰ সংঘৰ্ষ কোনো নতুন ঘটনা নহয়। লাডাখৰ সীমান্তৰে পূৰ্বে বহুবাৰ চীনৰ সামৰিক হেলিকপ্টাৰে ভাৰতৰ আকাশমাৰ্গত প্ৰৱেশ কৰি এই অঞ্চল নিজৰ বুলি দাবী কৰিবলৈ চেষ্টা চলাই আহিছে। ভাৰত-চীনৰ সীমান্তৰ আন অঞ্চলসমূহৰ দৰে এই স্থানতো সীমান্ত স্পষ্টকৈ চিহ্নিত কৰা হোৱা নাই। ফলত সময়ে সময়ে চীনে ভাৰতৰ ভূমিত প্ৰৱেশ কৰি অধিকাৰ সাব্যস্ত কৰিবলৈ চেষ্টা চলাই আহিছে।

সূত্ৰত প্ৰকাশ যে লাডাখৰ সংঘৰ্ষ কোনো নতুন ঘটনা নহ’লেও উত্তৰ ছিকিমত যোৱা ন মে’ত চীনৰ বাহিনীয়ে ভাৰতীয় বাহিনীৰ স’তে সংঘৰ্ষত লিপ্ত হোৱাটো কিছু পৰিমাণে নতুন বিষয় আৰু ই উদ্বেগৰ কাৰণ। ইয়াৰ মূলতে আমেৰিকা, অষ্ট্ৰেলিয়াকে ধৰি বিশ্বৰ বিভিন্ন উন্নত দেশে ক’ভিড-১৯ৰ মাৰাত্মক সম্প্ৰসাৰণৰ বাবে চীনক দোষাৰোপ কৰি তাৰ পৰা ব্যৱসায়-বাণিজ্য স্থানান্তৰ কৰিবলৈ বিচৰাটো এক কাৰণ বুলি সূত্ৰত প্ৰকাশ। কিয়নো এই ঘটনাক লৈ চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং প্ৰচণ্ড চাপৰ মাজত আছে আৰু এই সুযোগতে ভাৰতে চীনত ইমানদিনে বিনিয়োগ কৰি থকা মাৰ্কিন কোম্পানীসমূহক ভাৰতৰ ভূমিত স্থান দিবলৈ তৎপৰ হৈছে। দেশৰ চোৰাংচোৱা সংস্থাসমূহে ধাৰণা কৰে যে ভাৰতে চীনৰ পৰা ওলাই আহিব বিচৰা মাৰ্কিন কোম্পানীসমূহক সাম্প্ৰতিক পৰিস্থিতিত নানা সকাহমূলক প্ৰস্তাৱ আগবঢ়াই স্থান দিবলৈ বিচৰা কাৰ্যৰ ফলতে চীনে আগ্ৰাসী ৰূপ লৈছে আৰু সেয়েহে অতি শেহতীয়াভাৱে নাকু লাত সংঘৰ্ষত লিপ্ত হৈ উত্তেজনাৰ সৃষ্টি কৰিবলৈ চেষ্টা চলোৱা বুলি ধাৰণা কৰা হৈছে। চীনে বাহুবল প্ৰদৰ্শন কৰি আগ্ৰাসী বাৰ্তা দিবলৈ চেষ্টা চলোৱা বুলি ভাৰতীয় চোৰাংচোৱা সংস্থাসমূহে ধাৰণা কৰিছে।

## ভেৰগাঁৱত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক

*তিনি পৃষ্ঠাৰ পৰা* সলনি ঠিকাদাৰে ডাঙৰ ব’ল্ডাৰ ব্যৱহাৰ কৰিছে। আনকি পানী পৰ্যাপ্ত পৰিমাণে নিদিয়াকৈয়ে নিম্নমানৰ বিতুমিন পাতলীয়াকৈ প্ৰয়োগ কৰি পথটো নিৰ্মাণ কৰাৰ ফলত এসপ্তাহ নৌহওঁতেই কাম সম্পূৰ্ণ হোৱা অংশৰ পিটছ হাতেৰে ঘঁহি দিলেই চপৰা চপৰে এৰি যোৱা পৰিলক্ষিত হৈছে। তদুপৰি পথটোত বিসংগতিপূৰ্ণভাৱে কালভাৰ্টকেইটা নিৰ্মাণ কৰাৰ ফলত বৰযুণৰ বতৰত পূৰ টোটোলাপাৰা প্ৰাথমিক বিদ্যালয়ৰ চৌহদত পানী সোমাই বিদ্যালয়খনৰ পাঠদান কাৰ্যও ব্যাহত কৰে। আনহাতে, লাগি থকা মাটিৰ প্ৰলেপ চাফা নকৰাকৈ পথটো পকীকৰণ কৰা, নৰপতি দত্ত নামৰ দায়িত্বপ্ৰাপ্ত বিভাগীয় অভিযন্তাজনে কামৰ তদাৰক নকৰা আদি একাধিক অভিযোগো উত্থাপন কৰিছে ৰাইজে। অঞ্চলটোৰ ৰাইজে জিলা প্ৰশাসনৰ লগতে বিভাগীয় অভিযন্তা-বিধায়ক পথটোৰ নিৰ্মাণত ঠিকাদাৰে কৰা দুৰ্নীতিৰ তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। অন্যথা ঠিকাদাৰজনে চলাই থকা পথটোৰ পকীকৰণৰ কাম বন্ধ কৰিব বুলি ৰাইজে সকীয়াই দিয়ে।

## আঁচনি ৰূপায়ণত দুৰ্নীতি সহ্য কৰা

*তিনি পৃষ্ঠাৰ পৰা* উদ্দেশ্যে ভাৰত চৰকাৰে সমগ্ৰ দেশতে গ্ৰাম্য আঁচনি ৰূপায়ণৰ বাবে তলাবন্ধ শিথিল কৰি যোৱা 20 এপ্ৰিলৰ পৰা পুনৰ কাম আৰম্ভ কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছিল। এই নিৰ্দেশনাৰ ভিত্তিত অসমতো পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ইয়াৰ অধীনৰ সকলো আঁচনিৰ কাম পুনৰ আৰম্ভ কৰিছে। এই দুৰ্যোগৰ সময়ত গ্ৰাম্য উন্নয়নৰ সকলো আঁচনি সফলতাৰে ৰূপায়ণ কৰি যাতে গ্ৰাম্য দুখীয়া জনসাধাৰণক প্ৰকৃতাৰ্থত সহায় কৰাৰ লগতে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা ৰাজ্যৰ অৰ্থনৈতিক পৰিকাঠামো সবল ৰূপত ধৰি ৰাখিব পাৰি তাৰ বাবে বিভাগীয় মন্ত্ৰীজনে প্ৰতিটো ক্ষেত্ৰতে নিজে সুক্ষ্মভাৱে তদাৰক কৰি আছে। ইয়াৰে অংশ হিচাপে জিলাই জিলাই পৰ্যালোচনা সভা অনুষ্ঠিত কৰি সকলো ক্ষেত্ৰীয় বিষয়া-কৰ্মচাৰীক সজাগ কৰাৰ লগতে প্ৰেৰণা যোগাবলৈ পদক্ষেপ লৈছে। ইতিমধ্যে ধেমাজি, লখিমপুৰ, মাজুলী আৰু নগাঁও জিলাত পৰ্যালোচনা সভা অনুষ্ঠিত কৰাৰ পিছত আজি বৰপেটা জিলাৰ গ্ৰামোন্নয়নৰ কাম-কাজৰ বুজ ল’বলৈ বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা আৰু আয়ুক্ত হেমেন দাসকে ধৰি সমূহ উচ্চ পদস্থ বিষয়াসকলৰ লগত জিলা উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাৰ উপস্থিতিত তেওঁৰ সভাকক্ষত জিলাখনৰ সমূহ গ্ৰামোন্নয়ন বিষয়াৰ সৈতে এক পৰ্যলোচনা সভাত মিলিত হয়। সভাত বিভাগৰ দ্বাৰা ৰূপায়িত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (এমজিএনৰেগা), প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (পিএমএৱাই-জি), ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি (এনএছএপি), চতুৰ্দশ বিত্তীয় আয়োগ, পঞ্চায়তৰ নিজা ৰাজহ সংগ্ৰহৰ ব্যৱস্থা আদিৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (এএছআৰএলএম)ৰ কাম-কাজ সম্পৰ্কত বিশদভাৱে পৰ্যালোচনা কৰা হয়। সভাত বিভাগৰ প্ৰধান সচিব ডাঃ এক্কাই বৰপেটাত গ্ৰামোন্নয়ন আঁচনিসমূহৰ ৰূপায়ণ সম্পৰ্কত বিতং তথ্য উপস্থাপন কৰে। ইয়াৰ ভিত্তিত মন্ত্ৰী দলেয়ে বিভিন্ন আঁচনিৰ ৰূপায়ণ খৰতকীয়া কৰিবৰ বাবে ক্ষেত্ৰীয় পৰ্যায়ত সন্মুখীন হৈ থকা অসুবিধাসমূহৰ বুজ লোৱাৰ লগতে এই অসুবিধাসমূহ দূৰীকৰণৰ অৰ্থে বিভিন্ন পদক্ষেপ লোৱাৰ বাবে পৰামাৰ্শ আগবঢ়ায়। তদুপৰি প্ৰতিটো আঁচনিৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰিবৰ বাবে সময় নিৰ্দ্ধাৰিত কৰি দিয়ে। বৰ্তমানৰ সংকটপূৰ্ণ সময়ত এমজিএনৰেগাৰ জৰিয়তে গ্ৰাম্য দুখীয়া জনসাধাৰণৰ লগতে বহিঃৰাজ্যৰ পৰা আহি নিৰনুৱা হৈ থকা লোকসকলকো মজুৰিভিত্তিক কামেৰে উপকৃত কৰাৰ ক্ষেত্ৰত পালন কৰিব পৰা ভূমিকা সম্পৰ্কে উল্লেখ কৰি মন্ত্ৰীজনে এই বিষয়ে সজাগতা সৃষ্টি কৰি সকলোকে কাম কৰিবলৈ আগবঢ়াই অনাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ লগতে সময়মতে সকলো আগ্ৰহী ব্যক্তিক জব কাৰ্ড প্ৰদান কৰাৰ উপৰি কাম আৰু মজুৰিও সময়মতে দিয়াৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি ভুৱা জব কাৰ্ডেৰে যাতে কোনো দুষ্ট চক্ৰই মজুৰিৰ ধন হৰলুকি কৰিব নোৱাৰে তাৰ বাবে জব কাৰ্ড নিৰীক্ষণ আৰু হিতাধিকাৰীৰ বেংক একাউণ্ট পৰীক্ষাকৰণ কাৰ্য এসপ্তাহৰ ভিতৰত সমাপ্ত কৰিবলৈ নিৰ্দেশ দিয়ে। পিএমএৱাই-জিৰ ৰূপায়ণ আশানুৰূপভাৱে আগবাঢ়িছে বুলি উল্লেখ কৰি মন্ত্ৰীজনে প্ৰথম পৰ্যায়ৰ বাকী থকা আৱাস গৃহসমূহ এমাহৰ ভিতৰত, দ্বিতীয় পৰ্যায়ৰ গৃহসমূহ তিনিমাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশনা দি ভূমিহীন পৰিয়ালসকলৰ বাবে পাৰিলে গোটভিত্তিত ভূমি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ উপায়ুক্তক নিৰ্দেশ দিয়ে।

আনহাতে জিলাখনৰ সমূহ পঞ্চায়তে চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত লাভ কৰা প্ৰায় দুশ কোটি টকাৰে ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰি অহা তিনিমাহৰ ভিতৰত এই পুঁজি সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। এই আঁচনিৰ অধীনত ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আদি চেনিটাইজ কৰাৰ উপৰি সৌৰশক্তি চালিত বিদ্যুত যোগান ব্যৱস্থাও সুপৰিকল্পিতভাৱে হাতত ল’বলৈও তেওঁ নিৰ্দেশ দিয়ে। জিলাখনৰ ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনা পদ্ধতি (পিএফএমএছ)ত পঞ্জীয়ণ নোহোৱা এনএছএপিৰ অধীনৰ 4,581 গৰাকী হিতাধিকাৰীৰ তথ্যসমূহ এসপ্তাহৰ ভিতৰত পুনৰীক্ষণ কৰি যাৱতীয় ব্যৱস্থা ল’বলৈও তেওঁ নিৰ্দেশ দিয়ে। আনহাতে এএছআৰএলএমৰ কাৰ্যসমূহত সন্তুষ্টি ব্যক্ত কৰি মন্ত্ৰীগৰাকীয়ে সকলো আত্মসহায়ক গোটকে ক’ভিড-19 প্ৰতিৰোধী অভিযানৰ অংশীদাৰ হ’বলৈ আগবঢ়াই অনাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনাই মিছন মোডত প্ৰস্তুত কৰি থকা মাস্কৰ বাবে প্ৰয়োজনীয় সামগ্ৰী যোগানৰ ক্ষেত্ৰত সহায় কৰিবলৈ উপায়ুক্তক নিৰ্দেশ দিয়ে। সভাত বিভাগৰ অতিৰিক্ত সঞ্চালক খগেশ্বৰ পেগুকে ধৰি সমূহ বিষয়াৰ লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক উৎপলা শইকীয়া আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে।

# গহপুৰৰ ঘাইপথত গজৰাজৰ বিচৰণ

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ১২ মে' ঃ** কৰ'না ভাইৰাছৰ আতংক তথা তলাবন্ধৰ মাজতে অৰুণাচল প্ৰদেশৰ কৰ্মস্থলীৰ পৰা শিকলি ছিঙি পলায়ন কৰা এটা ঘৰচীয়া হাতীয়ে গহপুৰ মহকুমাৰ জনাঞ্চলত প্ৰৱেশ কৰি মুক্ত বিচৰণ কৰাৰ ঘটনাই ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰিছে। উল্লেখ্য যে কালি নিচেই পুৱাতে গহপুৰ নগৰত প্ৰৱেশ কৰা হাতীটো প্ৰত্যক্ষ কৰি আতংকিত হৈ পৰে স্থানীয় ৰাইজ। পৰৱৰ্তী সময়ত বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ গজৰাজক আঁতৰাই নিয়াৰ প্ৰচেষ্টা চলায়। কোনো ধৰণৰ ক্ষতিসাধন নকৰি ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অৱস্থান গ্ৰহণ কৰা গজৰাজক বৰ্তমান বন বিভাগৰ দলে গহপুৰ নগৰৰ পৰা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে বিশ্বনাথ চাৰিআলি অভিমুখে লৈ যোৱা পৰিলক্ষিত হৈছে। গজৰাজেও গহীন খোজেৰে ৰাজপথ অধিকাৰ কৰি যাত্ৰা অব্যাহত ৰাখিছে। গজৰাজৰ কাষেদিয়েই ৰাষ্ট্ৰীয় ঘাইপথেৰে আহ-যাহ কৰা যানবাহনসমূহ পাৰ হৈ গৈছে যদিও কাৰো একো অনিষ্ট সাধন কৰা নাই। ইপিনে, ঘৰৰ পৰা ওলাই ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে থিয় হৈ বহু ৰাইজে গজৰাজক প্ৰত্যক্ষ কৰা পৰিলক্ষিত হয়।

# ভাৰতত ৭৪ হেজাৰলৈ বৃদ্ধি কৰ'না

*এক পৃষ্ঠাৰ পৰা* সীমিত হৈ আছে। তদুপৰি সৰ্বাধিক আক্ৰান্ত থকা ৰাজ্যবোৰৰ তুলনাত এনে ৰাজ্যবোৰৰ আক্ৰান্তৰ সংখ্যা একেবাৰে নগণ্য সংখ্যক। ইয়াৰ ভিতৰতে চিকিমত আজিলৈকে এজনো এই ভাইৰাছত আক্ৰান্ত নোহোৱাটোৱে সকলোৰে দৃষ্টি কাঢ়িবলৈ সক্ষম হৈছে। কালিৰ দিনটোত ভাৰতত অভিলেখ সংখ্যক সৰ্বাধিক ৪২১৩ জন লোক আক্ৰান্ত হৈছে। আজি সিমান নহ'লেও আক্ৰান্তৰ সংখ্যা কোনো গুণে কম নহয়। যোৱা ২৪ ঘন্টাত ৩৬০৪ জন লোক আক্ৰান্ত হয় বুলি স্বাস্থ্য মন্ত্ৰণালয়ে সদৰী কৰে। ইয়াৰ ফলত আজি নিশা পৰ্যন্ত ভাৰতত আক্ৰান্তৰ সংখ্যা ৭৪ হেজাৰলৈ বৃদ্ধি হয়। মৃত্যু হৈছে ২৪০৮ জনৰ। অৱশ্যে সুস্থ হোৱা লোকৰ সংখ্যাও দেশত লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে। যোৱা ২৪ ঘন্টাত ১৫৭২ জন লোক সুস্থ হোৱা বুলি চিকিৎসকে ঘোষণা কৰে। ইয়াকে ধৰি দেশত সুস্থ হোৱা লোকৰ সংখ্যা হ'ল ২৪,১২১ জন। আনহাতে, ৰাজ্যবোৰৰ ভিতৰত মহাৰাষ্ট্ৰত যেন অবাধ গতিত সংক্ৰমিতৰ সংখ্যা ঊৰ্ধমুখী হৈছে। যোৱা ২৪ ঘন্টাত ৰাজ্যখনত নতুনকৈ ১০২৬ জন লোকৰ শৰীৰত এই ভাইৰাছৰ উপস্থিতি ধৰা পৰে। আজি ৰাজ্যখনত আক্ৰান্তৰ সংখ্যা হয় ২৪,৪২৭ জন। ইপিনে, মৃত্যু হৈছে ৫৩ জনৰ। সেই সূত্ৰে মহাৰাষ্ট্ৰত আজি মৃত্যু হোৱা লোকৰ সংখ্যা ৯২১ জনলৈ বৃদ্ধি হয়। সৰ্বাধিক সংক্ৰমিতৰ তালিকাত দ্বিতীয় স্থানত থকা গুজৰাটত আজি আক্ৰান্তৰ সংখ্যা ৮৯০৪ জনলৈ বৃদ্ধি হোৱাৰ বিপৰীতে মৃত্যু হয় ৫৩৭ জনৰ। কালি আক্ৰান্তৰ সংখ্যাৰে তৃতীয় স্থানত থকা দিল্লীক চেৰ পেলোৱা তামিলনাডুত আক্ৰান্ত হৈছে ৮৭১৮ জন লোক। ৰাজ্যখনত ক'ভিড-১৯ত মৃত্যু হৈছে ৬১ জনৰ। আনহাতে, দিল্লীত ৭৬৩৯ জন আক্ৰান্তৰ বিপৰীতে ৮৬ জনৰ মৃত্যু হৈছে। অসমত স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰা অনুসৰি ৬৪ জন লোক আক্ৰান্তৰ বিপৰীতে দুজনৰ মৃত্যু হৈছে আৰু ৩৯ জন সুস্থ হৈ উঠিছে। প্ৰসংগক্ৰমে মন্ত্ৰীজনে ভাৰতৰ ক্ষেত্ৰত আজি ইয়াত মন্তব্য কৰা অনুসৰি দেশৰ নিৰ্দিষ্ট কিছু অঞ্চলতহে সংক্ৰমণ চলিছে।

# হিমন্তৰ টুইটাৰ একাউণ্টক লৈ গোচৰ

*এক পৃষ্ঠাৰ পৰা* স্বাস্থ্যমন্ত্ৰীৰ টুইটাৰ একাউন্টত দুষ্টচক্ৰই তথ্য বিকৃত কৰা সন্দৰ্ভত মহানগৰ আৰক্ষীৰ অপৰাধ কোষে ভাৰতীয় দণ্ড বিধিৰ ৪৭১/৪৬৯ আৰু তথ্য-প্ৰযুক্তি আইনৰ ৬৬(খ) ধাৰাৰ অধীনত ৰুজু কৰা ৬/২০২০ নম্বৰ গোচৰৰ অনুসন্ধানত এই তথ্য পোহৰলৈ আহিছে। মহানগৰ আৰক্ষীৰ এক সূত্ৰই আজি এই কথা সদৰী কৰি জনোৱা মতে, সমগ্ৰ বিশ্বত ত্ৰাসৰ সৃষ্টি কৰা কৰ'না ভাইৰাছ (ক'ভিড-১৯)ৰ সংক্ৰমণ প্ৰতিৰোধৰ স্বাৰ্থত নিৰৱচ্ছিন্নভাৱে ৰাজ্যত অব্যাহত আছে কৰ'না বিৰোধী যুঁজ। এই ক্ষেত্ৰত সজাগ আৰু সচেতনাত সৃষ্টিৰ স্বাৰ্থত স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰ'না ভাইৰাছ (ক'ভিড-১৯)ৰ দ্বাৰা আক্ৰান্ত লোক আৰু চিকিৎসা গ্ৰহণৰ পাছত সুস্থ হোৱা লোকসকলৰ প্ৰকৃত শুদ্ধ তথ্য টুইটাৰ একাউন্টৰ জৰিয়তে দি আহিছে। ইয়াৰ মাজতে এক দুষ্টচক্ৰই ক'ভিড-১৯ৰ নামত ৰাইজৰ মাজত আতংক সৃষ্টিৰ লক্ষ্যৰে কালি গ্ৰাফিক্সৰ জৰিয়তে স্বাস্থ্যমন্ত্ৰীৰ টুইটাৰ একাউন্টত কৰ'না ভাইৰাছ (ক'ভিড-১৯)ৰ দ্বাৰা একেলগে নতুনকৈ আঠজন লোক আক্ৰান্ত হোৱা বুলি উল্লেখ কৰে। লগতে সংশ্লিষ্ট লোকসকলে বাছেৰে ৰাজস্থানৰ পৰা কাছাৰলৈ যাত্ৰা কৰা বুলি উল্লেখ কৰে। ইয়াৰ লগে লগে কৰ'নাত আক্ৰান্তৰ সংখ্যা ৭০ জনলৈ বৃদ্ধি পোৱাৰ লগতে ৩৫ জন সুস্থ হোৱা আৰু ৩৩ জন চিকিৎসাধীন হৈ থকা বুলি টুইটটোত উল্লেখ কৰে। সংশ্লিষ্ট টুইটটো দৃষ্টিগোচৰ হোৱাত স্বাস্থ্যমন্ত্ৰীয়ে কৰ'নাত আক্ৰান্ত লোকৰ সংখ্যাৰ প্ৰকৃত তথ্য বিকৃত কৰা বুলি আন এটা টুইট কৰে। লগতে এই সম্পৰ্কত এজাহাৰ দাখিলৰ বাবে নিৰ্দেশ দিয়াৰ পাছতে মহানগৰ আৰক্ষীৰ অপৰাধ কোষে ৬/২০২০ নম্বৰত নিজাববীয়াকৈ এক গোচৰ ৰুজু কৰে। উক্ত গোচৰৰ প্ৰাথমিক অনুসন্ধানত স্বাস্থ্যমন্ত্ৰীৰ টুইটাৰ একাউন্টটো হেকাৰৰ কবলত নপৰাটো স্পষ্ট কৰা বুলি আৰক্ষীয়ে জনায়। অৱশ্যে স্বাস্থ্যমন্ত্ৰীৰ টুইটাৰ একাউন্টত কোনে গ্ৰাফিক্সৰ সহায়ত তথ্য বিকৃত কৰিলে সেয়া বৰ্তমানো স্পষ্ট হোৱা নাই বুলি আৰক্ষীয়ে জনায়। এই সন্দৰ্ভত অনুসন্ধান অব্যাহত ৰখা বুলিও আৰক্ষীয়ে অৱগত কৰে।

# উচ্চতৰ মাধ্যমিকত ৬৬০খনৰ পৰা

*এক পৃষ্ঠাৰ পৰা* জাননী জাৰি কৰে। ইয়াৰ লগে লগে বিশ্ববিদ্যালয়খনৰ উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত পাঁচশজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ৩২০জনে আৰু কলা শাখাত ১৬০জনৰ বিপৰীতে ১২০জন ছাত্ৰ-ছাত্ৰীয়েহে নামভৰ্তিৰ সুযোগ পাব। অথচ প্ৰয়োজনীয় সকলো অৰ্হতা থকাৰ পাছতো চলিত শিক্ষাবৰ্ষত উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত ১৮০জন আৰু কলা শাখাত ৪০জন মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তিৰ পৰা বঞ্চিত হ'ব। তলাবন্ধৰ সুযোগতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এই সিদ্ধান্তৰে শিক্ষাৰ বাণিজ্যকীকৰণত উদগনি যোগোৱা বুলি অভিযোগ কৰে কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাই। কটন বিশ্ববিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ কলা-বিজ্ঞান উভয় শাখাৰ আসন হ্ৰাসৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰোধিতা কৰি তেওঁ কয়, 'ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়ক কটন বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ সময়ৰে পৰা উচ্চতৰ মাধ্যমিকৰ কলা-বিজ্ঞান উঠাই দিয়াৰ বাবে এক ষড়যন্ত্ৰ অব্যাহত আছে। বিগত বৰ্ষত এই ষড়যন্ত্ৰ তীব্ৰ ৰূপ ধাৰণ কৰে যদিও কটন বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাকে ধৰি বিদ্বৎ মহলৰ প্ৰতিবাদত এই ষড়যন্ত্ৰ বিফল হয়। পুনৰ একেই ষড়যন্ত্ৰৰ অংশ হিচাপে চলিত শিক্ষা বৰ্ষত কলা শাখাত ৪০খন আৰু বিজ্ঞান শাখাত ১৮০খন হ্ৰাস কৰি মুঠ ২২০জন মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীক বিশ্ববিদ্যালয়খনত নামভৰ্তিৰ পৰা বঞ্চিত কৰিব বিচাৰিছে।' তলাবন্ধৰ সুযোগতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি অভিযোগ কৰি তেওঁ কয় যে কৰ'না ভাইৰাছ (ক'ভিড-১৯)ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশব্যাপী অব্যাহত আছে তলাবন্ধ। ইয়াৰ সুযোগতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কালি উচ্চতৰ মাধ্যমিকৰ আসন হ্ৰাস কৰা সম্পৰ্কত জাননী জাৰি কৰে। তলাবন্ধ অব্যাহত থাকিলেও ছাত্ৰ-ছাত্ৰীক নামভৰ্তিৰ পৰা বঞ্চিত কৰা সিদ্ধান্তৰ বিৰুদ্ধে কটনৰ ছাত্ৰ সমাজে শীঘ্ৰেই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও তেওঁ কয়। লগতে এই সম্পৰ্কত বিদ্বৎ মহলকো সজোৰে মাত মাতিবলৈ তেওঁ আহ্বান জনায়। শিক্ষাৰ বাণিজ্যকৰণৰ সময়তে বিশ্ববিদ্যালয়ৰ এনে সিদ্ধান্তই ৰাজ্যৰ ছাত্ৰ সমাজৰ বৃহৎ ক্ষতি কৰিব বুলিও তেওঁ উল্লেখ কৰে। অনুৰূপ মন্তব্য কটন বিশ্ববিদ্যালয়ৰ আছু গোটৰ ভাৰপ্ৰাপ্ত সভাপতি হৃষীকেশ দত্তৰো। তেওঁ কয়, যে বিশ্ববিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিকৰ শাখা উঠাই দিয়াৰ পৰিৱৰ্তে ২০১৭ৰ কটন বিশ্ববিদ্যালয় আইনৰ ৭ (খ) দফাৰ অধীনত মৰ্যাদা সহকাৰে উচ্চতৰ মাধ্যমিক শাখা বৰ্তাই ৰখাৰ বাবে বাৰম্বাৰ দাবী উত্থাপন কৰি অহা হৈছে। অথচ বিশ্ববিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শাখাটো মৰ্যাদা সহকাৰে বৰ্তাই ৰখাৰ পৰিৱৰ্তে মুঠ ৬৬০খন আসনৰ পৰা ৪৪০খন আসনলৈ হ্ৰাস কৰাৰহে সিদ্ধান্ত গ্ৰহণ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে যোৱা এনে সিদ্ধান্ত কোনো কাৰণতে গ্ৰহণ কৰা নহয়। উচ্চতৰ মাধ্যমিকৰ কলা-বিজ্ঞান উভয় শাখাৰ আসন হ্ৰাসক লৈ গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও দত্তই কয়। লগতে এই সম্পৰ্কত বিগত বৰ্ষৰ ৩১ ডিচেম্বৰতে কটন বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা ৰাজ্যপালক এক স্মাৰকপত্ৰ প্ৰদান কৰা বুলি কয় আছু গোটৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল সোণোৱালে।

ইপিনে, যোৱা ২৪ জানুৱাৰীত অনুষ্ঠিত কটন বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ দশম সংখ্যক বৈঠকৰ পৰামৰ্শত বিশ্ববিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিকৰ শাখা উঠাই দিয়াৰ পৰিৱৰ্তে উচ্চতৰ মাধ্যমিকৰ কলা-বিজ্ঞান উভয় শাখাৰে আসন হ্ৰাসৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি কয় কটন বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক এছ কে দত্তই। 'দৈনিক অগ্ৰদূত'ৰ আগত আজি এই কথা অৱগত কৰি তেওঁ কয় যে কটন বিশ্ববিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিকৰ শাখাটো উঠাই দিয়াৰ বাবে বিগত বৰ্ষতে পৰামৰ্শ আগবঢ়াইছে ৰাজ্যপালে। এই সম্পৰ্কত যোৱা ২৪ জানুৱাৰীত অনুষ্ঠিত বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদে উচ্চতৰ মাধ্যমিকৰ শাখা উঠাই দিয়াৰ পৰিৱৰ্তে আসনৰ সংখ্যা হ্ৰাসৰ বাবে পৰামৰ্শ আগবঢ়ায়। সেই মৰ্মে চলিত শিক্ষা বৰ্ষত উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ চাৰিটা শাখাত ৮০জনকৈ মুঠ ৩২০জন আৰু কলা শাখাত ১২০জন ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা বুলি তেওঁ কয়। এই মুহূৰ্তত উচ্চতৰ মাধ্যমিক শাখা উঠাই দিয়াৰ কোনো সিদ্ধান্ত নাই বুলিও তেওঁ জনায়।

# কৃষি বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপকৰ

*এক পৃষ্ঠাৰ পৰা* বিশ্ববিদ্যালয়ৰ উদ্ভিদ শস্য বিজ্ঞান (এগ্ৰ'নমী) বিভাগৰ অধ্যাপক ড° অভিজিৎ শৰ্মা। এই ঘটনাৰ অন্তৰালত কোনো ৰহস্য নিহিত থকা বুলি বিশ্ববিদ্যালয়ৰ এক সূত্ৰই সন্দেহ কৰিছে। এক উত্থাপিত অভিযোগত বিশ্ববিদ্যালয়ৰ মহিলা কোষৰ একপক্ষীয় তদন্ত তথা শাস্তিমূলক বদলিৰ বাবেই হতাশাগ্ৰস্ত হৈ অধ্যাপকজনে চৰম পন্থা গ্ৰহণ কৰা বুলিও সূত্ৰই ধাৰণা কৰিছে। ৫১ বছৰীয়া অধ্যাপকজনৰ মৃতদেহ আজি পুৱা প্ৰায় ৮-৩০ বজাত উদ্ভিদ শস্য বিজ্ঞান বিভাগত থকা নিজৰ কাৰ্যালয়ত চিপ লোৱা অৱস্থাত উদ্ধাৰ হয়।

অতিশয় মেধা আৰু অধ্যয়নপুষ্ট তথা ভাল শিক্ষকৰূপে ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰিয় ড° শৰ্মাৰ আত্মহত্যাত স্বাভাৱিকতে কৃষি বিশ্ববিদ্যালয়ত প্ৰৱল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। অধ্যাপকজনৰ আত্মহত্যাৰ প্ৰকৃত কাৰণ এই পৰ্যন্ত পোহৰলৈ অহা নাই। মৃতদেহ উদ্ধাৰ হোৱা কোঠাটোৰ টেবুলৰ পৰা এটা আত্মহত্যাৰ টোকা উদ্ধাৰ কৰা বুলি আৰক্ষীয়ে জনাইছে। অৱশ্যে টোকাত কি লিখা আছে, সেয়া তদন্তৰ স্বাৰ্থতে সদৰী কৰাৰ পৰা আৰক্ষী বিৰত থাকে। লিচুবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপতি বিষয়া বিপুল দত্তই জনোৱা মতে, প্ৰাথমিক তদন্তত এয়া আত্মহত্যাৰ ঘটনা বুলি আৰক্ষী নিশ্চিত হৈছে। ইতিমধ্যে মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন হৈছে যদিও এই পৰ্যন্ত প্ৰতিবেদন লাভ কৰা নাই বুলি তদন্তকাৰী আৰক্ষী বিষয়াজনে জনায়। তেওঁ লগতে জনায় যে ইতিমধ্যে ঘটনাৰ সংক্ৰান্তত এটা গোচৰ পঞ্জীয়ন কৰি তদন্ত আৰম্ভ কৰা হৈছে। অৱশ্যে এক সূত্ৰই দাবী কৰে যে আত্মহত্যাৰ টোকাত ড° শৰ্মাই কৃষি বিশ্ববিদ্যালয়ৰে দুগৰাকী মহিলা আৰু দুজন পুৰুষ তেওঁৰ মৃত্যুৰ বাবে দায়ী বুলি উল্লেখ কৰি গৈছে।

ঘটনাৰ বিৱৰণি অনুসৰি, বিশ্ববিদ্যালয়ৰে কৰ্মচাৰী পত্নীক অনলাইন পাঠদান থকা বুলি জানিবলৈ দি ড° শৰ্মাই আজি পুৱা ৭-৩০ বজাতে বিশ্ববিদ্যালয় চৌহদতে থকা আবাসৰ পৰা নিজৰ গাড়ীখন লৈ ওলাই যায়। বিভাগৰ সন্মুখত গাড়ীখন থৈ তেওঁ চকীদাৰক কোঠাৰ দুৱাৰ খুলিবলৈ দি নিজৰ কোঠাত প্ৰৱেশ কৰে। ইপিনে, ইমান সোনকালে অনলাইন পাঠদান থকা বুলি ড° শৰ্মাই আবাসৰ পৰা ওলাই যোৱা বিষয়টোত তেওঁৰ পত্নীৰ সন্দেহ ওপজে। তেতিয়াই ড° শৰ্মাৰ পত্নীয়ে দুই-চাৰিজন সহকৰ্মীৰে যোগাযোগ কৰি অনলাইন পাঠদান ইমান সোনকালে নাথাকে বুলি অৱগত হয়। তেতিয়াই ড° শৰ্মাৰ পত্নীৰ সন্দেহ ঘনীভূত হোৱাত তেওঁ বিশ্ববিদ্যালয় কৰ্তৃপক্ষক বিষয়টো অৱগত কৰে। ইয়াৰ পাছতে বিভাগটোৰ ডীন ড° জয়ন্ত ডেকাসহ কে'বাজনো শিক্ষক-কৰ্মচাৰী আহি নিৰ্দিষ্ট কোঠাটোৰ খিৰিকীৰে ড° শৰ্মাৰ মৃতদেহ উলমি থকা প্ৰত্যক্ষ কৰে। উল্লেখ্য যে ড° শৰ্মাই পত্নীৰ লগতে দশম শ্ৰেণীত পঢ়ি থকা এগৰাকী কন্যাক এৰি গৈছে। তেওঁৰ প্ৰকৃত ঘৰ শিৱসাগৰ জিলাৰ আমগুৰিত যদিও দীৰ্ঘদিন ধৰি তেওঁ পৰিয়ালসহ বিশ্ববিদ্যালয়ৰ চৌহদৰ চৰকাৰী আবাসতে বাস কৰিছিল। বিশ্ববিদ্যালয় সূত্ৰই জনোৱা মতে, ড° শৰ্মাই ৰচনা কৰা 'এগ্ৰিকালচাৰেল ষ্টেটিষ্টিক্‌ছ' আৰু 'নিউমেৰিকেল এগ্ৰ'নমী' নামৰ গ্ৰন্থ দুখন সৰ্বভাৰতীয় কৃষি পাঠ্যক্ৰমৰ অন্যতম গ্ৰন্থৰূপে সমাদৃত আছিল। অধ্যাপকজনৰ অস্বাভাৱিক মৃত্যুৰ পাছৰে পৰা বিশ্ববিদ্যালয়ৰ চৌহদত এই ঘটনাক লৈ বিভিন্ন চৰ্চা অব্যাহত আছে। ইপিনে, সমগ্ৰ ঘটনাটোত আন এক বিষয় জড়িত থকা বুলি সন্দেহ ব্যক্ত কৰিছে এক নিৰ্ভৰযোগ্য সূত্ৰই। সূত্ৰটোৱে সদৰী কৰা মতে, এগৰাকী ছাত্ৰীক যৌন নিৰ্যাতন চলোৱা বুলি ড° শৰ্মাৰ বিৰুদ্ধে উত্থাপিত এক অভিযোগৰ গোচৰ কিছুদিনৰ পূৰ্বে কৃষি বিশ্ববিদ্যালয়ৰে মহিলা কোষত চলিছিল। উক্ত গোচৰৰ প্ৰতিবেদনৰ ভিত্তিত কিছুদিনৰ পূৰ্বে অধ্যাপকজনক দোষী সাব্যস্ত কৰা হয়। ইয়াৰে শাস্তিৰূপে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কালি ড° শৰ্মাক তিতাবৰস্থিত ধান গৱেষণা কেন্দ্ৰলৈ বদলিৰ নিৰ্দেশনা জাৰি কৰিছিল। এই কথা ড° শৰ্মাই সহজে গ্ৰহণ কৰিব পৰা নাছিল বুলি 'দৈনিক অগ্ৰদূত'ৰ আগত কয় তেওঁৰ এক ঘনিষ্ঠ সূত্ৰই। এই সন্দৰ্ভত ক্ষোভ ব্যক্ত কৰি সূত্ৰটোৱে কয়, 'মহিলা কোষে কৰা তদন্তৰ সময়ত ড° শৰ্মাৰ কোনো মতামত তথা আত্মপক্ষ সমৰ্থনৰ সুযোগ দিয়া হোৱা নাছিল। যাৰ বাবে কালি ওলোৱা বদলিৰ নিৰ্দেশনা তেওঁ সহজে মানি ল'ব পৰা নাছিল।' আনহাতে, ঘটনাৰ সন্দৰ্ভত কৃষি বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক অৰ্পণ শইকীয়া আৰু সংশ্লিষ্ট বিভাগৰ ডীন ড° জয়ন্ত ডেকাৰ স'তে যোগাযোগ কৰাত তেওঁলোকে ড° শৰ্মাক তিতাবৰলৈ বদলি কৰাৰ কথা অৱগত কৰে। সেয়াই যদি আত্মহত্যাৰ কাৰণ হয়, তেন্তে বৰ আচৰিত কথা বুলি মন্তব্য কৰি বিশ্ববিদ্যালয়খনৰ দুই শীৰ্ষ বিষয়াই এই বিষয়ে কৰ্তৃপক্ষক অৱগত কৰাৰ নিশ্চয়কৈ থল আছিল বুলিও কয়। লক্ষ্যণীয়ভাৱে শীৰ্ষ বিষয়াদ্বয়ে ড° শৰ্মাৰ বিৰুদ্ধে চলা কোনো তদন্তৰ কথা উল্লেখ কৰাৰ পৰা বিৰত থাকে।

# অবাধে চলিছে কণীযুক্ত মাছৰ নিধন

## বিলুপ্তিৰ পথত থলুৱা মাছ ঃ মীন বিভাগৰ নিৰ্লিপ্ততাত ক্ষুব্ধ আছু

অগ্ৰদূত বাৰ্তা

**হাজো, ১২ মে' ঃ** সাম্প্ৰতিক সময়ত কামৰূপ জিলাৰ বিভিন্ন ৰাজহুৱা খাল, বিল, জলাশয়, জান-জুৰি আদিত মীন বিভাগৰ নিৰ্লিপ্ততাৰ সুযোগ গ্ৰহণ কৰি একাংশ অসাধু মাছ ব্যৱসায়ীয়ে মীন আইন উলংঘা কৰি অবাধে কণীযুক্ত মাছ নিধনকাৰ্য চলাই আছে বুলি এক বিবৃতিযোগে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি দিবাকৰ কলিতা আৰু সাধাৰণ সম্পাদক হেমন্ত দাসে অভিযোগ কৰিছে। সংবাদ-মাধ্যমলৈ পঠোৱা এক বিবৃতিত কয় যে অসমৰ জলাশয়ত দেখিবলৈ পোৱা কাৰৈ, গৰৈ, মাগুৰ, শিঙি, শিঙৰা, তুৰি, বতিয়া, কৰ্কিলা, শ'ল, শাল, বৰালি, কুচিয়া, ভেদেঙী, পুঠি দৰিকণা, খলিহনা, নাৰ, বাটা, পাভ, চেনীপুঠি, মিছা আদি থলুৱা মাছবোৰৰ বজাৰ চাহিদা যথেষ্ট বেছি। থলুৱা মাছবোৰ চ'ত-ব'হাগৰ পৰা আহাৰত উপযুক্ত মতা আৰু মাইকী মাছবোৰ প্ৰজননক্ষম হৈ উঠে। মাছৰ বংশবৃদ্ধিৰ স্বাৰ্থত ভাৰতীয় মীন নীতি অনুসৰি এপ্ৰিলৰ পৰা জুলাই মাহ পৰ্যন্ত মাছৰ প্ৰজনন ঋতু হোৱা হেতুকে খাল, বিল, জান-জুৰি, জলাশয় তথা মীনমহল আদি অঞ্চলত কণীযুক্ত তথা ক্ষুদ্ৰ থকা মাছ মৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আছে। কিন্তু তলাবন্ধৰ মাজতে কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ খাল, বিল পৰিত্যক্ত জলাশয় তথা দ' জলাশয়ৰ পানী সিঁচি অবৈধভাৱে মাছ ধৰিছে। তদুপৰি মাছমৰীয়াসকলে কণী হোৱা মাছ আৰু সৰু সৰু পোৱালি মাছবোৰৰ অবাধে নিধন কাৰ্য চলাই থলুৱা মাছৰ বংশ বৃদ্ধি হ্ৰাস কৰা বুলি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি কলিতা আৰু দাসে গুৰুতৰ অভিযোগ কৰে। আনহাতে, কামৰূপ জিলা মীন বিভাগে ৰহস্যজনক ভূমিকা পালন কৰাত অতি ক্ষোভেৰে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি কলিতা আৰু সাধাৰণ সম্পাদক দাসে কয় যে মীন বিভাগৰ ৰহস্যজনক নীৰৱতাৰ সুযোগ লৈ একাংশ মাছমৰীয়াই অবাধে কণীযুক্ত মাছ নিধন চলাই যোৱাত অস্বাভাৱিকভাৱে থলুৱা মাছ দিনক দিনে হ্ৰাস পাবলৈ ধৰিছে যাৰ ফলত মীন আইন তথা প্ৰজাতিৰ মাছবোৰৰ বিজ্ঞানসন্মত পদ্ধতিৰে পালন কৰাৰ লগতে মীন আইন তথা চৰকাৰৰ নিষেধাজ্ঞা ভংগ কৰি মাছ মৰাসকলক শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনক আহ্বান জনায়।



মঙলদৈত বিশ্ব ধাত্ৰী দিৱস পালন, মঙলবাৰে।

# বকোত থাৰ্মেল স্কেনাৰ বিতৰণ বিধায়িকাৰ

অগ্ৰদূত বাৰ্তা

**বকো, ১২ মে' ঃ** মাৰাত্মক কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ যুঁজত সদাব্যস্ত বকো সমষ্টিৰ আৰক্ষী প্ৰশাসনক যোৱা ১১ মে'ত বিধায়িকা নন্দিতা দাসে উষ্ণতা নিৰূপণ কৰা অৰ্থাৎ থাৰ্মেল স্কেনাৰ প্ৰদান কৰে। বকো থানা, বকো চক্ৰ বিষয়াৰ কাৰ্যালয়, সোণতলী আৰক্ষী চকী, ছমৰীয়া চক্ৰ বিষয়াৰ কাৰ্যালয়, নগৰবেৰা চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু নগৰবেৰা আৰক্ষী থানাত অসম মহিলা প্ৰদেশ কংগ্ৰেছৰ সভানেত্ৰী তথা বকোৰ বিধায়িকা দাসে থাৰ্মেল স্কেনাৰ বিতৰণ কৰে। ইয়াত ছটাকৈ থাৰ্মেল স্কেনাৰ বিতৰণ কৰে বিধায়িকাগৰাকীয়ে। বিধায়িকাগৰাকীয়ে বকো ব্লক কংগ্ৰেছৰ সম্পাদক ক্ৰমে বিজু হুছেইন, বিজয় কলিতা, বকো ব্লকৰ অ' বি চি কোষৰ সভানেত্ৰী সৰলা দাসৰ স'তে বকো আৰক্ষী থানাত উপস্থিত হৈ প্ৰথমে এই স্কেনাৰ মেচিন বিতৰণ কৰে। আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া যোগেন্দ্ৰ বৰ্মনে বিধায়িকা নন্দিতা দাসৰ পৰা থাৰ্মেল স্কেনাৰ মেচিন গ্ৰহণ কৰে। ইয়াৰ পাছতে বকো চক্ৰ আৰু ছমৰীয়া চক্ৰৰ বিষয়া ক্ৰমে পিংকি দত্ত আৰু অদিতি গগৈৰ হাতত উষ্ণতা নিৰূপক মেচিন প্ৰদান কৰে। জনসাধাৰণৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ থকা কাৰ্যালয়ত এই থাৰ্মেল স্কেনাৰে সহায় হ'ব বুলি মন্তব্য কৰে চক্ৰ বিষয়া পিংকি দত্তই।

# লংকাত চৰকাৰী সাহায্যৰ পৰা বঞ্চিতক সাংসদৰ সাহায্য

অগ্ৰদূত বাৰ্তা

**লংকা, ১২ মে' ঃ** তলাবন্ধৰ বাবে নতুন দিল্লীৰ পৰা অসমলৈ আহিব নোৱৰা নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নিজৰ ব্যক্তিগত পুঁজিৰ পৰা নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত হোজাই বিধানসভা সমষ্টিৰ লংকাৰ লস্কৰপথাৰ আৰু ফৰমাপাৰ পঞ্চায়তৰ দুখীয়া লোকসকলক বিশেষ কটকী পঠাই নিজৰ কংগ্ৰেছৰ দলীয় লোকৰ দ্বাৰা যোৱা ১১ মে'ত সাহায্য প্ৰদান কৰে। দলীয় সূত্ৰৰ পৰা জানিব পৰা মতে, এই লোকসকলে তলাবন্ধৰ কালত কোনো চৰকাৰী সাহায্য পোৱা নাছিল। সেই উপলক্ষে দুয়োখন পঞ্চায়ত অঞ্চলত চাউল দুই কিলো, দাইল এক কিলো, মিঠাতেল আধা লিটাৰ, নিমখ, এক পেকেট, আলু দুই কিলো আৰু পিঁয়াজ এক কিলোৰ একোটা পেকেট বান্ধি পাঁচশজন হিতাধিকাৰীক প্ৰদান কৰে। এই সাহায্য প্ৰদানত সাংসদ বৰদলৈয়ে বিশেষভাৱে প্ৰেৰণ কৰা মহেন্দ্ৰ বৰাৰ উপৰি ঢলপুখুৰী কংগ্ৰেছ কমিটীৰ সভাপতি শংকৰ মালাকাৰ উপস্থিত থাকে।

# ডুবাপাৰাত চোৰাং চিপচৰ ডাম্পাৰ জব্দ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ মে' ঃ** তলাবন্ধ কাৰ্যসূচীৰ মাজতে চোৰাংকৈ চিপচ সৰবৰাহ কৰা বাবেই আজি গোৱালপাৰা জিলাৰ ডুবাপাৰাত আৰক্ষীয়ে চিপচ ভৰ্তি ডাম্পাৰ এখন জব্দ কৰে। সন্মুখত 'অন তুৰা মেডিকেল কলেজ ডিউটি' বুলি পোষ্টাৰ আঁৰি এ এছ ১৯-এ চি ৩৪৪৪ নম্বৰৰ ডাম্পাৰখনে বন বিষয়াৰ স্বাক্ষৰবিহীন ভুৱা চালান এখনেৰে চিপচ সৰবৰাহ কৰা বাবেই জব্দ কৰে। পাছত ডুবাপাৰা আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰমজান আলীয়ে ডাম্পাৰখন বন বিভাগক চমজাই দিয়ে। উল্লেখ্য যে বন বিভাগৰ লগতে আৰক্ষীৰ চকুত ধূলি দি চিপচ ভৰ্তি ডাম্পাৰখন চিৰাং আৰু বঙাইগাঁও জিলাৰ লগতে গোৱালপাৰা জিলাৰ মাজেৰে কেনেকৈ আহিবলৈ সক্ষম হ'ল এয়া ৰাইজৰ মাজত এক গুৰুত্বপূৰ্ণ প্ৰশ্ন?

# কৰ'না দুৰ্যোগৰ মাজতে অৰুণাচল সীমান্তত উত্তেজনা

## চিমেনচাপৰিৰ অসম-অৰুণাচল সীমান্তত যুদ্ধংদেহি পৰিৱেশ

অগ্ৰদূত বাৰ্তা

**চিলাপথাৰ, ১২ মে' ঃ** অৰুণাচলীয়ে নামানে কোনো চৰকাৰী নিৰ্দেশনা তথা অসম চৰকাৰৰ জি পি এছৰ ব্যৱস্থা। তাৰ মাজতে কালি অসম-অৰুণাচল সীমান্তৰ চিমেনচাপৰিৰ অসম কুৰেৰী পৰিদৰ্শন কৰে ধেমাজি জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক তথা জিলা প্ৰশাসনৰ বিষয়াৰ দল। যোৱা ন মে'ত ধেমাজি জিলা প্ৰশাসন, বন বিভাগ আৰু অৰুণাচলৰ নামনি ছিয়াং জিলা প্ৰশাসনৰ দ্বিপাক্ষিক আলোচনাত বিবাদ মীমাংসা হোৱাৰ বিপৰীতে পৰিস্থিতিৰ আৰু অধিক অৱনতি ঘটে। আলোচনা পৰিৱৰ্তন হয় তৰ্কযুদ্ধলৈ। উল্লেখ্য যে চিমেন নদীৰ শিল-বালিৰ মহলক লৈ চলি আহিছে দীৰ্ঘদিন ধৰি তীব্ৰ উত্তেজনা। অসম চৰকাৰৰ খনিজ সম্পদ বিভাগে ২০১৪তেই আঠ বছৰৰ বাবে চিমেন নদীৰ শিল-বালিৰ মহলটোৰ চিলাপথাৰৰ অঞ্জলা বসুমতাৰীৰ নামত বন্দৰস্তি প্ৰদান কৰিছিল। যোৱা বছৰলৈকে সকলো ঠিকেই আছিল। কিন্তু বগীবিল দলং মুকলি হোৱাৰ পাছতো হঠাতে অভাৱনীয়ভাৱে বৃদ্ধি পায় শিল-বালিৰ চাহিদা। যাৰ ফলত অৰুণাচলী লোকৰ লোলুপ দৃষ্টি পৰে মহলটোত। তাৰ পাছতে যোৱা ১৩ মাৰ্চত একাংশ অৰুণাচলী দুৰ্বৃত্তই হাতে হাতে দা, বন্দুক আদি অস্ত্ৰ লৈ অসমৰ কুৰেৰীত কৰ্মৰত শ্ৰমিকসকলক প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰি খেদি পঠায়। তেতিয়াৰে পৰা বন্ধ হৈ আছে কুৰেৰীৰ কাম-কাজ। কিছুদিনৰ পূৰ্বে দুয়োপক্ষৰ প্ৰশাসনৰ লোক উপস্থিত হৈ দুয়োফালৰ কাম বন্ধ ৰখাৰ সিদ্ধান্ত কৰিছিল। অসমৰ কুৰেৰীৰ কাম বন্ধ হ'ল ঠিকেই কিন্তু নিৰৱচ্ছিন্নভাৱে কাম চলাই যায় অৰুণাচলী লোকে। কালি ধেমাজি জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, বন সংমণ্ডল বিষয়াৰ উপস্থিতি বিবদমান অঞ্চলৰ জি পি এছ ট্ৰেকিং কৰা হয়। ১৯৫১ৰ ছাৰ্ভে অৱ ইণ্ডিয়াৰ তথ্য অনুসৰি মহলটো অসম চৰকাৰে ৯৫ লাখ টকাত মহলদাৰক আবন্টন দিছিল। ১৯৯৮ত সংঘটিত গুলীয়াগুলি ঘটনাৰ পাছত পুনৰ সীমান্তৰ ভূমিক লৈ অৰুণাচলীয়ে সংঘাতৰ সৃষ্টি কৰিছে। তলাবন্ধৰ সমান্তৰালভাৱে সীমান্ত অঞ্চলত বৃদ্ধি পাইছে উপদ্ৰৱ। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা নামানি একাংশ লোকে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে সীমান্তত জুই জ্বলাইছে আৰু এনে ঘটনাত জড়িত থকাৰ অভিযোগত বন বিভাগে চিলাপথাৰ থানাত গোচৰ ৰুজু কৰিছে। শেহতীয়াকৈ সীমান্তত চলি থকা সংঘাত বন্ধ কৰি ইয়াৰ স্থায়ী সমাধানৰ দাবী উত্থাপন কৰিছে আছুৱে।

# বোকাজানত ব্ৰাউন ছুগাৰসহ এজনক আটক

অগ্ৰদূত বাৰ্তা

**বোকাজান, ১২ মে' ঃ** কাৰ্বি আংলং জিলাৰ বোকাজান আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি কালি ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিজৰাপাৰত ড্ৰাগছসহ এজন যুৱকক আটক কৰে। আৰক্ষীয়ে এখন নম্বৰপ্লেটবিহীন মটৰ চাইকেল অনুসৰণ কৰি নিজৰাপাৰত আগচি ধৰি ডিকিত তালাচী চলাওতে দুটা টিফিনত ভৰাই অনা ড্ৰাগছখিনি ওলাই পৰে। প্ৰাৰম্ভিক অৱস্থাত এয়া ব্ৰাউন ছুগাৰ বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰি ইয়াৰ মূল্য লক্ষাধিক বুলি ব্যক্ত কৰিছে। যুৱকজনে নিজৰ নাম ছেং বুলি কোৱাৰ লগতে বালিপথাৰত ঘৰ বুলি কয় যদিও যুৱকজনৰ পৰা উদ্ধাৰ হোৱা পানকাৰ্ড আৰু চালকৰ অনুজ্ঞাপত্ৰত তেওঁৰ নাম ধীৰাজ চিংফৌ আৰু তেওঁৰ ঘৰ অৰুণাচলৰ চাংলঙত বুলি উল্লেখ আছে। উল্লেখ্য যে যুৱক দুজনৰ লগত আৰু দুজন যুৱক জড়িত আছে বুলি ব্যক্ত কৰাৰ লগতে ড্ৰাগছখিনি অসম-নগালেণ্ড সীমান্তৰ গৌতম বস্তিৰ পৰা সংগ্ৰহ কৰিছিল বুলি জানিবলৈ দিছে।

# গাফিলতিৰ বাবে কৰ'নাত মৃত্যুত

*এক পৃষ্ঠাৰ পৰা* আক্ৰান্ত আৰু মৃতকৰ সংখ্যা কোন ভয়াবহ ৰূপত জঁপিয়াইছে। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ গাফিলতিৰ বাবে এনে হৈছে। সুবিশাল বিলবোৰ্ডত ৰখা ঘড়ীটোৰ তলত লিখা আছে এইদৰে — কৰ'না পৰিস্থিতিৰ মোকাবিলাত মাৰ্কিন প্ৰশাসনৰ গাফিলতিৰ বাবে এনে বৃহৎ সংখ্যা হ'ব পাৰে। নিউয়ৰ্কৰ জনপ্ৰিয় চলচ্চিত্ৰকাৰ ইউজিন জাৰেকিয়ে নিৰ্মাণ কৰা এই ঘড়ীৰ নাম দিয়া হৈছে 'মৃত্যু ঘড়ী'।

এই ঘড়ীৰ মতে কালি পৰ্যন্ত মাৰ্কিন মুলুকত কৰ'না সংক্ৰমণত মৃত্যু হোৱা ৮০ হেজাৰৰ ভিতৰত ৪৮ হেজাৰেই ৰাষ্ট্ৰপতি ট্ৰাম্প প্ৰশাসনৰ গাফিলতিৰ বাবে। এসপ্তাহ পূৰ্বে আমেৰিকাত বাধ্যতামূলকভাৱে সামাজিক দূৰত্ব বিধি বলৱৎ কৰা হ'লে অন্ততঃ এই বৃহৎ সংখ্যক লোক কৰ'না সংক্ৰমণৰ চিকাৰ নহ'লহেঁতেন।

এই ঘড়ীৰ মতে ট্ৰাম্প প্ৰশাসনে এসপ্তাহ তলাবন্ধৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'লে সেয়া বিচক্ষণতাৰ পৰিচায়ক হ'লহেঁতেন। প্ৰশাসনিক গাফিলতিৰ বাবে আমেৰিকাত কৰ'নাত মৃত্যুৰ সংখ্যা কমেও ৬০ শতাংশ বৃদ্ধি পাইছে।

বঁটাপ্ৰাপক চলচ্চিত্ৰকাৰ জাৰেকিয়ে তেওঁৰ এক প'ষ্টত লিখিছে, 'কৰ'না সংক্ৰমণ আৰম্ভ হোৱাৰ পাছতো আমেৰিকাত যোৱা ১৬ মাৰ্চ পৰ্যন্ত সামাজিক দূৰত্বৰ বিধি বাধ্যতামূলক কৰা নহ'ল। স্কুল, কলেজ, কাৰ্যালয়, আদালত সকলো খোলা ৰখা হৈছিল। ১৬ মাৰ্চৰ পৰা সামাজিক দূৰত্বৰ বিধি বলৱৎ কৰা হয়। ন মাৰ্চত কৰা হ'লে আমেৰিকাত কৰ'নাত ইমান মানুহৰ মৃত্যু নহ'লহেঁতেন।'

হোৱাইট হাউছৰ সংক্ৰামক ৰোগ বিশেষজ্ঞ এণ্টনি ফৌচিয়ে খেদ প্ৰকাশ কৰি কৈছিল যে পূৰ্বে ব্যৱস্থা লোৱাহেঁতেন বহু সংখ্যক লোকক বচাব পৰা গ'লহেঁতেন। জাৰেকিয়ে এই প্ৰসংগত লিখিছে, 'সংকট মোকাবিলাৰ বাবে আমাৰ অধিক দায়িত্বশীল নেতৃত্বৰ প্ৰয়োজন আছিল। এই ঘড়ীয়ে আমাক মনত পেলাই দিয়ে যে ৰাষ্ট্ৰপতি ট্ৰাম্প প্ৰশাসনৰ গাফিলতিৰ কিমান মূল্য ভৰিবলগীয়া হ'ল।'



মৰিগাঁৱত ক'ভিড-১৯কে ধৰি বিভিন্ন ৰোগ প্ৰতিৰোধৰ বাবে পানী বিশুদ্ধকৰণ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ।

# তলাবন্ধতে শোণিতপুৰত চোৰাং বেহা অব্যাহত

## তিনিখনকৈ শিল-বালিভৰ্তি ট্ৰাক জব্দ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১২ মে' ঃ** মহামাৰী কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে ঘোষণা কৰা তলাবন্ধৰ মাজতো তেজপুৰকে ধৰি শোণিতপুৰ জিলাৰ বিভিন্ন বিভাগীয় কৰ্মচাৰীৰ ছত্ৰছায়াত বনজ সম্পদৰ অবাধে চোৰাং ব্যৱসায় চলি আহিছে। এই বিষয়ে সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পাছতেই বন আইন উলংঘা কৰি তেজপুৰত একাংশ ব্যৱসায়ীয়ে দীৰ্ঘদিন ধৰি চলাই অহা শিল-বালিৰ চোৰাং ব্যৱসায়ৰ বিৰুদ্ধে বন বিভাগে শেহতীয়াভাৱে অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে তেজপুৰ বন বিভাগে অঞ্চলটোৰ বিভিন্ন অঞ্চলত অভিযান চলাই আজি চোৰাংভাৱে শিল-বালি কঢ়িওৱা তিনিখনকৈ ট্ৰাক আৰু ডাম্পাৰ জব্দ কৰে। এই ক্ষেত্ৰত বন বিভাগৰ পৰা জানিব পৰা মতে, বিগত মাত্ৰ চাৰিদিনৰ ভিতৰতে তেজপুৰ বন বিভাগে অভিযান চলাই পাঁচখন ডাম্পাৰ আৰু চাৰিখন বলেৰ' পিকআপ জব্দ কৰে। পাছত বন বিভাগে কেউখন বাহন তেজপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়লৈ লৈ আনে। ইফালে, তেজপুৰৰ সমান্তৰালকৈ নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলৰ পৰাও নিতৌ অবাধে চোৰাং বল্ডাৰৰ সৰবৰাহ চলি আহিছে। অভিযোগ অনুসৰি, চাৰিদুৱাৰ বন বিভাগৰ একাংশ দুৰ্নীতিপৰায়ণ বন বিষয়া আৰু কৰ্মচাৰীৰ সহযোগত এই অঞ্চলত এটাও বল্ডাৰ মহল নথকাৰ পাছতো চাৰিদুৱাৰ বন বিভাগৰ কাৰ্যালয়ৰ সন্মুখেদিয়েই চোৰাং বল্ডাৰ সৰবৰাহ কৰা ট্ৰাক আৰু ডাম্পাৰবোৰ অনায়াসে পাৰ হয়। এনেদৰে চোৰাংভাৱে বল্ডাৰ সৰবৰাহ কৰা ট্ৰাক আৰু ডাম্পাৰসমূহ চাৰিদুৱাৰৰ এটা পেট্ৰ'ল ডিপ'ত ঘাটি পাতি তাৰ পৰাই বুজাপৰাৰ ভিত্তিত এখন এখনকৈ ওলাই যায়। উল্লেখ্য যে ৰৌতা, ওৰাং আদিৰ উপৰি বেলশিৰি, জীয়াভৰলী আৰু তেজপুৰ বিভিন্ন স্থানৰ চোৰাংভাৱে বল্ডাৰ শিল-বালিৰ সৰবৰাহ হোৱাৰ লগতে জিলাখনৰ গুৰুত্বপূৰ্ণ বনাঞ্চল দৈনিক ধ্বংস কৰা হৈ আছে। এনে দুষ্কাৰ্য ৰোধৰ বাবে জিলাখনত বন বিভাগে এক টাস্ক ফ'ৰ্চ গঠন কৰিছিল যদিও এই টাস্ক ফ'ৰ্চাৰ এগৰাকী বন বিষয়া আকৌ তেজপুৰৰ সীমাৰ বাহিৰত কলীয়াভোমোৰা দলঙৰ নগাঁৱৰ দিশে গৈহে শিল-বালি সৰবৰাহ কৰা যানবাহন তালাচী কৰাত অধিক আগ্ৰহী।

## গোচৰ ৰুজুৰ পাছতো বাদ নপৰিল ভুৱা কৃষকৰ নাম

# প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ আঁচনিৰ পৰা বঞ্চিত ধুবুৰীৰ কৃষক

**অগ্ৰদূত ব্যুৰ'**

**গৌৰীপুৰ, ১২ মে' ঃ** প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ সাহায্য লাভৰ পৰা বঞ্চিত হ'ব লগা হৈছে ধুবুৰীৰ দৰিদ্ৰ কৃষক। ধুবুৰী কৃষি বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰী আৰু মধ্যভোগীৰ অবাধ লুণ্ঠনৰ বাবে আঁচনিখন ধোঁৱাচাঙত উঠিছে। ৰাজ্যৰ আন আন জিলাৰ লগতে ধুবুৰীতো আঁচনিখনত সংঘটিত হৈছিল বিয়াগোম কেলেংকাৰি। এনে অভিযোগৰ ভিত্তিত বিভিন্ন সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাই অহাৰ বিপৰীতে জিলা কৃষি বিভাগৰ ফালৰ পৰাও বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। আনহাতে, গৌৰীপুৰ আৰক্ষী থানাতো কে'বাজন জনপ্ৰতিনিধি আৰু চি এছ পি কৰ্মীৰ বিৰুদ্ধে ৰুজু হৈছিল গোচৰ। বিভাগীয় এক সূত্ৰই উল্লেখ কৰা মতে, ধুবুৰীৰ মুঠ দুইলাখ তিনিহেজাৰ ১২৩ জন হিতাধিকাৰীক সামৰি লোৱা হৈছিল উক্ত আঁচনিত। কিন্তু জিলাখনৰ বিভিন্ন পঞ্চায়তৰ নিৰ্বাচিত জনপ্ৰতিনিধি আৰু চি এছ পি কৰ্মীসকলে কৃষকৰ একাউণ্টত জমা হোৱা ধন নিজৰ ফিংগাৰ প্ৰিণ্টৰ জৰিয়তে আত্মসাৎ কৰিছে। ইয়াৰ মাজতে হিতাধিকাৰীয়ে প্ৰথম, দ্বিতীয় বা তৃতীয় কিস্তিৰ টকা উলিয়াই যদিও এক লাখ ৩৫ হেজাৰ ৪০৩ জন হিতাধিকাৰীক উক্ত আঁচনিৰ আধাৰত একাউণ্টত টকা দিয়াৰ প্ৰক্ৰিয়া চলি থকাৰ সময়তে যোৱা বৰ্ষৰ ১১ জুলাইত একাংশ দুষ্কৃতিকাৰী তথা দালাল চক্ৰই গোপন আই ডিৰ জৰিয়তে ভুৱা হিতাধিকাৰীৰ নামত টকা হৰলুকি কৰি থকাৰ তথ্য লাভ কৰে জিলা কৃষি বিভাগে। তাৰ পাছতে ১২ জুলাইত জিলা কৃষি বিভাগৰ ফালৰ পৰা জিলা উপায়ুক্তক লিখিতভাৱে অৱগত কৰোৱাৰ উপৰি ১৪ জুলাইত ৰাজ্যৰ কৃষি বিভাগৰ সঞ্চালকলৈ এখন পত্ৰ প্ৰেৰণ কৰি ধুবুৰী জিলাৰ আইডি নিষ্ক্ৰিয় কৰাৰ দাবী উত্থাপন কৰা হয়। ইপিনে, ঘটনা সন্দৰ্ভত জিলা উপায়ুক্তৰ নিৰ্দেশ মতেই ৩১ জুলাইত ধুবুৰী সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰ ভিত্তিত আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৪২০ আৰু ৬৬ (এ/ডি) ধাৰাৰ অধীনত ১২৯৯/১৯ নম্বৰত গোচৰ পঞ্জীয়ন কৰি তদন্ত আৰম্ভ কৰে। আনহাতে, যিদিনাই উপায়ুক্তক এখন লিখিত আবেদন দাখিল কৰি ভুৱা হিতাধিকাৰীৰ নাম কৰ্তন কৰাৰ আহ্বান জনায় জিলা কৃষি বিভাগে। সেইমতে তিনি আগষ্টত মুঠ দুই লাখ তিনিহেজাৰ ১২৬ জনীয়া হিতাধিকাৰীৰ তালিকাৰ পৰা ৪৫ হেজাৰ ৪৫৫ জন ভুৱা হিতাধিকাৰীৰ নাম কৰ্তন কৰা হয়। পুনৰ যোৱা ১০ ছেপ্টেম্বৰত জিলা কৃষি বিভাগৰ ফালৰ পৰা ৰাজ্যৰ কৃষি সঞ্চালকলৈ এখন পত্ৰ প্ৰেৰণ কৰি হিতাধিকাৰীৰ একাউণ্টত টকা জমা দিয়া প্ৰক্ৰিয়া বন্ধ কৰাৰ বাবে দাবী জনোৱা হয়। তাৰ পাছতেই জিলাখনৰ হিতাধিকাৰীৰ একাউণ্টত ধন জমা প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বন্ধ ৰাখে কৃষি বিভাগে। কৃষি বিভাগৰ সূত্ৰটোৱে পুনৰ জনায় যে জিলাখনত কৃষি বিভাগে তদন্ত কৰি পোৱা তথ্য মতে মুঠ ৬৭ হেজাৰ অযোগ্য হিতাধিকাৰীৰ ভিতৰত কৃষি সঞ্চালকৰ কাৰ্যালয়ৰ ফালৰ পৰা ইতিমধ্যে ৬২ হেজাৰ ৮৮০ জন অযোগ্য তথা ভুৱা হিতাধিকাৰীৰ নাম কৰ্তন কৰাৰ বিপৰীতে চাৰিহেজাৰ ১২০ জন অযোগ্য হিতাধিকাৰীক ধুবুৰী জিলা কৃষি বিভাগে তালিকাৰ পৰা কৰ্তন কৰিছে। আনহাতে, জিলা কৃষি বিভাগৰ ফালৰ পৰা বিষয়টো চৰজমিন তদন্ত আৰু অনুসন্ধান কৰাৰ পাছত ৬৭ হেজাৰ অযোগ্য হিতাধিকাৰী তালিকাখনত সন্নিবিষ্ট হৈছিল বুলি নিশ্চিত হৈছে। প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি নামৰ অভিলাষী আঁচনিখন ৰূপায়ণত জিলাখনত সংঘটিত হোৱা খেলিমেলিকৈ লৈ উদ্বিগ্ন জিলা কৃষি বিভাগ।



ওদালগুৰিত কৰ্তব্যৰত চিকিৎসক-নাৰ্ছক সম্বৰ্ধনা গোৰ্খা ছাত্ৰ সন্থাৰ, মঙলবাৰে।

## নাৰায়ণপুৰত অবৈধভাৱে চলাই থকা গাড়ী বিক্ৰী কৰা দোকান বন্ধ কৰিলে পৰিবহণ বিষয়াই

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ১২ মে' ঃ** লখিমপুৰ জিলাৰ নাৰায়ণপুৰত অবৈধভাৱে চলাই থকা গাড়ী বিক্ৰী কৰা দোকান এখন আজি বন্ধ কৰে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ে। নাৰায়ণপুৰ নগৰৰ দুই নম্বৰ ৱাৰ্ডত অৱস্থিত বিশ্বনাথ অশোক অট' নামৰ মহিন্দ্ৰা গাড়ী বিক্ৰী কৰা দোকানখনে কোনো ধৰণৰ নথিপত্ৰ অবিহনে বিগত দুবছৰ ধৰি অবৈধভাৱে ব্যৱসায় চলাই আছিল। আজি বিয়লি জিলা পৰিবহণ বিষয়া সীতাৰাম পেগু আৰু এম ভি আই মাখন দত্তৰ নেতৃত্বত অহা এটা দলে দোকানখনত উপস্থিত হৈ কৰা তদন্তৰ অন্তত বিগত দুবছৰ ধৰি দোকানখন অবৈধভাৱে চলাই থকাৰ কথা পোহৰলৈ আহে। আনহাতে, ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে অৱস্থিত দোকানখন বিগত দুটা বছৰে কাৰ আশীৰ্বাদত চলি আছিল তাকে লৈ বিভিন্নজনে প্ৰশ্ন উত্থাপন কৰিছে।

## তলাবন্ধত বিদ্যালয়ক সেৱা জনাই চকুলো টুকি অৱসৰ ল'লে শিক্ষকে

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১২ মে' ঃ** মাৰাত্মক কৰ'না ভাইৰাছৰ পৰা পৰিত্ৰাণৰ উপায় হিচাপে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশজুৰি ঘোষণা কৰা তলাবন্ধ কাৰ্যসূচী চলি থকাৰ মাজতে এগৰাকী জনপ্ৰিয় তথা কৃতী শিক্ষকে সুদীৰ্ঘ ২৯ বছৰ ধৰি শিক্ষকতা কৰা বিদ্যালয়খনৰ পৰা অকলশৰে কান্দি কান্দি বিদায় ল'ব লগা হোৱা খবৰে শিক্ষাপ্ৰেমী ৰাইজ তথা ছাত্ৰ-ছাত্ৰীসকলক শোকদগ্ধ কৰি তুলিছে। উল্লেখ্য যে নলবাৰী জিলাৰ পশ্চিম প্ৰান্তৰ বনগাঁও নিবাসী তথা আমনি জনকল্যাণ হাইস্কুলৰ ইংৰাজী বিষয়ৰ সুশিক্ষক আজিজৰ ৰহমানে যোৱা ৩০ এপ্ৰিলত বিভাগীয় নীতি-নিয়ম অনুসৰি শিক্ষকতা বৃত্তিৰ পৰা অৱসৰ গ্ৰহণ কৰে। কিন্তু দেশজুৰি চলি থকা তলাবন্ধ কাৰ্যসূচীৰ বাবে দীৰ্ঘদিন ধৰি বিদ্যালয় বন্ধ থকাত কৃতী শিক্ষকজনৰ বিদায় সুখপ্ৰদ নহ'ল। তেওঁক বিদায় সম্ভাষণ জনাবলৈ বিদ্যালয়খনত নাছিল কোনো ছাত্ৰ-ছাত্ৰী তথা সহকৰ্মী। একমাত্ৰ ৰাজু দত্ত নামৰ ঠিকাভিত্তিক শিক্ষকজনক সংগী হিচাপে লৈ শিক্ষক ৰহমানে শিক্ষকতাৰ শেষ দিনটোত বিদ্যালয় চৌহদলৈ গৈ তেওঁৰ মৰমৰ বিদ্যালয়খনক সেৱা জনাই কান্দি কান্দি বিদায় লয়।

## বেণুপাৰ্টিৰ মাষ্টাৰ খ্যাত শিল্পী স্বয়ম্ভূ নমঃশূদ্ৰৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১২ মে' ঃ** বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰশিমলুৱা গাঁৱৰ শিল্পী স্বয়ম্ভূ নমঃশূদ্ৰ (৮৭)ৰ আজি পুৱা নিজ বাসভৱনত মৃত্যু হয়। নিশা খাই-বৈ শুই থকাৰ পাছত আজি পুৱা পলমকৈ উঠাত পৰিয়ালৰ লোকে জগাবলৈ গৈ বিছনাত তেওঁক মৃত অৱস্থাত পাই হুৱাদুৱা লগায়। একালৰ প্ৰসিদ্ধ বেণুপাৰ্টিৰ গুৰিধৰোতা আৰু ৰাইজৰ মুখে মুখে 'মাষ্টাৰ' নামেৰে খ্যাত আছিল নমঃশূদ্ৰ। জীৱনত বহুত ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি মৃত্যুৰ কেইবছৰমান আগলৈ সংগীত সাধনাত তেওঁ ব্ৰতী আছিল। দৰিদ্ৰতাই কোঙা কৰা নমঃশূদ্ৰই এসময়ত নিজৰ চিকিৎসাৰ বাবে অতি প্ৰিয় বেণুপাৰ্টিৰ মূল বাদ্যযন্ত্ৰ পে'পাটোক বিক্ৰী কৰিব লগা হোৱাত নীৰৱে চকুলো টুকিছিল। অকল বেণুপাৰ্টিতে নহয় নমঃশূদ্ৰই পাঠশালাৰ নটৰাজ থিয়েটাৰ, হাজোৰ নাট্য কলা কেন্দ্ৰ আৰু স্থানীয় বাসুদেৱ নাট্যগোষ্ঠীৰ সংগীত শিল্পী হিচাপে সহযোগিতা কৰি নিজৰ শিল্পী জীৱনক প্ৰতিষ্ঠা কৰিছিল। জীৱিত কালত নমঃশূদ্ৰক অসম চৰকাৰৰ এককালীন শিল্পী সাহায্য দিয়াৰ লগতে সাংস্কৃতিক মহাসভা, অসমে ৰাজ্যিক শিল্পী সন্মানৰে সন্মানিত কৰে। ইয়াৰ উপৰি নামনি অসমৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শিল্পীজনক সময়ে সময়ে সন্মান যাচি তেওঁৰ শিল্পী সত্তাক শ্ৰদ্ধা জনাইছিল। আজি তেওঁৰ মৃত্যু বাতৰি পোৱামাত্ৰকে গুণমুগ্ধই শ্ৰদ্ধা জনায়। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনি বিবাহিত কন্যা আৰু এজন পুত্ৰক ইহসংসাৰত এৰি যায়।

## ৰংজুলিত প্ৰচণ্ড ধুমুহা-বৰষুণত বিস্তৰ ক্ষতিসাধন

### কে'বাটাও পৰিয়াল গৃহহীন ঃ বিদ্যুৎ সেৱা ব্যাহত

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ১২ মে' ঃ** আজি দুপৰীয়া হঠাতে অহা প্ৰচণ্ড ধুমুহা-বৰষুণে বিস্তৰ ক্ষতিসাধন কৰে ৰংজুলিৰ কে'বাখনো গাঁৱত। প্ৰচণ্ড ধুমুহাৰ ফলত ৰংজুলিৰ কায়স্থপাৰাত প্ৰায় আঢ়ৈশটা পৰিয়াল ক্ষতিগ্ৰস্ত হয়। কে'বাটাও পৰিয়াল গৃহহীন হৈ পৰে। বহুজনে খাদ্য গ্ৰহণ কৰি থকাৰ সময়তে উৰুৱাই লৈ যায় পাক ঘৰৰ মূধচ। ফলত বহুতৰে আজি দুপৰীয়াৰ ভাত সাঁজ খোৱাই নহ'ল। ধুমুহাৰ ফলত কায়স্থপাৰা জনতা মজলীয়া বিদ্যালয়ৰ কাৰ্যালয়ত প্ৰকাণ্ড আঁহত গছ এডাল উভালি পৰাত কাৰ্যালয়টোৰ লগতে দুটাকৈ বিদ্যালয় গৃহ ভাঙি চূৰমাৰ হয়। ইপিনে, গাঁওখনৰ প্ৰতিটো পৰিয়ালৰে ক্ষতিসাধন হোৱাত কোনেও কাকো সহায় কৰিব নোৱৰা অৱস্থা হৈছে। বহু পৰিয়াল গৃহহীন হৈ পৰিছে। তদুপৰি বানিয়াপাৰা, সোণালীপাৰা, নোৱাপাৰা আদি গাঁৱতো কে'বাটাও পৰিয়ালৰ ঘৰৰ চালি উৰুৱাই নিয়ে। ইপিনে, কে'বাঠাইতো বিদ্যুতৰ খুঁটা ভাঙি পৰাত সমগ্ৰ অঞ্চলটোতে বিদ্যুৎ সেৱা বন্ধ হৈ পৰে। আনহাতে, বিধ্বংসী ধুমুহাই ধনুভাঙা, মাদাং আদি গাঁৱতো বিস্তৰ ক্ষতিসাধন কৰে।

## মৰঙিত বজ্ৰপাতত নিহত এজন কিশোৰ

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ১২ মে'ঃ** গোলাঘাট জিলাৰ মৰঙি অঞ্চলত আজি দুপৰীয়া এজাক প্ৰৱল বতাহ-ধুমুহাৰ সমান্তৰালভাৱে অহা বজ্ৰপাতত পৃথকে পৃথকে দুজনকৈ লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন অৱস্থাত এজনৰ মৃত্যু হয়। উল্লেখ্য যে মৰঙি অঞ্চলত বতাহ-ধুমুহাৰ স'তে অহা ব্ৰজপাতত মূৰফুলনিৰ দখৰাপথাৰ গাঁৱৰ জয়দেৱ চাহু (১৬) নামৰ কিশোৰজন আৰু লেটেকুবস্তি কছাৰীগাঁৱৰ ৰঙিলী বড়ো গুৰুতৰভাৱে আহত হয়। দুয়োকে পৃথকে পৃথকে ১০৮ জৰুৰী সেৱাৰ জৰিয়তে গোলাঘাট সদৰস্থিত কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও জয়দেৱ চাহুৰ নামৰ কিশোৰজনৰ মৃত্যু হয়। কিশোৰজনৰ মৃত্যুৰ বাতৰিয়ে অঞ্চলজুৰি শোকৰ ছাঁ পেলোৱাৰ উপৰি ৰঙিলী বড়ো নামৰ মহিলাগৰাকীৰ অৱস্থাও সংকটজনক বুলি জানিব পৰা গৈছে।

## ডিমৌৰ যুৱকৰ হায়দৰাবাদত মৃত্যু




**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১২ মে' ঃ** জীৱিকাৰ তাড়নাত বহিঃৰাজ্যত কৰ্মৰত হৈ থকা ডিমৌৰ এজন যুৱকৰ দুৰ্ঘটনাত মৃত্যু হৈছে। ডিমৌৰ দিহাজানৰ নিৱাসী মুজুন আলীৰ পুত্ৰ ৰেকিব হুছেইনে ন মাহৰ পূৰ্বে হায়দৰাবাদত কৰ্মৰ সন্ধানত গৈ এটা ব্যক্তিগত প্ৰতিষ্ঠানত কৰ্মৰত হৈ আছিল। যোৱা ন মে'ত কৰ্তব্যৰত অৱস্থাত ড্ৰামাৰ দুৰ্ঘটনা হৈ হুছেইনৰ মৃত্যু হয়। তলাবন্ধৰ সময়ত ৰেকিবৰ স'তে কৰ্মৰত দুই যুৱক ক্ৰমে ৰাচিম আলী, বিজয় গোঁহায়ে সতীৰ্থ হুছেইনৰ মৃতদেহ এখন এম্বুলেঞ্চেৰে কোম্পানীৰ সহযোগত আজি ডিমৌ দিহাজানৰ বাসগৃহত উপস্থিত হয়। ইয়াৰ পূৰ্বে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ৰাচিম আৰু বিজয়ৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। লগতে দুয়োজনৰে স্বোৱাব সংগ্ৰহ কৰা হয়। ৰেকিবৰ পিতৃ মুজুন আলীয়ে জনোৱা মতে, এম্বুলেঞ্চত মৃতদেহ কঢ়িয়াই অনা দুই সতীৰ্থ পুনৰ নিজৰ কৰ্মস্থলী হায়দৰাবাদলৈ ঘূৰি যাব।

## ৰোগীৰ মৃত্যুক লৈ আতংক হোজাইত

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১২ মে' ঃ** হোজাইত বিগত কিছুদিন ধৰি জ্বৰ আৰু কাহত আক্ৰান্ত হৈ থকা এজন ৰোগীৰ মৃত্যুক লৈ হোজাইত আতংকৰ সৃষ্টি হৈছে। বিগত দুই-তিনিদিন পূৰ্বৰে পৰা জ্বৰ, কাহ ৰোগত ভুগি মৃত্যুবৰণ কৰা কিশোৰজনৰ নাম আলী হুছেইন (১৭। দুদিন পূৰ্বে হোজাই নতুন বজাৰৰ এফ আৰ ইউ লৈ চিকিৎসাৰ বাবে আহিছিল কিশোৰজন। হোজাই চহৰৰ দুই নম্বৰ ৱাৰ্ডৰ ভূতনাথ ট্ৰাংক ফেক্টৰীত কৰ্মৰত কিশোৰজন হোজাইৰ ৰামপুৰত অকলশৰে ভাৰাতীয়া হিচাপে আছিল। আলী হুছেইনৰ প্ৰকৃত ঘৰ ধুবুৰী জিলাৰ বিলাসীপাৰাত। আজি হোজাই এফ আৰ ইউত আলীৰ মৃতদেহ অনাৰ লগে লগে চিকিৎসালয়খনৰ লগতে সমীপৰ লোক আৰু চিকিৎসালয়ৰ আৱাসীক অঞ্চলত এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। পৰৱৰ্তী সময়ত হোজাইত চিকিৎসকৰ এটা দলে ততাতয়াকৈ কিশোৰজনৰ দেহৰ পৰা নমুনা সংগ্ৰহ কৰি লেলাউটি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। পিছত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে মৃতদেহৰ পৰা স্বাস্থ্য বিভাগে সংগ্ৰহ কৰা নমুনাৰ পৰীক্ষা কৰাৰ পাছতহে এয়া স্পষ্ট হ'ব কিশোৰজন কৰ'নাত আক্ৰান্ত আছিল নে সাধাৰণ কাৰণতে মৃত্যুক আঁকোৱালি লৈছে। এই ঘটনাৰ পাছত ছেনিটাইজ কৰা হয় সমগ্ৰ হাস্পতালখন।

# কলিয়াবৰৰ নিৰ্মল আকাশত হঠাৎ দুষ্প্ৰাপ্য শ্যামল কপৌ

### নিস্তব্ধতাৰ বাবেই আগমন বহু দুষ্প্ৰাপ্য পক্ষীকুলৰ

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১২ মে' ঃ** কলিয়াবৰৰ আকাশত দেখা গৈছে শ্যামল কপৌ বা সেউজীয়া কপৌ হিচাপে চিহ্নিত দুষ্প্ৰাপ্য পক্ষীবিধ। কলিয়াবৰৰ বননিত এতিয়া নিৰ্জনতাৰ আঁৰ লৈ নিৰ্বিঘ্নে পাখি মেলিছে এই কপৌ প্ৰজাতিৰ চৰাইজাকে। সকলোতে তলাবন্ধৰ নিমাওমাও তথা নিস্তব্ধ পৰিৱেশৰ মাজত কলিয়াবৰৰ কলং সুঁতিৰ পাৰৰ ডাঠ বননিত পৰিলক্ষিত হৈছে ইংৰাজীত 'ইমৰেল্ড ড'ভ' নামেৰে পৰিচিত তামিলনাডুৰ জাতীয় পক্ষী হিচাপে স্বীকৃতি এই চৰাইবিধ। 'কুৰু-কুৰু-কুৰুহ' শব্দ কৰি সাধাৰণতে অকলশৰীয়াকৈ, যোৰপাতি বা সৰু সৰু দল বান্ধি ওখ গছ থকা হাবি, বাগিচা আদি অঞ্চলত বসবাস কৰে এই প্ৰজাতিৰ চৰাইবিধে। ২৩ৰ পৰা ২৮ ছেণ্টিমিটাৰ দৈৰ্ঘ্যৰ আমাৰ সাধাৰণতে দেখা পোৱা কপৌ চৰাইতকৈ সামান্য সৰু আকাৰৰ এই চৰাইবিধৰ ওজন ৯০ৰ পৰা ১৮০ গ্ৰামমান হয়। এপ্ৰিলৰ পৰা ছেপ্টেম্বৰৰ মাজৰ সময়ছোৱাত এইবিধ চৰায়ে কণী পাৰি ১২-১৫ দিনৰ ভিতৰত পোৱালি ফুটাই ইহঁতৰ আপডাল কৰে। সাধাৰণতে এটা বা দুটা বগা বা ঘিঁউ বৰণীয়া কণী পাৰে মাইকী চৰাইজনীয়ে। অতিকৈ ধুনীয়া এই চৰাইবিধৰ মতা চৰাইটোৰ ঠোঁটটোৰ বৰণ ৰঙা-গুলপীয়া। মূৰটো ছাঁই ৰঙী আৰু ডিঙিৰ পৰা পেটৰ অংশলৈকে তাম বৰণৰ পাখিৰে আবৃত। দুয়োখন ডেউকা গাঢ় সেউজীয়া। ডেউকাত ৰ'দ পৰি চিকমিকনি উঠি এক সুকীয়া শোভা প্ৰত্যক্ষ কৰোৱায়। ডেউকাৰ ওপৰৰ ফালে দুই-এটা শুদ্ধ বগা পাখিৰ আঁচ দেখা যায়। ঠেঙৰ ৰং গুলপীয়া, নখ ক'লা-কজলা। মতা চৰাইটোৰ তুলনাত মাইকী চৰাইজনী দেখাত কিছু পৃথক। গছৰ গুটি, শস্য আৰু কুঁহিপাত খাই জীৱন নিৰ্বাহ কৰা এই দুষ্প্ৰাপ্য সেউজীয়া কপৌ চৰাই ভাৰতৰ তামিলনাডুকে ধৰি নিৰ্দিষ্ট স্থান তথা শেহতীয়াকৈ নগাঁও জিলাৰ কলিয়াবৰৰ কলঙৰ পৰা ডাঠ হাবিৰ লগতে চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰ, থাইলেণ্ড, মালয়েছিয়া, ভিয়েটনাম, দক্ষিণ চীন, ফিলিপাইন, ইণ্ডোনেছিয়াৰ লগতে অষ্ট্ৰেলিয়াৰ হাবিতো দেখা পোৱা যায়। ১৯৭২ৰ বন্যপ্ৰাণী সুৰক্ষা আইন মতে, দুষ্প্ৰাপ্য পক্ষীৰ তালিকাত স্থান লাভেৰে সুৰক্ষাৰ ওপৰত গুৰুত্ব দিয়া এই পক্ষীবিধ কলিয়াবৰৰ বননিত হঠাৎ প্ৰৱেশক লৈ উৎসাহিত হৈ পৰিছে পক্ষীপ্ৰেমী প্ৰতিজন লোক। ইয়াৰ মাজতে এতিয়া কণী পাৰি বংশবৃদ্ধি কৰাৰ সময়ছোৱাত কলিয়াবৰৰ বননিত এই ধুনীয়া চৰাইজাকৰ উপস্থিতিয়ে জীপাল কৰিছে সকলোৰে মন। ইতিমধ্যে সৰ্বত্ৰ তলাবন্ধৰ বাবে পৰিৱেশ নিকা হৈ পৰাৰ লগতে সকলোতে নিমাওমাও পৰিৱেশ তথা নিস্তব্ধতাই বিৰাজ কৰাৰ বাবেই এনে বহু দুষ্প্ৰাপ্য পক্ষীকুলৰ কলিয়াবৰৰ বনভূমিলৈ আগমন ঘটাৰ সম্ভাৱনাৰ কথা প্ৰকাশ কৰিছে পক্ষীপ্ৰেমীসকলে।



## কৰাইবিলত ধৰ্ষণকাৰীক আটক

**ছয়গাঁও, ১২ মে' ঃ** কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত জোৰশিমলু পহৰা চকীৰ কৰাইবিলত যোৱা আঠ মে'ৰ নিশা এগৰাকী ১৫ বছৰীয়া কিশোৰীক ধৰ্ষণ কৰি পলায়ন কৰি থকা অভিযুক্তক ছয়গাওঁ আৰক্ষীয়ে আটক কৰিছে। উক্ত নিশাই কিশোৰীগৰাকীয়ে ঘৰলৈ আহি ঘটনাৰ বিষয়ে পিতৃ-মাতৃক অৱগত কৰাত যোৱা ন মে'ত পৰিয়ালৰ লোকে ছয়গাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। এজাহাৰৰ ভিত্তিত ছয়গাঁও থানাৰ আৰক্ষীয়ে তদন্ত কৰি আজি পুৱতি নিশা কৰাইবিলত ধৰ্ষণকাৰী নিজামুদ্দিন আলীক আটক কৰে। ছয়গাঁও থানাত ৪৬৪/২০ নম্বৰত এটি গোচৰ ৰুজু কৰি আজি ধৰ্ষণকাৰীক আদালতত হাজিৰ কৰায় আৰু গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰে।

## চৰকাৰী আঁচনিয়ে ঢুকি নোপোৱা ত্ৰিলোচন গাঁৱৰ ৰাস্তা নিৰ্মাণ ৰাইজৰ



**সোণতলি, ১২ মে' ঃ** কামৰূপ জিলাৰ বকোৰ ত্ৰিলোচন গাঁও পঞ্চায়তৰ অন্তৰ্গত ত্ৰিলোচন গাঁওখনৰ দুৰৱস্থাই ছাত্ৰ-ছাত্ৰীৰ লগতে পথচাৰীয়ে যমৰ যাতনা ভুগিবলগীয়া হোৱাত আজি স্থানীয় ৰাইজে নিজৰ গাঁঠিৰ ধনেৰে ৰাস্তা নিৰ্মাণ কৰে। উল্লেখ্য যে স্বাধীনোত্তৰ কালৰে পৰা ৰাস্তা-ঘাটৰ দুৰৱস্থাত ভুগি বোকা-পানীৰে সহৱস্থান কৰি জীৱন কটাবলগীয়া হৈছে অঞ্চলটোৰ ৰাইজে। এই পথেৰে খৰালি যেনি-তেনি চলাচল কৰে পথচাৰীয়ে। কিন্তু বাৰিষা অহাৰ লগে লগে পৰিয়ালকেইটাই পানী-বোকাৰে লুতুৰি-পুতুৰি হৈ অহা-যোৱা কৰিবলগীয়া হয়। কিয়নো বাৰিষাত ৰাস্তাৰ চিন-মোকাম নাথাকে। ৰাস্তাটো সম্পূৰ্ণৰূপে পানীৰ তলত বুৰ যায়। চৰকাৰৰ গড়কাপ্তানী বিভাগ আৰু স্থানীয় জনপ্ৰতিনিধিৰ অমনোযোগিতাৰ বাবে এই গাঁওখনৰ ৰাইজে জীয়াতু ভুগি আহিছে বুলি ৰাইজে অভিযোগ কৰিছে। নিৰুপায় হৈ সম্প্ৰতি ৰাইজে এই তলাবন্ধৰ সময়ত নিজ গাঁঠিৰ ধনেৰে চৰকাৰী ৰাস্তা নিৰ্মাণ কৰিবলৈ ওলাই আহে।

## সমাজহিতৈষী জ্ঞানেন ডেকাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১২ মে' ঃ** নলবাৰী জিলা কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা সন্ধা নিবাসী সমাজকৰ্মী জ্ঞানেন ডেকা (৬৮)ৰ যোৱা নিশা মৃত্যু হয়। শাৰীৰিক অসুস্থতাৰ বাবে গুৱাহাটীৰ এক্সেল কেয়াৰ হাস্পতালত চিকিৎসাধীন অৱস্থাত সমাজহিতৈষী লোকজনৰ মৃত্যু ঘটাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। ১৯৫১ত জন্মগ্ৰহণ কৰা লোকজনে নলবাৰী কৃষি বিভাগত ফৰমেন হিচাপে কাৰ্যনিৰ্বাহ কৰি পাঁচবছৰ পূৰ্বে অৱসৰ গ্ৰহণ কৰিছিল। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত থকাৰ উপৰি ধৰ্মীয় অনুষ্ঠানত ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ পুত্ৰ-কন্যাৰ লগতে বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

## মৌ পালনেৰে স্বাৱলম্বী হোৱাৰ প্ৰয়াস বঢ়মপুৰ হাতীয়নী ভেটাৰ নৱজ্যোতিৰ

### মাত্ৰ এমাহতে উপাৰ্জন ৩৫ হেজাৰ টকা

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ মে' ঃ** নিষ্ঠাৰে যিকোনো কাম কৰিলে সেই কামৰ জৰিয়তে জীৱনৰ বাট বুলিব পাৰি। ইয়াকেই প্ৰতিপন্ন কৰিছে নগাঁও জিলাৰ বঢ়মপুৰ হাতীয়নী ভেটাৰ শিক্ষিত যুৱক নৱজ্যোতি নাথে। মহামাৰী ক'ভিড-১৯ সংক্ৰমণ ৰোধৰ বাবে চৰকাৰে বলৱৎ কৰা তিনিটা পৰ্যায়ৰ তলাবন্ধৰ সময়ছোৱাত জীৱিকা হেৰুৱাই লাখ লাখ সৰ্বসস্বান্ত হৈ দিক-বিদিক হেৰুৱাবলগীয়া হৈছে। সেই জটিল সময়তো মৌ বিক্ৰী কৰি মাত্ৰ এমাহতে ৩৫ হেজাৰ টকা লাভ কৰিছে নৱজ্যোতিয়ে। তলাবন্ধৰ গোটেই সময়ছোৱাত তেওঁৰ উপাৰ্জনৰ পৰিমাণ প্ৰায় ৬০ হেজাৰ টকা হ'ব বুলি তেওঁ আশাবাদী। নগাঁও জিলাৰ বঢ়মপুৰৰ হাতীয়নী ভেটাৰ নৱজ্যোতিয়ে তলাবন্ধৰ এই সময়খিনিত বৰ্তমানলৈকে ৮০ কিলোগ্ৰাম মৌ উৎপাদন কৰি বিক্ৰী কৰিবলৈ সক্ষম হৈছে। ১৯৬৭ৰে পৰা নৱজ্যোতিৰ শিক্ষক পিতৃ নন্দেশ্বৰ নাথে মৌ পালন কৰি ইয়াক বিক্ৰী কৰিছিল। প্ৰথম অৱস্থাত নৱজ্যোতিৰ পিতৃয়ে মৌ পালন কৰাটোক চখ হিচাপে লৈছিল। পৰৱৰ্তী সময়ত ইয়াক বৃত্তি হিচাপে গ্ৰহণ কৰে। পিতৃৰ এই চখৰ প্ৰতি অষ্টম শ্ৰেণীত অধ্যয়ন কৰি থকা অৱস্থাতে আকৰ্ষিত হয় নৱজ্যোতি। পৰৱৰ্তী সময়ত স্নাতক ডিগ্ৰীধাৰী শিক্ষিত যুৱক নৱজ্যোতিয়ে চাকৰি বিচাৰি বিমুখ হৈ মৌ পালন আৰু উৎকৃষ্ট মানৰ মৌৰ ব্যৱসায়ত মনোনিবেশ কৰে। অৱশ্যে তেওঁৰ এখন ফাৰ্ণিচাৰৰ দোকানো আছে। ইয়াৰ সমান্তৰালভাৱে মৌ পালনকো অন্যতম প্ৰধান ব্যৱসায় হিচাপে গ্ৰহণ কৰিছে নৱজ্যোতি নাথে। উল্লেখ্য যে তলাবন্ধৰ এই সময়ছোৱাত অন্য বৃত্তিত জড়িত লোকসকলৰ বৃহৎ ক্ষতি হোৱাৰ বিপৰীতে তেওঁ মৌ পালনেৰে লাভান্বিত হোৱা পৰিলক্ষিত হৈছে। এই সময়ছোৱাত যুৱকজনে কোনোধৰণৰ ক্ষতিৰ সন্মুখীন নোহোৱাকৈ বৰ্তমানলৈকে এমাহত উপাৰ্জন কৰিলে ৩৫ হেজাৰ টকা। নৱজ্যোতিয়ে সাংবাদিকক জনোৱা মতে, তেওঁ পূৰ্বতে এমাহত ২০ৰ পৰা ২৫ কিলোগ্ৰাম লাভ কৰিছিল। এইবাৰ তলাবন্ধৰ সময়ছোৱাত তেওঁ প্ৰায় ৭০ কিলোগ্ৰাম মৌ লাভ কৰিবলৈ সক্ষম হৈছে। কৰ'নাক প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা তলাবন্ধত প্ৰকৃতিৰ মনোৰম জগতখনলৈ উভতি আহিছে এক স্বৰ্গীয় প্ৰশান্তি। তলাবন্ধৰ ফলশ্ৰুতিত বন্ধ হৈ পৰিছে কল-কাৰাখানা, বন্ধ হৈ পৰিল সকলো যান-বাহন আৰু স্তব্ধ হৈ পৰিল মানুহৰো প্ৰকৃতি ধ্বংস কাৰ্যকলাপ। ইয়াৰ ফলত প্ৰকৃতি আৰু জীৱকুলৰ ওপৰত বহু ধনাত্মক প্ৰভাৱ পৰিছে। প্ৰদূষণ কম হৈছে। সেয়ে প্ৰকৃতিৰ ৰম্য কাননৰ পৰা মৌয়ে মৌৰস সংগ্ৰহ কৰি আনি মধুৰস সৃষ্টি কৰি ৰহঘৰাৰে মৌচাক উপচাই পেলাবলৈ সক্ষম হৈছে। তেওঁ কয় যে স্বাভাৱিকতে জানুৱাৰীৰ মাহৰ পৰা এপ্ৰিল-মে'লৈকে মৌৰ উৎপাদন হয়। এইখিনি সময়ত সৰিয়হ ফুলে। পৰৱৰ্তী সময়ত আম, কঠাল আদি ফুলে। এই ফুলৰ পৰাই মৌ সংগ্ৰহ কৰে মৌ মাখিয়ে। কিন্তু এইবাৰ তলাবন্ধৰ পৰিপ্ৰেক্ষিতত প্ৰকৃতি প্ৰদূষণমুক্ত তথা সুন্দৰকৈ পৰাত মৌৰ উৎপাদন বৃদ্ধি পাইছে। নৱজ্যোতিয়ে তেওঁৰ ঘৰৰ লগতে অন্য স্থানতো মৌৰ বাঁহবোৰ ৰাখিছে। তেওঁৰ ফাৰ্ণিচাৰৰ দোকানৰ পিছপিনেও মৌৰ বাঁহ ৰাখিছে। বৰ্তমান তেওঁৰ গৃহত ১২টা মৌৰ বাঁহ আছে। মৌয়ে চাৰি-পাঁচ কিলোমিটাৰ দূৰ পৰ্যন্ত পৰিভ্ৰমণ কৰি ফুলৰ ৰস সংগ্ৰহ কৰে। বাহত সোমোৱাৰ ১০-১৫ দিনৰ পাছত মৌ চাক চেপি ৰস উলিয়াব পৰা হয়। নৱজ্যোতিয়ে বিভিন্ন হাবি-জংঘলৰ গছত হোৱা বা কোনো লোকে খবৰ দিলে মৌ সংগ্ৰহ কৰি ঘৰত ৰখা বাঁহলৈ মৌজাক লৈ আনে। তেওঁৰ ঘৰৰ পৰাই বিভিন্নজনে প্ৰতি কিলোগ্ৰাম মৌ ৭০০-৮০০ টকাত মূল্যত সংগ্ৰহ কৰে। তেওঁ দাবী কৰে যে তেওঁ প্ৰস্তুত কৰা মৌ প্ৰাকৃতিকভাৱে বিশুদ্ধ আৰু নিৰ্ভেজাল। সেয়ে মানুহৰ ওচৰত ইয়াৰ চাহিদা বেছি। মৌ পালনৰ যোগেদি স্বাৱলম্বিতাৰ বাট বুলা এই শিক্ষিত যুৱকজনে আজি পৰ্যন্ত চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহৰ পৰা কোনোধৰণৰ সাহায্য লাভ কৰিবলৈ সক্ষম হোৱা নাই।











## শচীনলৈ সৌৰভৰ বাৰ্তা

# দুটা নতুন বলৰ নিয়ম থকা হ'লে অতিৰিক্ত চাৰি হেজাৰ ৰাণ হ'লহেতেন

**কলকাতা, ১২ মে' ঃ** সম্প্ৰতি এদিনীয়া ক্ৰিকেটত একেলগে দুটা নতুন বল ব্যৱহাৰ কৰা হয়। কিন্তু পূৰ্বে এয়া নাছিল। এই সন্দৰ্ভত আজি প্ৰাক্তন ভাৰতীয় অধিনায়ক তথা বৰ্তমানৰ বি চি চি আইৰ অধ্যক্ষ সৌৰভ গাংগুলীয়ে সতীৰ্থ অপেনাৰ শচীনলৈ বাৰ্তা প্ৰেৰণ কৰি কয় যে যদি আমি খেলি থকা সময়ত একেলগে দুটা নতুন বল ব্যৱহাৰ কৰা হ'লহেতেন তেন্তে আৰু চাৰি হেজাৰ অতিৰিক্ত ৰাণ সংগ্ৰহ কৰিব পাৰিলোহেতেন। উল্লেখ্য যে আজি আই চি চিয়ে এক গৌৰৱৰ টুইট দিছে ভাৰতীয় ক্ৰিকেটপ্ৰেমীলৈ। সেয়া হ'ল শচীন-সৌৰভৰ যুটীতে এদিনীয়াত এতিয়ালৈকে সৰ্বাধিক ৰাণ সংগ্ৰহ হৈছে। শচীন-সৌৰভে মুঠ 176 খন মেচত যুটী বান্ধিছে আৰু সংগ্ৰহ কৰিছে 8227 ৰাণ। গড় হ'ল 47.55¼ আই চি চিয়ে জনোৱা মতে এতিয়ালৈকে বিশ্ব ক্ৰিকেটত ছয় হেজাৰতকৈ অধিক ৰাণ কোনো যুটীয়ে কৰা নাই।

# ফেড কাপ বঁটাৰ ধনো সাহায্য ৰূপে দিলে ছানিয়াই

**হায়দৰাবাদ , ১২ মে' ঃ** ভাৰত গৌৰৱ মহিলা টেনিছ খেলুৱৈ ছানিয়া মিৰ্জাই এইবাৰ ফেড কাপৰ সন্মানীয় বঁটা লাভ কৰিছে। এছিয়া-ওছেনিয়া গ্ৰুপ দেশৰ পৰা নিৰ্বাচিত কৰি ছানিয়াক ফেড কাপ বঁটাৰ বাবে বাচনি কৰা হৈছে। আজি ছানিয়াই কয় যে ফেড কাপৰ বঁটাৰ সকলো ধন তেওঁ সাহায্য হিচাপে আগবঢ়াব। সেই অনুসৰি ফেড কাপৰ পৰা লাভ কৰা দুহেজাৰ ডলাৰ ধন ছানিয়াই তেলেংগনা ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুজিলৈ আগবঢ়াছে। উল্লেখ্য যে ইয়াৰপূৰ্বে ছানিয়াই কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে চৰকাৰলৈ মুঠ এক কোটি 25 লাখ টকা আগবঢ়াইছিল। আনহাতে, ছানিয়াই নিজৰ এক দল গঠন কৰি প্ৰায় এক লাখ সাধাৰণ লোকক সহায় কৰাছে। সকলো ভাৰতীয় এক হ'লে কৰ'নাৰ বিৰুদ্ধে যুঁজ দিয়া কঠিন নহ'ব বুলি কয় ছানিয়াই। স্মৰ্তব্য যে ফেড কাপৰ সন্মানীয় বঁটা লাভ কৰা ছানিয়া ভাৰতৰ প্ৰথম টেনিছ খেলুৱৈ। বঁটা গ্ৰহণ কৰি ছানিয়াই কয় যে এয়া 18 বছৰীয়া ধাৰাবাহিকতাৰ আনুষ্ঠানিক স্বীকৃতি। 2003 ৰ পৰাই দেশৰ হৈ জাতীয় পতাকা লৈ বিশ্বৰ টেনিছ ক'ৰ্টত গৌৰৱ লাভ কৰিছো। ইফালে, টকিঅ' অলিম্পিক এবছৰ পিছুৱাই যোৱাত সুযোগ আহিছে ছানিয়া মিৰ্জালৈ। স্মৰ্তব্য যে মাতৃ হোৱাৰ বাবে ক'ৰ্টৰ পৰা আঁতৰি থকাত টকিঅ' অলিম্পিকৰ দলত নাছিল ছানিয়া। কিন্তু এতিয়া অলিম্পিক এবছৰ পিছুৱাই যোৱাত 2021 ত ছানিয়াই দেশৰ খেলাৰ আশা ব্যক্ত কৰিছে। উল্লেখ্য যে বিগত ৰিঅ' অলিম্পিক খেলা নাছিল ছানিয়াই। কিন্তু 2021 ৰ লণ্ডন অলিম্পিকত ভাৰতৰ হৈ অংশ লোৱা দেশৰ তাৰকা মহিলা টেনিছ খেলুৱৈ ছানিয়া মিৰ্জাই ডাবলছ আৰু মিক্সড ডাবলছ উভয়তে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল।



## মেছিৰ আৰ্থিক সাহায্য

# কৰ'না চিকিৎসালয় স্থাপন কৰাৰ বাবে আৰ্জেণ্টিনা চৰকাৰক ৫০ মিলিয়ন ইউৰো

**বাৰ্চিলোনা, ১২ মে' ঃ** বাৰ্চিলোনাৰ ফুটবল তাৰকা লিয়োনেল মেছিয়ে কৰ'না চিকিৎসালয় স্থাপন কৰাৰ বাবে আৰ্জেণ্টিনা চৰকাৰক 50 মিলিয়ন ইউৰো সাহায্য হিচাপে আগবঢ়াইছে। অৰ্জেণ্টিনা ফুটবল দলৰ অধিনায়কৰ এই সহায়ৰ বাবে চৰকাৰে ধন্যবাদ জনাইছে দেশৰ নায়কক। উল্লেখ্য যে সম্প্ৰতি স্পেইনত আছে মেছি। লা-লিগাৰ বাবে সাজু হৈছে বৰ্চিলোনাসহ স্পেইনৰ অন্য ক্লাবসমুহ। তাৰকা লিয়োনেল মেছিৰ লগতে বাৰ্চিলোনাৰ বাকী সদস্যসকলেও ইতিমধ্যে অনুশীলন আৰম্ভ কৰিছে। কিন্তু দুখৰ বিষয় এয়ে যে অনুশীলনৰ দ্বিতীয় দিনাই খেলপথাৰত খেলি থকা সময়তে আঘাত পাই বাৰ্চিলোনাৰ ছামুমটিটিয়ে। উল্লেখ্য যে ক'ৰনাৰ বাবে এইবাৰ মাজতে বন্ধ হৈছিল ইউৰোপৰ বিভিন্ন দেশৰ ফুটবল লীগ। স্পেইন ফুটবল ফেডাৰেছনে জনাইছে যে চলিত সপ্তাহতে লা-লীগাৰ সূচী প্ৰস্তুত কৰা হ'ব। ইতিমধ্যে ক্লাব সমুহে অনুশীলন আৰম্ভ কৰাৰ অনুমতি চৰকাৰ পৰা লাভ কৰিছে। জুনৰ মাজভাগৰ পৰাই আৰম্ভ হ'ব লা-লিগা। কিন্তু দৰ্শকক ষ্টেডিয়ামত প্ৰৱেশ কৰিব দিব নে নাই সেয়া নিশ্চিত হোৱা নাই।



## 2021 ৰ 17 ফেব্ৰুৱাৰীৰ পৰা সাত মাৰ্চলৈ অনুষ্ঠিত হ'ব প্ৰতিযোগিতা

# ভাৰতত হ'ব লগা ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ পিছুৱালে ফিফাই




**নতুন দিল্লী, ১২ মে' ঃ** অৱশেষত সকলো জল্পনা-কল্পনাৰ অন্তত পেলাই ফিফাই ভাৰতত হ'বলগা 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা পিছুৱাই দিয়াৰ সিদ্ধান্ত লৈছে। আজি এই বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰে ফিফাই। মহামাৰী কৰ'না ভাইৰাছৰ বাবেই ভাৰতত হ'ব লগা 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা পিছুৱাই দিয়া হৈছে বুলি জনাইছে আন্তৰ্জাতিক ফুটবল ফেডাৰেছনে। উল্লেখ্য যে সূচী অনুসৰি অহা দুইৰ পৰা 21 নৱেম্বৰলৈ ভাৰতত অনুষ্ঠিত হোৱাৰ কথা আছিল 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। কিন্তু আজি আন্তৰ্জাতিক ফুটবল ফেডাৰেছনে নতুন দিন নিৰ্ধাৰণ কৰিছে। সেই অনুসৰি এতিয়া 2021 ত অনুষ্ঠিত হ'ব ফিফাৰ প্ৰতিযোগিতাখন। ফিফাই জনোৱা মতে অহা বৰ্ষৰ 17 ফেব্ৰুৱাৰীৰ পৰা সাত মাৰ্চলৈ অনুষ্ঠিত হ'ব 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। উল্লেখ্য যে ভাৰতৰ মুঠ পাঁচটা স্থানত এই ফুটবল প্ৰতিযোগিতাৰ মেচ অনুষ্ঠিত হ'ব। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামো 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ অন্যতম স্থান। ইফালে, আন্তৰ্জাতিক ফুটবল ফেডাৰেছনে চলিত বৰ্ষতে ক'ষ্টাৰিকাত হ'বলগা 20 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা খনো মহামাৰী কৰ'না ভাইৰাছৰ বাবেই পিছুৱাই দিয়াৰ সিদ্ধান্ত লৈছে। ফিফাই জনোৱা মতে এতিয়া অহা বৰ্ষৰ 20 জানুৱাৰীৰ পৰা ছয় ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব 20 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা।

# কৰ'নাৰ বাবে পুনৰ দুখনকৈ প্ৰতিযোগিতা পিছুৱালে আই চি চিয়ে

**ডুবাই, ১২ মে' ঃ** আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে আজি আৰু দুখন প্ৰতিযোগিতা পিছুৱাই দিয়াৰ সিদ্ধান্ত লয়। সেই অনুসৰি 2021 ৰ আই চি চি মহিলা বিশ্বকাপ তথা 2022 ৰ আই চি চি যুৱ বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচসমুহ পিছুৱাই দিছে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে। অহা জুলাইত হ'ব লাগিছিল এই দুয়োখন প্ৰতিযোগিতা। সূচী অনুসৰি 2021 ৰ আই চি চি মহিলা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচসমুহ শ্ৰীলংকাত অহা তিনিৰ পৰা 19 জুলাইত অনুষ্ঠিত হ'ব লাগিছিল। আনহাতে, 24-30 জুলাইলৈ ডেনমাৰ্কত হ'ব লাগিছিল আই চি চি যুৱ বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচসমুহ। কিন্তু মহামাৰী কৰ'নাৰ বাবে আই চি চিয়ে উভয় প্ৰতিযোগিতা পিছুৱাই দিছে। এতিয়া সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে চলিত বৰ্ষত অষ্ট্ৰেলিয়াত হ'ব লগা আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাক লৈ। উল্লেখ্য যে সময়ত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আয়োজন কৰাত প্ৰত্যাহ্বান আছে। ইতিমধ্যে আই চি চিয়ে যোগ্যতা অৰ্জনকাৰী প্ৰতিযোগিতা বন্ধ কৰিছে। এইবাৰ আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা সূচী অনুসৰি অহা 18 অক্টোবৰৰ পৰা আৰম্ভ হ'ব আৰু সামৰণি পৰিব 15 নৱেম্বৰত। কিন্তু বিশ্বকাপ আয়োজনক লৈ সমস্যাৰ সন্মুখীন হৈছে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদ তথা অষ্ট্ৰেলিয়া ক্ৰিকেট ব'ৰ্ড। কৰ'নাৰ বাবে অষ্ট্ৰেলিয়া চৰকাৰে অহা 30 ছেপ্টেম্বৰলৈ দেশত বিদেশী লোকক প্ৰৱেশৰ অনুমতি নিদিয়ে বুলি ইতিমধ্যে জনাইছে। অবিহনে আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আয়োজন কৰিবলৈ সাজু অষ্ট্ৰেলিয়া চৰকাৰ। ইয়াৰপূৰ্বে ক্ৰিকেট অষ্ট্ৰেলিয়াই দৰ্শক অবিহনে আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আয়োজনৰ কথা কৈছিল কিন্তু আই চি চিয়ে সেই প্ৰস্তাব অগ্ৰাহ্য কৰে।




# কোহলিক ফেডেৰাৰৰ লগত তুলনা এ বিৰ

## ষ্টিভ স্মিথক ৰাফেল নাডালৰ স'তে



**নতুন দিল্লী, ১২ মে' ঃ** বিৰাট কোহলিক টেনিছ তাৰকা ৰ'জাৰ ফেডেৰাৰৰ লগত তুলনা কৰিছে দক্ষিণ আফ্ৰিকাৰ ক্ৰিকেটাৰ এ বি ডেভিলিয়াৰ্ছে। ছ'ছিয়েল মিডিয়াৰ বাৰ্তালাপত ডেভিলিয়াৰ্ছে কয় যে বিৰাটে যি শৈলীৰে বল ষ্টাইক কৰে সেয়া ৰ'জাৰ ফেডেৰাৰৰ দৰে। আনহাতে, অষ্ট্ৰেলিয়াৰ ষ্টিভ স্মিথক টেনিছ তাৰকা ৰাফেল নাডালৰ লগত তুলনা কৰিছে ডেভিলিয়াৰ্ছে। উল্লেখ্য যে অলপতে ভাৰত আৰু দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলৰ যুগ্ম শ্ৰেষ্ঠ একাদশ বাচনি কৰিছিল বিৰাট কোহলি আৰু এ বি ডেভিলিয়াৰ্ছে। ভাৰতীয় দলৰ অধিনায়ক বিৰাটে আই পি এল ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলকো নেতৃত্ব দি আহিছে। 2008 ৰ পৰাই ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলৰ হৈ খেলি আহিছে বিৰাটে। আনহাতে, আৰ চি বিৰ অন্যতম সদস্য দক্ষিণ আফ্ৰিকাৰ এ বি ডেভিলিয়াৰ্ছ। ছ'ছিয়েল মিডিয়াত ভিন্ন বিষয়ৰ বাৰ্তালাপ কৰি ভাৰত আৰু দক্ষিণ আফ্ৰিকা ক্ৰিকেট দলৰ যুগ্ম শ্ৰেষ্ঠ একাদশ বাচনি কৰিছে বিৰাট আৰু এ বিয়ে। অৱশ্যে এয়া দুয়োজন ক্ৰিকেটাৰ সময়ৰ শ্ৰেষ্ঠ এদিনীয়া একাদশ। নিৰ্বাচিত দলৰ সদস্য সকল হ'ল-শচীন তেণ্ডুলকাৰ, ৰোহিত শৰ্মা, বিৰাট কোহলি, এ বি ডেভিলিয়াৰ্ছ, জেক কালিছ, মহেন্দ্ৰ সিং ধোনি, যুৱৰাজ সিং, যুজবেন্দ্ৰ চাহাল, ডেল ষ্টেইন, যুশপ্ৰীত বুমৰাহ আৰু কাগিছো ৰাবাডা। গুৰুত্বপূৰ্ণ দিশটো হ'ল এই দলৰ অধিনায়ক ৰূপে বিৰাট কোহলি আৰু এ বি ডেভিলিয়াৰ্ছে বাচনি কৰিছে মহেন্দ্ৰ সিং ধোনিক। ইফালে, কোহলি আৰু ডেভিলিয়াৰ্ছে শচীনক নিজৰ আইডল বুলি এতিয়াও সন্মান কৰে।

# আই পি এল নহ'লৈ চাৰি হেজাৰ কোটিৰ লোকচানৰ সন্মুখীন হ'ব বি চি চি আই



**মুম্বাই, ১২ মে' ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে 13 সংখ্যক আই পি এল আয়োজন কৰিব নোৱাৰিলে প্ৰায় চাৰি হেজাৰ কোটি টকাৰ লোকচানৰ সন্মুখীন হ'ব বুলি ব্যক্ত কৰিছে বি চি চি আই কোষাধ্যক্ষ অৰুণ ধুমলে। উল্লেখ্য যে 13 সংখ্যক আই পি এল কেতিয়া আয়োজন হ'ব সেয়া এতিয়াও অনিশ্চিত। মহামাৰী কৰ'নাৰ বাবে দেশত লকডাউন চলি থকাত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আই পি এল অনিৰ্দিষ্ট সময়লৈ পিছুৱাই দিছে। বি চি চি আইৰ অন্তিম আশা হ'ল যদি অষ্ট্ৰেলিয়াত হ'বলগা টি-20 বিশ্বকাপ পিছুৱাই যায় তেন্তে ছেপ্টেম্বৰ-অক্টোবৰত 13 সংখ্যক আই পি এল আয়োজন কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে যোৱা 12 বছৰত প্ৰথমবাৰৰ বাবে এনে সমস্যাৰ সন্মুখীন হৈছে বি চি চি আই। সূচী অনুসৰি 13 সংখ্যক আই পি এল পূৰ্বে 29 মাৰ্চৰ পৰা আৰম্ভ হোৱাৰ কথা আছিল। কিন্তু কৰ'নাৰ ভাইৰাছৰ ভয়াবহতাৰ বাবে প্ৰথমে লীগ স্থগিত কৰাৰ সিদ্ধান্ত লয় ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰন ব'ৰ্ডে। ইয়াৰপূৰ্বে 15 এপ্ৰিলৰ পৰা 13 সংখ্যক আই পি এলৰ মেচ আৰম্ভ হ'ব বুলি ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰন ব'ৰ্ডে জনাইছিল যদিও দেশত বৃদ্ধি কৰাৰ লগে লগে ব'ৰ্ডে আই পি এল অনিৰ্দিষ্ট সময়লৈ পিছুৱাই দিছে। কৰ'না ভাইৰাছৰ বাবে কেবল আই পি এল নহয় এতিয়া ভাৰতৰ ঘৰুৱা ক্ৰিকেটলৈও অনিশ্চয়তা আহিছে। উল্লেখ্য যে ভাৰতত ঘৰুৱা ক্ৰিকেট আৰম্ভ হয় আগষ্টত দূলীপ ট্ৰফীৰ জৰিয়তে। আনহাতে, সামৰণি পৰে মাৰ্চত ৰঞ্জী ট্ৰফীৰ ফাইনেল মেচেৰে। কিন্তু এইবাৰ আগষ্টৰ পৰা ক্ৰিকেট আৰম্ভ কৰাত সমস্যা আছে। যোৱা ছিজনত বি চি চি আয়ে ছিনিয়ৰ-জুনিয়ৰ পুৰুষ-মহিলাৰ মুঠ 2035 খন মেচ আয়োজন কৰিছিল।

# ক্লাবক দলীয় অনুশীলন আৰম্ভ কৰাৰ অনুমতি

**ৰোম, ১২ মে' ঃ** কৰ'না ভাইৰাছৰ বাবেই ইউৰোপৰ অন্য ফুটবল লীগৰ লগতে ইটালীতো বন্ধ হৈ আছিল দেশৰ জাতীয় ফুটবল লীগ। কিন্তু এতিয়া পৰিবেশ স্বাভাৱিক হোৱাত অচিৰেই আৰম্ভ হ'ব বন্ধ থকা ইটালীয়ান ফুটবল লীগ। লীগৰ দিন নিৰ্ধাৰণ কৰা হোৱা নাই যদিও যোৱা চাৰি মে'ৰ পৰাই খেলুৱৈক অনুশীলন কৰাৰ অনুমতি দিয়া হৈছে। সেই অনুসৰি সামাজিক দূৰত্ব ৰক্ষা কৰি খেলুৱৈয়ে নিজাকৈ অনুশীলন কৰিব কৰিছে। কিন্তু ক্লাবৰ দলীয় অনুশীলন আৰম্ভ হোৱা নাই। ইটালী চৰকাৰে আজি সিদ্ধান্ত লৈ দলীয় অনুশীলন আৰম্ভ কৰাৰ দিন অহা 18 মে'ৰ নিৰ্ধাৰণ কৰিছে। উল্লেখ্য যে কৰ'না ভাইৰাছৰ বাবে মাজতে বন্ধ হৈছিল ইটালীয়ান ফুটবল লীগ। যোৱা ন মাৰ্চৰ পৰাই ইটালীত বন্ধ আছে ফুটবল। ইফালে, ইটালী ফুটবল ফেডাৰেছনৰ মতে অহা দুই আগষ্টৰ পৰা পুনৰ ইটালীয়ান লীগ আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে ইউৰোপত স্থবিৰ হৈ পৰা ফুটবল কেতিয়া আৰু কিদৰে আৰম্ভ কৰিব পৰা যাব সেই লৈ লণ্ডনত এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশ লয় ইউয়েফাৰ প্ৰতিনিধিয়ে। এই সভাতে ইটালীয়ান লীগ আৰম্ভ কৰাৰ বিষয়ে সিদ্ধান্ত লোৱা হয়। কিন্তু দৰ্শক অবিহনে লীগ আয়োজন কৰাৰ বিষয়ে সিদ্ধান্ত পাছত লোৱা হ'ব। কাৰণ চৰকাৰৰ সিদ্ধান্তই অন্তিম সিদ্ধান্ত হ'ব।

# অৰ্জুন বঁটাৰ বাবে সন্দেশ ঝিংগান-বালাৰ নাম প্ৰেৰণ

**নতুন দিল্লী , ১২ মে' ঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেছনে দুজন খেলুৱৈক এই বৰ্ষৰ সন্মানীয় অৰ্জুন বঁটাৰ বাবে নাম প্ৰেৰণ কৰিছে। তেওঁলোক হ'ল ভাৰতীয় পুৰুষ দলৰ সদস্য সন্দেশ ঝিংগান আৰু জাতীয় দলৰ মহিলা সদস্যা বালা দেবী। আজি সৰ্বভাৰতীয় ফুটবল ফেডাৰেছনৰ সচিব কুশল দাসে এই কথা ব্যক্ত কৰে। উল্লেখ্য যে কেন্দ্ৰীয় ক্ৰীড়া বিভাগে ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাৰ আবেদন প্ৰেৰণৰ দিন অলপতে বৃদ্ধি কৰিছিল। লক ডাউনৰ বাবেই এয়া কৰা হৈছে। সেই অনুসৰি খেলুৱৈ তথা ফেডাৰেছনে ইমেইল প্ৰেৰণ কৰি খেলৰত্ন, অৰ্জুন বঁটা, দ্ৰোণাচাৰ্য বঁটা আদিৰ বাবে আবেদন অহা তিনি জুনলৈ প্ৰেৰণ কৰিব পাৰিব। পূৰ্বে এপ্ৰিলৰ পৰাই এই পক্ৰিয়া আৰম্ভ হয় যদিও কৰ'নাৰ বাবে এইবাৰ বাধা আহি পৰে। ইফালে, ফিফাই ভাৰতত হ'বলগা 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা পিছুৱাই দিয়াৰ সিদ্ধান্তক আদৰণি জনাইছে সৰ্বভাৰতীয় ফুটবল ফেডাৰেছনে। উল্লেখ্য যে মহামাৰী কৰ'না ভাইৰাছৰ বাবেই ভাৰতত হ'ব লগা 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা পিছুৱাই দিয়া হৈছে বুলি জনাইছে আন্তৰ্জাতিক ফুটবল ফেডাৰেছনে। পূৰ্বৰ সূচী অনুসৰি অহা দুইৰ পৰা 21 নৱেম্বৰলৈ ভাৰতত অনুষ্ঠিত হোৱাৰ কথা আছিল 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। কিন্তু আজি আন্তৰ্জাতিক ফুটবল ফেডাৰেছনে নতুন দিন নিৰ্ধাৰণ কৰিছে। সেই অনুসৰি এতিয়া 2021 ত অনুষ্ঠিত হ'ব ফিফাৰ প্ৰতিযোগিতাখন। ফিফাই জনোৱা মতে অহা বৰ্ষৰ 17 ফেব্ৰুৱাৰীৰ পৰা সাত মাৰ্চলৈ অনুষ্ঠিত হ'ব 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা।



# লণ্ডন ডাইমণ্ড লীগো স্থগিত কৰিলে এথলেটিকছ সন্থাই

**লণ্ডন, ১২ মে' ঃ** ফুটবল, ক্ৰিকেট আৰু টেনিছৰ পাছত লণ্ডনত বন্ধ হ'ল এথলেটিকছো। উল্লেখ্য যে অহা চাৰি আৰু পাঁচ জুলাইত লণ্ডনৰ অলিম্পিক ষ্টেডিয়ামত অনুষ্ঠিত হোৱাৰ কথা আছিল ডাইমণ্ড লীগ। কিন্তু এতিয়া কৰ'নাৰ বাবে আয়োজন নকৰাৰ সিদ্ধান্ত লৈছে আন্তৰ্জাতিক এথলেটিকছ সন্থা আৰু ব্ৰিটিছ এথলেটিকছ সন্থাই। আজি এই কথা প্ৰকাশ কৰে এক প্ৰেছ বিজ্ঞপ্তিত। উল্লেখ্য যে যোৱা এপ্ৰিলৰ পৰা হ'ব লগা ডাইমণ্ড লীগ জুলাইত সামৰণি পৰাৰ কথা আছিল যদিও এতিয়ালৈকে ছয়খন চহৰত নহ'ল। বাকী আছে ম'নাকো। সূচী অনুসৰি ম'নাকোত 10 জুলাইত হ'ব ডাইমণ্ড লীগ। কিন্তু পৰিৱেশ স্বাভাৱিক হ'লেহে আয়োজন কৰিব আন্তৰ্জাতিক এথলেটিকছ সন্থাই। ইফালে, আন্তৰ্জাতিক এথলেটিকছ সন্থাই ইতিমধ্যে পিছুৱাই দিছে বিশ্ব এথলেটিকছ প্ৰতিযোগিতা। এতিয়া 2022 বৰ্ষৰ জুলাইত অনুষ্ঠিত হ'ব বিশ্ব এথলেটিকছ প্ৰতিযোগিতা। উল্লেখ্য যে পূৰ্বৰ সূচীতকৈ এঘাৰ মাহ পিছুৱাই গ'ল বিশ্ব এথলেটিকছ প্ৰতিযোগিতা। টকিঅ' অলিম্পিকৰ লগত যাতে সময়ৰ ব্যৱধানৰ যুঁজ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই বিশ্ব এথলেটিকছ প্ৰতিযোগিতা পিছুৱাই দিয়া হৈছে বুলি কয় আন্তৰ্জাতিক এথলেটিকছ সন্থাই। পূৰ্বে 2021 বৰ্ষৰ আগষ্টৰ প্ৰথম সপ্তাহত আন্তৰ্জাতিক এথলেটিকছ সন্থাই আয়োজন কৰিব বিচাৰিছিল বিশ্ব এথলেটিকছ প্ৰতিযোগিতা। কিন্তু অহা বছৰ সেই সময়ত টকিঅ' অলিম্পিক তথা পেৰালিম্পিক চলি থাকিব। সেয়েহে বিশ্ব এথলেটিকছ প্ৰতিযোগিতা পিছুৱাই দিয়া হৈছে বুলি কয় আন্তৰ্জাতিক এথলেটিকছ সন্থাই। উল্লেখ্য যে কৰ'না ভাইৰাছৰ বাবে চলিত বৰ্ষত হ'ব লগা টকিঅ' অলিম্পিক এতিয়া এবছৰ পিছুৱাই দিয়া হৈছে।





# ৫৫ দিন দিল্লী বিমানকোঠত আবদ্ধ জাৰ্মান নাগৰিকৰ মুক্তি

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১২ মে' ঃ** বিখ্যাত অভিনেতা টম হেংক্‌ছ অভিনীত হলিউদৰ ছবি 'দ্য টাৰ্মিনাল'ত যুদ্ধ আৰম্ভ হোৱাৰ বাবে নিউ য়ৰ্কৰ বিমানকোঠত আবদ্ধ হৈ পৰিছিল ভিক্টৰ নাভ'ৰস্কি নামৰ এটা চৰিত্ৰ। সেই চৰিত্ৰটোৰ দৰেই অৱস্থাৰ সন্মুখীন হোৱা এজন জাৰ্মান নাগৰিকে অৱশেষত স্বস্তিৰ নিশ্বাস এৰিবলৈ সক্ষম হৈছে। সুদীৰ্ঘ ৫৫ দিন দিল্লীৰ বিমানকোঠত আবদ্ধ হৈ থকাৰ পাছত আজি মুক্ত হৈ তেওঁ আমষ্টাৰডামলৈ ৰাওনা হ'বলৈ সক্ষম হয়। এডগাৰ্ড জেবাট নামৰ ৪০ বছৰীয়া জাৰ্মান নাগৰিকজনে অপ্ৰত্যাশিতভাৱে ভাৰতত উপস্থিত হোৱাৰ পাছত দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানকোঠতে প্ৰায় দুমাহ ধৰি আবদ্ধ হৈ আছিল। আজি পুৱা সম্পন্ন কৰা পৰীক্ষাত জেবাটৰ ফলাফল ঋণাত্মক অহাত তেওঁক আমষ্টাৰডাম অভিমুখী বিমানত তুলি দিয়া হয়।

উল্লেখ্য যে যোৱা মাৰ্চত জাৰ্মান নাগৰিকজন দিল্লীৰ বিমানকোঠত আবদ্ধ হৈ পৰে।

## অপ্ৰত্যাশিতভাৱে আহি উপস্থিত হৈছিল ভাৰতত

জেৰাত জেবাটে কয় যে তেওঁ ভিয়েটনামৰ পৰা ইষ্টানবুললৈ যোৱাৰ বাবে ১৮ মাৰ্চত ভাৰতত উপস্থিত হৈছিল। কিন্তু তেতিয়ালৈ পশ্চিমৰ অধিকাংশ দেশত কৰ'না ভাইৰাছে ভয়ানক ৰূপ ধাৰণ কৰিছিল। ফলত সংক্ৰমণ ৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰে ছৌদি আৰব হৈ যাতায়ত কৰা ইষ্টানবুল সহ সকলো বিমান বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। দিল্লী বিমানকোঠৰ এজন বিষয়াই এই কথা অৱগত কৰাত জাৰ্মান নাগৰিকজনৰ অৱস্থা মূৰত সৰগ ভাঙি পৰাৰ দৰে হয়। এই ক্ষেত্ৰত বিমানকোঠ কৰ্তৃপক্ষই তেওঁক ভাৰতত থকা জাৰ্মান দূতাবাসৰে যোগাযোগ কৰাৰ পৰামৰ্শ দিয়ে। কিয়নো এনে অৱস্থাত একমাত্ৰ জাৰ্মান দূতাবাসেহে জাবেটৰ বাবে বিশেষ বিমানৰ ব্যৱস্থা কৰি দিব পাৰিব বুলিও বিমানকোঠ কৰ্তৃপক্ষই জনায়। কিন্তু জেবাটৰ হাতত তুৰস্কৰ ভিজা নথকাত জাৰ্মান দূতাবাস আৰু তুৰস্ক বিমান পৰিবহন সংস্থাৰ কোনেও তেওঁক বিমান যাত্ৰাৰ অনুমতি প্ৰদান নকৰিলে।

ইপিনে, জেবাটৰ হাতত ভাৰতীয় ভিজাও নথকাৰ বাবে তেওঁ বিমানকোঠৰ বাহিৰলৈ গৈ চহৰত প্ৰৱেশ কৰাৰো অনুমতি নাপালে। ফলত অপেক্ষা কৰাৰ বাহিৰে কোনো হাতত আন কোনো পথেই খোলা নাছিল। অৱশ্যে বিমানকোঠ কৰ্তৃপক্ষই জাৰ্মান নাগৰিকজনৰ খোৱা-বোৱা, অন্যান্য যাৱতীয় প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰি তেওঁক সাহায্য কৰিছিল। ইয়াৰ পাছতে ২৫ মাৰ্চৰ পৰা দেশত তলাবন্ধ আৰম্ভ হোৱাত আজি পৰ্যন্ত জেবাটে বিমানকোঠৰ ভিতৰতে আবদ্ধ হৈ থাকিবলগীয়া হয়। অৱশ্যে বিমানকোঠৰ ভিতৰতে থকাৰ বাবে তেওঁ কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰাও ৰক্ষা পৰে। শেহতীয়াকৈ ভাৰত আৰু ভাৰতৰ বাহিৰত আবদ্ধ হৈ থকা লোকসকলক অনা-নিয়াৰ বাবে কেন্দ্ৰই বিশেষ বিমান সেৱা আৰম্ভ কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ পৰিপ্ৰেক্ষিততে আজি পুৱা জেবাটৰ চূড়ান্ত স্বাস্থ্য পৰীক্ষা কৰাৰ পাছত তেওঁক আমষ্টাৰডামৰ বিমানেৰে যাত্ৰাৰ অনুমতি প্ৰদান কৰা হয়।



*আন্তৰ্জাতিক নাৰ্ছ দিৱস উপলক্ষে মহানগৰীৰ এম এম চি হাস্পতালত নাৰ্ছক সম্বৰ্ধনা, মঙলবাৰে।*

### কৰ'না-সংকটৰ ওৰ নপৰা পৰ্যন্ত থাকিব কোৱাৰেণ্টাইনত

# ৰাজদায়িত্বলৈ উভতি নাহে ৰাণী এলিজাবেথ!



**নিউজ ব্যুৰ'**
**লণ্ডন, ১২ মে' ঃ** ভৱিষ্যতে ৰাজকীয় কাৰ্যভাৰ পালন কৰিবলৈ কেতিয়াও উভতি নাহিব পাৰে ইংলণ্ডৰ ৰাণী দ্বিতীয় এলিজাবেথ। ক'ভিড-১৯ৰ আশংকাৰ বাবেই এনে সিদ্ধান্ত লোৱা হৈছে বুলি দাবী কৰিছে ইংলণ্ডৰ এখন প্ৰভাৱশালী টেবলয়ড 'দ্য ছান' পত্ৰিকাই।

ক'ভিড-১৯ত ইংলণ্ডত আক্ৰান্ত বা মৃত্যু হোৱা লোকৰ সংখ্যা হ্ৰাস পোৱা নাই। তৎসত্ত্বেও কাইলৈৰ পৰা তলাবন্ধৰ বাধানিষেধ কিছু শিথিল হ'ব বুলি ঘোষণা কৰিছে ইংলণ্ডৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে। এনে পৰিস্থিতিত ৰাণী কেতিয়ালৈ জনসমক্ষলৈ আহিব, সেয়া অনিশ্চিত হৈ আছে। ব্ৰিটিছ ৰাজ পৰিয়ালৰ সূত্ৰই দাবী কৰা মতে, ৰাণীয়ে ৰাজকীয় দায়িত্বলৈ উভতি নাহিবও পাৰে।

ব্ৰিটিছ ৰাজ পৰিয়ালৰ জীৱনী লেখক এণ্ড্ৰু মৰ্টনে কয়, 'বৰ্তমানৰ পৰিস্থিতিত ৰাণীয়ে হয়তো আৰু কাৰ্যভাৰ পালন কৰিবলৈ আহিব নোৱাৰিব। তেওঁৰ সুৰক্ষাৰ বাবেই এনে ঘোষণা আহিব পাৰে। ব্ৰিটিছসকলে এতিয়া তেওঁক টিভিত চাবলৈহে পছন্দ কৰে।'

উল্লেখ্য যে ৰাণী এলিজাবেথ দ্য কুইন মাদাৰৰ মৃত্যুৰ পাছত ১৯৫২ত তেওঁৰ কন্যা দ্বিতীয় এলিজাবেথ যুক্তৰাজ্যৰ সিংহাসনত বহিছিল। তেওঁ হৈছে ব্ৰিটিছ সিংহাসনত সবাতোকৈ অধিক দিন অধিষ্ঠিত হোৱা শাসক। অৱশ্যে ৬৮ বছৰীয়া ৰাজকীয় ক্ষমতাকালত প্ৰথমবাৰলৈ তেওঁ ইমানদিন ধৰি দায়িত্বৰ পৰা আঁতৰত আছে। ব্ৰিটেইনত কৰ'না ভাইৰাছৰ সংকট অব্যাহত থকা সময়ছোৱাত ৯৪ বছৰীয়া ৰাণীয়ে তেওঁৰ বাসস্থান উইণ্ডছৰ দুৰ্গতে অনিৰ্দিষ্টকাললৈ অৱস্থান কৰিব বুলি ঘনিষ্ঠ সূত্ৰই জনাইছে। ধাৰণা কৰা হৈছে যে বিগত প্ৰায় ৩০ বছৰত প্ৰথমবাৰৰ বাবে এই গ্ৰীষ্মত জনসাধাৰণৰ বাবে বন্ধ থাকিব বাকিংহাম পেলেচ।

ইপিনে, 'ছানডে টাইম্‌ছ' কাকতে দাবী কৰিছে যে ৰাণীৰ শৰৎকালীন কাৰ্যক্ৰমণিকাৰ পঞ্জীও বন্ধ হৈ আছে। অক্টোবৰত ৰাণীয়ে দক্ষিণ আফ্ৰিকাৰ ভ্ৰমণ কৰাৰ পৰিকল্পনা আছিল, কিন্তু এতিয়াও সেই বিষয়ত কোনো নিশ্চয়তা পোৱা নাই। ব্ৰিটিছ আৰু কমনৱেল্‌থ সামৰিক বাহিনীৰ ৰেজিমেণ্টৰ কালাৰ ট্ৰুপিং, গাৰ্টাৰ ছাৰ্ভিচৰ অৰ্ডাৰ আৰু ৰাণীৰ গ্ৰীষ্মৰ বাগান পাৰ্টিসহ প্ৰায় সকলো সমাবেশ ইতিমধ্যে বাতিল কৰা হৈছে। অৱশ্যে ৰাণীয়ে প্ৰতি বছৰে অংশ লোৱা ৰয়েল এছক'ট অনুষ্ঠান প্ৰাসাদৰ অভ্যন্তৰতে আয়োজিত হ'ব পাৰে। উল্লেখ্য যে ৰাণীয়ে শেহতীয়াকৈ দুবাৰ জাতিৰ উদ্দেশ্যে ভাষণ ৰাখিছে। যোৱা ১৯ মাৰ্চৰ পৰাই তেওঁ হোম কোৱাৰেণ্টাইনত আছে। বাকিংহাম পেলেচৰ এজন কৰ্মচাৰীৰ শৰীৰত ক'ভিড-১৯ ধৰা পৰাৰ পাছৰে পৰাই তেওঁ ৰাজহুৱা স্থানলৈ অহা নাই।



# সিংহৰ গৰ্জনে আদৰণি জনালে তিনি শিশুক

**আহমেদাবাদ, ১২ মে' ঃ** কোনো উৰুলিধ্বনি বা শংখধ্বনি নাই। তাৰ পৰিৱৰ্তে আছিল সিংহৰ গোজৰণি। পশুৰাজে ভয়ানক গৰ্জনেৰেই পৃথিৱীলৈ স্বাগত জনালে তিনিটি শিশুক। গুজৰাটৰ গীৰ জংঘলৰ গভীৰত পশুৰাজৰ গোজৰণি শুনিয়ে একেলগে তিনিটি সন্তান জন্ম দিলে এগৰাকী যুৱতী মাতৃয়ে। যোৱা দেওবাৰৰ মাতৃদিৱসৰ দিনাই সৌভাগ্যশালী প্ৰসূতিগৰাকী একেলগে তিনি সন্তানৰ মাতৃ হয়। গভীৰ জংঘলৰ মাজত অৱস্থিত গুজৰাটৰ আমৰেলি জিলাৰ দেদান গাঁও। দেওবাৰে কৰ'নাৰ আতংকৰ মাজতে সমগ্ৰ বিশ্বই যেতিয়া আন্তৰ্জাতিক মাতৃদিৱস পালনত ব্যস্ত হৈ আছিল, তেতিয়াই তিনি সন্তানক একেলগে পৃথিৱীৰ পোহৰ দেখুৱায় দয়া বাৰায়িয়া নামৰ প্ৰসূতিগৰাকীয়ে। ইমাৰ্জেন্সী মেডিকেল টেক্‌নিচিয়ান গোবিন্দ বাম্ভানিয়াই খবৰ লাভ কৰি এম্বুলেঞ্চ লৈ উক্ত গাঁৱত উপস্থিত হয়। কিন্তু সেই সময়ত দয়াই প্ৰসৱ যন্ত্ৰণাত কাতৰ হৈ পৰিছিল। উপায়ান্তৰ হৈ বাম্ভানিয়াই ফোনতে চিকিৎসকৰ স'তে কথা পাতি জংঘলৰ ভিতৰতে প্ৰসূতিগৰাকীৰ সন্তান প্ৰসৱত সহায় কৰে। কিন্তু সেই সময়তে কিছু আচৰিত অভিজ্ঞতাও অৰ্জন কৰে স্বাস্থ্যকৰ্মীজনে। জংঘলৰ মাজৰ সেই গাঁৱৰ ওচৰে-পাজৰে দীৰ্ঘদিনৰ পৰাই আছে ১৮টা সিংহ। দয়াই যিমানবাৰ প্ৰসৱ যন্ত্ৰণাত চিৎকাৰ কৰি উঠিছিল, সিমানবাৰেই একেবাৰে নিকটস্থানৰ পৰা গোজৰণি মাৰিছিল সিংহকেইটাই। যেন যন্ত্ৰণাত কাতৰ প্ৰসূতিগৰাকীক পশুৰাজে শান্ত্বনা দিয়াৰ চেষ্টা কৰিছিল। সেই সিংহনাদ শুনিয়ে পৃথিৱীত ভৰি দিয়ে দয়াৰ তিনি পুত্ৰ সন্তানে।

### আৰ্থিক সংকট-হিংসা-নিচাৰ পৰা মুক্তি লাগে

# ইটালীত যুৱ সমাজৰ নতুন শ্ল'গান, গাঁৱলৈ যাওঁ বলক

**নিউজ ব্যুৰ'**
**ৰোম, ১২ মে' ঃ** কৰ'না ভাইৰাছে ব্যাপক পৰিৱৰ্তন সাধন কৰিছে ইটালীত। বিশ্বৰ অন্যতম ধুনীয়া দেশখন সম্প্ৰতি কৰ'না অতিমাৰীৰ কবলত পৰি শ্মশানসদৃশ হৈ পৰিছে। পৰ্যটনকে উপাৰ্জনৰ মুখ্য কৰি লোৱা দেশখনে এতিয়া কৰ'নাৰ মাধমাৰৰ বাবে শোচনীয় আৰ্থিক সংকটৰ সন্মুখীন হৈছে। কৰ'নাৰ আতংক আৰু এনেবোৰ পৰিস্থিতিত এতিয়া ইটালীবাসীৰ চিন্তা-ধাৰণাতো অনেক পৰিৱৰ্তন হৈছে।



অতিমাৰীৰ কবলৰ পৰা সামান্যৰূপে সকাহ পোৱাৰ উপক্ৰম ঘটিছে যদিও বিগত দুটা মাহৰ ভয়াৱহ অভিজ্ঞতাৰ ভিত্তিত দেশখনৰ নাগৰিকৰ মাজত এটা নতুন শ্ল'গানহে উদয় হৈছে। সেই শ্ল'গান হৈছে গাঁৱলৈ যোৱাৰ আহ্বান।কৰ'নাৰ মাধমাৰত কোঙা হৈ পৰা ইটালীৰ জনজীৱনে এতিয়া চহৰীয়া ঢং ত্যাগ কৰি গাঁওমুখী হৈছে। বিভিন্ন চহৰৰ অধিকাংশ লোকেই ইতিমধ্যে গাঁও অঞ্চলত বসবাসৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। ইয়াৰ দ্বাৰা ভৱিষ্যতে যিকোনো মহামাৰী বা সংক্ৰমণৰ পৰা ৰক্ষা পোৱাত সহায় পোৱা যাব বুলিয়ে এইসকল লোকে ধাৰণা কৰিছে।

লক্ষ্যণীয়ভাৱে গাঁৱলৈ যাব বিচৰাসকলৰ অধিকাংশই হৈছে ইটালীৰ যুৱ-প্ৰজন্মৰ। যুৱ সমাজৰ এটা বৃহৎ সংখ্যকে মন্তব্য কৰিছে যে তেওঁলোকে চহৰীয়া জীৱনৰ মাত্ৰাধিক ব্যস্ততা, হিংসা-আতংকবাদ, নিচাৰ দৰে বস্তুৰ লগতে আৰ্থিক সংকটৰ পৰা ৰেহাই বিচাৰিছে। ইয়াৰ উপৰি এতিয়া গাঁওসমূহতো চহৰৰ দৰেই বিভিন্ন সা-সুবিধা উপলব্ধ আৰু ইণ্টাৰনেটৰ বাবে অফিচৰ বহুতো কাম সহজ হৈ পৰিছে। আনহাতে, তেওঁলোকৰ ওপৰত থকা চহৰত পঢ়াৰ আৰ্থিক চাপো হ্ৰাস পাব।

ইপিনে, স্বয়ং ইটালী চৰকাৰেও এই বিষয়টোত গুৰুত্ব দিছে আৰু ইয়াৰ দ্বাৰা কিছু আৰ্থিক সকাহ লাভৰো চিন্তা কৰিছে। দেশখনৰ সাংস্কৃতিক মন্ত্ৰণালয়ে অৱগত কৰিছে যে ইতিমধ্যেই পৰ্যটন, উদ্যোগ আৰু সুবিধা বৃদ্ধিৰ বিষয়ত বিবেচনা কৰি আছে। গাঁৱৰ প্ৰতি মানুহৰ আকৰ্ষণ বৃদ্ধিৰ বাবে সামাজিক-বিত্তীয় সংগঠনসমূহে এনে কিছু নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ চৰকাৰক দাবী জনাইছে, যাৰ পৰা দীৰ্ঘদিনৰ পৰা জনশূন্য হৈ পৰি থকা গাঁওসমূহকো পুনৰ জনাকীৰ্ণ কৰি তুলিব পাৰে। এই সন্দৰ্ভত ইটালীৰ চহৰ মিলানত বহু পৰিৱেশ-বান্ধৱ অট্টালিকা নিৰ্মাণৰ বাবে প্ৰখ্যাত ভাস্কৰ্যবিদ ষ্টিফান' ব'ইৰীয়ে কয়, 'এতিয়া সাহসী তথা বাস্তৱ সিদ্ধান্ত লোৱাৰ সময়। এতিয়া চহৰসমূহক সংক্ৰমণ বোমাত পৰিণত হোৱাৰ পৰা ৰক্ষা কৰাটো জৰুৰী হৈ পৰিছে।' আনহাতে, একাংশ সমাজ বিজ্ঞানীয়ে কয় যে এই মহামাৰীয়ে মানুহৰ জীৱন ধাৰণৰ শৈলীয়ে সলনি কৰিছে। মানুহক এতিয়া পাহাৰ আৰু গ্ৰাম্য অঞ্চলৰ খালী হৈ থকা পৰি থকা গাঁওসমূহত বসতি স্থাপনৰ বাবে উৎসাহিত কৰিব লাগে বুলিও তেওঁলোকে মন্তব্য কৰে।

ভাস্কৰ্যবিদ ব'ইৰীৰ মতে, ইটালীত কমেও পাঁচ হেজাৰ আঠশ এনে গাঁও আছে, যিসমূহৰ মুঠ বাসিন্দাৰ সংখ্যা পাঁচ হেজাৰৰো কম। ইয়াৰ উপৰি প্ৰায় ২৩শ এনে গাঁও আছে, যিসমূহ গাঁৱক সম্পূৰ্ণৰূপে ত্যাগ কৰা হৈছে। অৰ্থাৎ সেই গাঁওসমূহত কোনো লোকে এতিয়া বাস নকৰে। এইসমূহ গাঁৱক চৰকাৰে দত্তক লৈ বসতি স্থাপন কৰিব পাৰে বুলিও ব'ইৰীয়ে কয়। এই গাঁওসমূহত 'ৱৰ্ক ফ্ৰম হোম', ইণ্টাৰনেটৰ সুবিধা, কৰ ৰেহাই, পৰিবহন ব্যৱস্থাৰ উন্নতি আদি হ'লে চহৰৰ ওপৰত থকা বোজাও বহুলাংশে হ্ৰাস পাব বুলিও ভাস্কৰ্যবিদজনে কয়।



# অজয় দেৱগণক অনুকৰণ কৰি জৰিমনা ভৰিলে আৰক্ষী বিষয়াই

**নিউজ ব্যুৰ'**
**ভূপাল, ১২ মে' ঃ** হঠাৎ দেখিলে এনে লাগিব যেন ৰূপালী পৰ্দাৰ 'সিংঘম'ৰ অৱতাৰ হৈছে বাস্তৱত। তেনে অৱতাৰ লোৱাৰ বাবে যিদৰে প্ৰশংসিত হ'ল, সেইদৰে ভৰ্ৎসনাও সহ্য কৰিবলগীয়া হ'ল মধ্যপ্ৰদেশৰ এজন আৰক্ষী বিষয়াই। বলিউদৰ ছবিৰ দৰে ষ্টাণ্ট কৰিবলৈ গৈ এই আৰক্ষী বিষয়াজনে আনকি জৰিমনাও ভৰিবলগীয়া হয়।

অলপতে বলিউদৰ ছুপাৰষ্টাৰ অজয় দেৱগণৰ প্ৰথম ছবি 'ফুল ঔৰ কাঁটে'ৰ এটা বিখ্যাত ষ্টাণ্ট নকল কৰিছিল মধ্যপ্ৰদেশৰ নৰসিংহগড় আৰক্ষী থানাৰ আৰক্ষী উপ পৰিদৰ্শক মনোজ যাদৱে। 'ফুল ঔৰ কাঁটে'ত দুখন চলন্ত মটৰ চাইকেলত দুই ভৰি ৰাখি পৰ্দাত আবিৰ্ভাৱ ঘটিছিল অজয়ৰ। সেই ছবিৰ ষ্টাণ্টৰ বাবে অজয়ে সেই বছৰ ফিল্মফেয়াৰৰ বঁটাও লাভ কৰিছিল। কিন্তু আৰক্ষী বিষয়া যাদৱৰ ভাগ্যত আছিল জৰিমনা। অৱশ্যে আৰক্ষী বিষয়াজনৰ এই ষ্টাণ্ট সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ লগে লগে বহুতে এই ষ্টাণ্টৰ বাবে তেওঁক প্ৰশংসাও কৰে। ভিডিঅ'ত দেখা যায়, বলিউদৰ তাৰকাজনৰ দৰেই দুখন চলন্ত গাড়ীত দুই ভৰি ৰাখি আহি আছে আৰক্ষী বিষয়াজন। তেওঁৰ এই গাড়ী ষ্টাণ্টৰ স'তে ৰোহিত শেট্টীৰ ছবি 'ছিম্বা' বা 'গোলমাল ৰিটাৰ্ণ্‌ছ'ৰো মিল পোৱা গৈছে বুলি বহুতে মন্তব্য কৰিছে। অৱশ্যে তেওঁৰ এই কাৰ্যক আন একাংশই সামাজিক মাধ্যমত সমালোচনাও কৰে। এইসকল লোকে মন্তব্য কৰে যে আৰক্ষী বিষয়াজনৰ এনে কাৰ্যৰ দ্বাৰা সাধাৰণ মানুহৰ ওচৰলৈ ভুল বাৰ্তা যাব পাৰে। অনুৰূপ ধাৰণা কৰে আৰক্ষী প্ৰশাসনেও।

### দুখন চলন্ত গাড়ীত থিয় দি বিপজ্জনক ষ্টাণ্ট

আৰক্ষীৰ মতে, এই ষ্টাণ্টৰ দ্বাৰা সমাজৰ যুৱ সমাজলৈ ভুল বাৰ্তা যাব পাৰে। সেইবাবেই আৰক্ষী উপ পৰিদৰ্শক যাদৱক পাঁচ হেজাৰ টকাৰ জৰিমনা বিহে স্থানীয় প্ৰশাসনে। আৰক্ষীয়ে সমগ্ৰ বিষয়টোৰ তদন্ত আৰম্ভ কৰিছে। সেইদৰে ভৱিষ্যতে যাতে তেওঁ বা আন কোনেও এই ধৰণৰ ষ্টাণ্ট নেদেখুৱায়, তাৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা সতৰ্ক কৰি দিয়া হৈছে।




প্ৰকাশ পালে

অগ্ৰদূত
ৰূপান্তৰৰ ধ্যান নথকাজনেই হয় অপ্ৰাসংগিক
কনকসেন ডেকা
ঘৰখনলৈ উভতিব বিচৰা যুৱক-যুৱতীক সমালোচনা কিয়?
স্বাস্থ্য পৰীক্ষাৰ মাজেৰে আহক বহিঃৰাজ্যৰ অসমীয়া
বহুধা বিভক্ত হৈ পৰিছে ৰাজীৱ ভৱন
বিদ্ৰোহ-বিসম্বাদত আক্ৰান্ত প্ৰধান বিৰোধী দল কংগ্ৰেছ
১৩ মে' বুধবাৰৰ সংখ্যা

# সুৰক্ষা ব্যৱস্থা অবিহনেই কৰ'না আক্ৰান্তৰ চিকিৎসা এইমছৰ চিকিৎসকৰ



### অনেকজনৰ জীৱন ৰক্ষাৰ পাছত মৃত্যু হ'লেও পুত্ৰ ছহিদ হোৱা বুলি ভাবিম ঃ পিতৃ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১২ মে' ঃ** পৰ্যাপ্ত সুৰক্ষা ব্যৱস্থা অবিহনে একমাত্ৰ মানৱীয় কাৰণত কৰ'না আক্ৰান্তক চিকিৎসা কৰি এইমছৰ এজন যুৱ চিকিৎসকে নিজে এতিয়া কোৱাৰেণ্টাইনত যাবলগীয়া হৈছে। চিকিৎসকজন কাশ্মীৰৰ অনন্তনাগস্থিত য়ানিহামা-ডায়াল গাঁৱৰ বাসিন্দা ডাঃ জহিদ আব্দুল মজিদ। যোৱা দুবছৰ ধৰি ডাঃ মজিদে নতুন দিল্লীস্থিত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত এজন আৱাসিক চিকিৎসক হিচাপে কৰ্মৰত হৈ আছে। এইজন চিকিৎসকে মানৱীয় কাৰণত জীৱনক তুচ্ছ কৰিও আগবঢ়োৱা সেৱাৰ বাবে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰিছে। ঘটনাটো যোৱা সাত মে'ৰ। সমগ্ৰ দিনটো ৰোগী চোৱাৰ পাছত ডাঃ মজিদে সন্ধিয়া ৰোজা ভাঙিবলৈ বুলি নিজ আৱাসলৈ গৈছিল। সেই সময়তে ডাঃ মজিদলৈ এইমছৰ পৰা এটি ফোন আহে। এইমছৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ পৰা ডাঃ মজিদক এম্বুলেন্সযোগে 'ট্ৰমা চেণ্টাৰ'লৈ অনা এজন কৰ'না আক্ৰান্তক চাবলৈ কোৱা হয়। সেয়েহে ডাঃ মজিদক তৎকালে এইমছলৈ আহিবলৈ কোৱা হয়। ইয়াৰ পাছতে ডাঃ মজিদ ততাতৈয়াকৈ কৰ্মস্থলীত উপস্থিত হয়গৈ। সন্ধিয়া হোৱা হেতুকে সেই সময়ত প্ৰায় এন্ধাৰ নামি আহিছিল। এম্বুলেন্সৰ ভিতৰত দুৰ্বল পোহৰৰ বাবে সেই সময়ত ভালদৰে একো দেখিবলৈ পোৱা হোৱা নাছিল। পিন্ধি থকা পাৰ্ছনেল প্ৰটেকটিভ ইকুইপমেণ্ট (পি পি ই) পোছাক ইতিমধ্যে খুলিছিল ডাঃ মজিদে। পোহৰ কম হোৱা বাবে সঠিকভাৱে একো দেখিবলৈ নোপোৱাত ডাঃ মজিদে মুখ মণ্ডলত থকা আৱৰণ তথা চকুত থকা চশমাও খুলি দিয়ে। অৱশ্যে মুখত এন-৯৫ মাস্ক পৰিধান কৰি থকা ডাঃ মজিদে সেই সময়তে দেখিবলৈ পায় কৰ'না আক্ৰান্তজনৰ শ্বাসনলীত লগাই থোৱা পাইপডাল সঠিকভাৱে লগোৱা হোৱা নাই। ফলত ৰোগীজনে শ্বাস-প্ৰশ্বাস লোৱাত যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে। অতি শীঘ্ৰে পাইপডাল সঠিকভাৱে লগোৱা নহ'লে ৰোগীজন হৃদৰোগত আক্ৰান্ত হ'ব পাৰে। সেয়েহে আগ-পিছ নভবাকৈ ডাঃ মজিদে নিজ হাতেৰেই পাইপডাল সঠিকভাৱে লগোৱাৰ সিদ্ধান্ত লয়। কৰ'না আক্ৰান্তজনক এইমছত ভৰ্তি কৰাৰ পাছত ঊৰ্ধ্বতন কৰ্তৃপক্ষক পি পি ই অবিহনে কৰা এই কামৰ বিষয়ে জনায় ডাঃ মজিদে। কৰ'না আক্ৰান্তৰ সংস্পৰ্শলৈ অহাটো নিশ্চিত হোৱাৰ পাছত ডাঃ মজিদক কোৱাৰেণ্টাইনলৈ পঠোৱা হয়। বৰ্তমানো ডাঃ মজিদ কোৱাৰেণ্টাইনতে আছে। আনহাতে, কৰ'না আক্ৰান্তজনক ৰখা হৈছে ভেণ্টিলেটৰত। বিষয়টো সন্দৰ্ভত ডাঃ মজিদে সাংবাদিকক কয়, 'আজি দেউতাই মোলৈ ফোন কৰিছিল। তেওঁ মোক ক'লে যে কৰ'না আক্ৰান্তক চিকিৎসা কৰাৰ সময়ত মোৰ যদি মৃত্যুও হয় তেন্তে তেওঁ দুখ নকৰে। অনেকজনৰ জীৱন ৰক্ষা কৰাৰ পাছত মোৰ পুত্ৰক ছহিদ হোৱা বুলি ভাবিম। দেউতাৰ স'তে কথা পতাৰ পাছত মোৰ মনৰ মাজত থকা বোজাটো আঁতৰি যোৱা যেন অনুভৱ কৰিছো। মই সেই সময়ত যেনেদৰে আগবাঢ়ি গৈছিলো তেনে কাৰ্যক মোৰ পিতৃ-মাতৃয়ে প্ৰশংসাই কৰিছে।' অৱশ্যে নিজে কৰা কামক একমাত্ৰ কৰ্তব্য বুলিহে আখ্যা দি ডাঃ মজিদে পুনৰ কয়, 'বৰ্তমান পবিত্ৰ ৰমজান চলি আছে। এই সময়ত মই এজন মুমূৰ্ষুপ্ৰায় ৰোগীক সেৱা আগবঢ়াইছো। চিকিৎসক হিচাপে অথবা মানুহ হিচাপে কোনো ৰোগীৰ ক্ষতি হোৱাটো নিশ্চয় নিবিচাৰিম। তদুপৰি এইমছত জ্যেষ্ঠ চিকিৎসকসকলকো এনেদৰেই আগবাঢ়ি যোৱাটো দেখিছো।' ইফালে, পি পি ই পৰিধান নকৰাকৈ ৰোগীৰ ওচৰলৈ যোৱাটো অতিকৈ বিপজ্জনক কাৰ্য বুলি উল্লেখ কৰিছে ডাঃ মজিদে। সেয়েহে চিকিৎসকসকলক এনে পদক্ষেপ ল'বলৈ আহ্বান জনাই ডাঃ মজিদে অন্যান্য চিকিৎসকসকলক এই ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিবলৈ সকীয়াই দিয়ে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com